www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আমি যি জানো, সি অতি সামান্য। আমি যি নাজানো, তাৰ সীমা নাই। এতেকে, নিজক জ্ঞানী বুলি ভবা অনুচিত। -পাপলেচ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ৩১৭ | শুকুৰবাৰ | ২৫ ছেপ্টেম্বৰ, ২০২৬ চন | Volume/Year- I | Issue- 317 | Friday | 25th September, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

## বোকাখাতত অৱস্থান ধৰ্মঘটস্থলীৰ পৰাই গীতা গোৱালাসহ ১০ গৰাকী প্ৰতিবাদকাৰীক আটক আৰক্ষীৰ

### প্ৰণৱ দলেৰ মুক্তি আৰু খিলঞ্জীয়া কৃষক-শ্ৰমিকৰ ভূমি অধিকাৰ সুৰক্ষাৰ দাবীত দিনজোৰা ধৰ্মঘট

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৪ ছেপ্টেম্বৰ ঃ** ভূমি আৰু মানৱ অধিকাৰ কৰ্মী প্ৰণৱ দলেৰ মুক্তিৰ দাবীত আজি বোকাখাতত অনুষ্ঠিত অৱস্থান ৬ পৃষ্ঠাত

### কুমাৰৰ অভিসন্ধি ফাদিল কৰিলে খোদ দুগৰাকী নিৰ্বাচনী আয়ুক্তই

# SIRৰ জৰিয়তে ১৩ কোটি ভোট কৰ্তন জ্ঞানেশ কুমাৰৰ

### এই প্ৰচাৰে বিৰোধী আৰু ডিমাগী নক্সালৰ হতাশা প্ৰকাশ কৰিছে ঃ ড° হিমন্ত বিশ্ব শৰ্মা




**নিউজ ডেস্ক, অসম বাৰ্তা, ২৪ ছেপ্টেম্বৰ ঃ** দেশৰ নিৰ্বাচন আয়োগৰ বিৰুদ্ধে "দ্য ইণ্ডিয়ান এক্সপ্ৰেছ"ই প্ৰকাশ কৰা বাতৰিয়ে সমগ্ৰ দেশতে জোকাৰণিৰ সৃষ্টি কৰিছে। ৰাজনৈতিক মহলতো এই বিষয়ক লৈ ব্যাপক বিতৰ্ক দেখা গৈছে। ইংৰাজী কাকতখনে প্ৰকাশ কৰা বাতৰি অনুসৰি, দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্ত সুখবীৰ সিং সন্ধু আৰু নিৰ্বাচন আয়ুক্ত বিবেক যোশীৰ মাজত এছআইআৰ প্ৰক্ৰিয়া নিৰীক্ষণ সন্দৰ্ভত সহমত নোহোৱাকৈ কিছুমান কাৰ্যকলাপ চলি আছে। ইফালে এই প্ৰসংগত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বৃহস্পতিবাৰে দৃঢ়তাৰে কয় যে মুখ্য নিৰ্বাচন আয়ুক্তই নিৰ্বাচন আয়ুক্তসকলৰ সৈতে আলোচনা নকৰাকৈ কোনো সিদ্ধান্ত ল'ব নোৱাৰে। মুখ্য নিৰ্বাচন আয়ুক্তক 'ৰাজনৈতিক প্ৰচাৰ'ৰ অংশ হিচাপে লক্ষ্য কৰি লোৱাৰ অভিযোগ উত্থাপন কৰি ড° শৰ্মাই কয় যে এই কাৰ্যই বিৰোধী আৰু 'ডিমাগী' (বৌদ্ধিক) নক্সালসকলৰ 'হতাশা' প্ৰতিফলিত কৰিছে। তেওঁ কয় যে ৬ পৃষ্ঠাত

## গুৱাহাটীৰ ২৩, ৩৬ নম্বৰ পথত সম্পূৰ্ণৰূপে বন্ধ হ'ব ডিজেল বাছ



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** গুৱাহাটী মহানগৰীক প্ৰদূষণমুক্ত আৰু সেউজীয়া কৰি তোলাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপক আদৰণি জনাইছে গুৱাহাটী উচ্চন্যায়ালয়ে। মহানগৰীৰ ২৩ আৰু ৩৬ নম্বৰ পথক Green Routes অৰ্থাৎ ৬ পৃষ্ঠাত

### কৰ্কট চিকিৎসাত অসমৰ উল্লেখযোগ্য অগ্ৰগতি

## চাৰি বছৰত অসমৰ ১০খন চিকিৎসালয়ত ১৫ লাখ ৰোগীক সেৱা



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** ৰাজ্যখনত কৰ্কট ৰোগ চিকিৎসা সেৱাৰ অগ্ৰগতিৰ বিভিন্ন দিশ পৰ্যালোচনা কৰা হৈছে। আজি আছাম কেয়াৰ ফাউণ্ডেশ্যনৰ পৰিচালনা সমিতিৰ বৈঠকত অধ্যক্ষতা কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই পৰ্যালোচনা কৰে। এই তথ্য তেওঁ নিজৰ ফেচবুক পোষ্টৰ জৰিয়তে জনাইছে। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰা অনুসৰি, মাত্ৰ প্ৰায় চাৰি বছৰৰ ভিতৰতে ৰাজ্যৰ ১০খন কৰ্কট চিকিৎসালয়ে প্ৰায় ১৫ লাখ ৰোগীক চিকিৎসা সেৱা আগবঢ়াইছে। পৰামৰ্শ ৬পৃষ্ঠাত

### ভোট চুৰিৰ অভিযোগ তুলি কংগ্ৰেছ বহি নথকাৰ ঘোষণা

## জ্ঞানেশ কুমাৰক দেশদ্ৰোহী আখ্যাৰে পদত্যাগৰ দাবী ৰাহুল গান্ধীৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৪ ছেপ্টেম্বৰ ঃ** দেশৰ নিৰ্বাচন আয়োগৰ দুগৰাকী নিৰ্বাচন আয়ুক্তই বিশেষ নিবিড় পুনৰীক্ষণ (এছআইআৰ) সম্পৰ্কত লিখিত আপত্তি তথা ক্ষোভ প্ৰকাশ কৰাৰ পাছতো সেইবোৰ আওকাণ কৰা ঘটনাক লৈ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰ আৰু মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰে। আজি এক সংবাদমেল সম্বোধন কৰি ৰাহুল গান্ধীয়ে অভিযোগ কৰে যে দেশত ভোট চুৰি সংঘটিত ৬ পৃষ্ঠাত



## জুবিন গাৰ্গৰ মৃত্যু তদন্তৰ বাবে আদালতত অভিমন্যু তালুকদাৰৰ সাক্ষ্য

## "জুবিন যে মহান শিল্পী আছিল, সেই কথা মই জনা নাছিলোঁ" ঃ তালুকদাৰ



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্ত অব্যাহত আছে। এই গোচৰত প্ৰবাসী অসমীয়া তথা ছিংগাপুৰ অসম এছ'চিয়েছনৰ সভাপতি অভিমন্যু তালুকদাৰে বৃহস্পতিবাৰে আদালতত সাক্ষ্য প্ৰদান কৰে। ছিংগাপুৰৰ য়ট পাৰ্টীত উপস্থিত থকা অভিমন্যু তালুকদাৰে আদালতত নিজৰ মন্তব্য আগবঢ়ায়। জুবিন গাৰ্গৰ সৈতে য়ট পাৰ্টীত উপস্থিত থকা অভিমন্যু তালুকদাৰৰ মন্তব্যত তেওঁ উল্লেখ কৰে যে জুবিন গাৰ্গ জ্ঞানী আৰু মহান শিল্পী আছিল-এই কথা তেওঁ জনা নাছিল। ছিংগাপুৰত জুবিনক লগ পোৱাৰ ৬ পৃষ্ঠাত

## দিব্যাংগজনসকল কৃপাৰ পাত্ৰ নহয়, সমান অধিকাৰৰ অধিকাৰী ঃ মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ

### সচিবালয়ত দিব্যাংগজনসকলৰ অধিকাৰ সুৰক্ষা আৰু সবলীকৰণৰ লক্ষ্যৰে গুৰুত্বপূৰ্ণ বৈঠক



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** সমাজৰ বিশেষভাৱে সক্ষম তথা দিব্যাংগজনসকলৰ অধিকাৰ সুৰক্ষিত কৰা আৰু তেওঁলোকৰ জীৱনযাত্ৰা অধিক সহজ, মৰ্যাদাপূৰ্ণ তথা স্বাৱলম্বী কৰি তোলাৰ লক্ষ্যৰে অসম সচিবালয়ৰ কাৰ্যালয়ত এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। ৰাজ্যৰ সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ মন্ত্ৰী অশ্বিনী ৰায় চৰকাৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দিব্যাংগজনসকলক প্ৰতিনিধিত্ব কৰা বিভিন্ন সংগঠনৰ বিষয়ববীয়াসকলৰ সৈতে এই আলোচনাত মিলিত হয়। বৈঠকত দিব্যাংগজনসকলৰ বিভিন্ন সমস্যা, অভাৱ-অভিযোগ, চৰকাৰী আঁচনিৰ সুবিধা লাভৰ ক্ষেত্ৰত দেখা দিয়া বাধা-বিঘিনি, প্ৰয়োজনীয় সা-সুবিধা, শিক্ষা, নিয়োগ, সামাজিক সুৰক্ষা, যাতায়াত আৰু অন্যান্য মৌলিক অধিকাৰৰ বিষয়ে বিস্তাৰিতভাৱে আলোচনা কৰা হয়। আলোচনাত অংশগ্ৰহণ কৰি মন্ত্ৰী অশ্বিনী ৰায় চৰকাৰে কয় যে এখন ৬পৃষ্ঠাত

## দুৰ্গা পূজা উপলক্ষে ১৭ অক্টোবৰত অতিৰিক্ত বন্ধ ঘোষণা



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** লোকসেৱা ভৱনত ৰাজ্যিক কেবিনেটৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ অন্তত মুখ্যমন্ত্ৰীয়ে সংবাদমেলত গ্ৰহণ কৰা সিদ্ধান্তসমূহৰ বিষয়ে অৱগত কৰে। বৈঠকত ৰাজ্য চৰকাৰে এছিয়ান ডেভেলপমেণ্ট বেংক (ADB)ৰ পৰা ৭৯৬ কোটি টকাৰ ঋণ গ্ৰহণ কৰাৰ সিদ্ধান্ত লয়। এই ঋণৰ ধনেৰে ১০২টা বিলৰ উন্নয়ন কৰা হ'ব। ঋণৰ ভিতৰত ৬৩৭ কোটি টকা ভাৰত চৰকাৰে পৰিশোধ কৰিব। আনহাতে, ৰাজ্য চৰকাৰে ১৫৯ কোটি টকা ঋণ পৰিশোধ কৰিব। অসমৰ জলকীয়া ৰপ্তানিৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। এই পদক্ষেপৰ অংশ হিচাপে উলুবাৰীত জলকীয়াৰ গুণ পৰীক্ষণ কেন্দ্ৰ নিৰ্মাণ কৰা হ'ব। ইয়াৰ পূৰ্বে অসমৰ জলকীয়াৰ গুণ কলকাতাত পৰীক্ষা কৰা হৈছিল। উন্নতমানৰ জলকীয়া বহিঃৰাষ্ট্ৰলৈ ৰপ্তানি ৬ পৃষ্ঠাত

### মুখ্যমন্ত্ৰীৰ জৰুৰী হস্তক্ষেপৰ দাবী IFSMNৰ

## চৰকাৰী বিজ্ঞাপনত বৈষম্য ঃ ধ্বংসৰ পথত ক্ষুদ্ৰ-মজলীয়া সংবাদ পত্ৰ




**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৪ ছেপ্টেম্বৰ ঃ** অসম বিধানসভা নিৰ্বাচনৰ নিৰ্বাচনী আচৰণ বিধি বলবৎ হোৱাৰ অজুহাতত যোৱা ১৫ মাৰ্চৰ পৰা বন্ধ কৰি ৰখা চৰকাৰী বিজ্ঞাপন নিৰ্বাচনী আচৰণ বিধি প্ৰত্যাহাৰৰ পাছতো নিয়মীয়াকৈ প্ৰদান নকৰাৰ অভিযোগ উত্থাপন হৈছে ৰাজ্যৰ তথ্য আৰু জনসংযোগ বিভাগৰ সঞ্চালকৰ বিৰুদ্ধে। এনে একপক্ষীয় পদক্ষেপৰ ফলত ৰাজ্যৰ ক্ষুদ্ৰ আৰু মজলীয়া সংবাদ পত্ৰসমূহ চৰম আৰ্থিক সংকটৰ সন্মুখীন হৈছে। ইণ্ডিয়ান ফেডাৰেশ্যন অৱ স্মল এণ্ড মেডিয়াম নিউজপেপাৰ্ছ (IFSMN)-ৰ অসম ৰাজ্যিক সমিতিৰ সভাপতি প্ৰভাত চন্দ্ৰ শৰ্মা আৰু সাধাৰণ সম্পাদক এম ছাইফউদ্দিন আহমেদে এক প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে এই ক্ষোভ প্ৰকাশ কৰে। তেওঁলোকে কয় যে ৬ পৃষ্ঠাত

### দেশজুৰি প্ৰতিবাদৰ সকীয়নি ঃভোটাৰ তালিকাত হেতালি খেলাৰ অভিযোগ

## জ্ঞানেশ কুমাৰক পদত্যাগৰ বাবে ৪৮ ঘণ্টাৰ সময়সীমা ককৰোচ জনতা পাৰ্টীৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৪ ছেপ্টেম্বৰ ঃ** দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে উত্থাপিত অভিযোগে সমগ্ৰ দেশত চাঞ্চল্যৰ সৃষ্টি কৰিছে। "ইণ্ডিয়ান এক্সপ্ৰেছ" কাকতত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্ত সুখবীৰ সিং সন্ধু আৰু নিৰ্বাচন আয়ুক্ত বিবেক যোশীৰ মাজত থকা মতানৈক্য প্ৰকাশ পোৱাৰ পিছতেই দেশজুৰি তোলপাৰ লগিছে। বৃহস্পতিবাৰে দিল্লীত ৬ পৃষ্ঠাত

## শিলচৰ পৌৰ নিগম নিৰ্বাচনত বিজেপি প্ৰাৰ্থীৰ হৈ প্ৰচাৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ

### দুটা ৱাৰ্ডত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়; মাহৰ শেষত মুখ্যমন্ত্ৰীৰ শিলচৰ ভ্ৰমণৰ সম্ভাৱনা

**ষ্টাফ ৰিপৰ্টাৰ, শিলচৰ, ২৪ ছেপ্টেম্বৰ ঃ** শিলচৰ পৌৰ নিগম নিৰ্বাচনত বিজেপি প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাবলৈ ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া আজি শিলচৰত উপস্থিত হৈছে। আজিৰ পৰা অহা ২৬ ছেপ্টেম্বৰলৈকে সভাপতি ৬ পৃষ্ঠাত



### মুম্বাইত এছবিআই বেংকিং এণ্ড ইকনমিক্স কনক্লেভত জয়ন্ত মল্ল বৰুৱা

## ঔদ্যোগিকীকৰণত অসমৰ সৰ্বোত্তম সম্পদ মানৱ সম্পদ ঃ বিত্তমন্ত্ৰী মল্ল বৰুৱা



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৪ ছেপ্টেম্বৰ ঃ** ঔদ্যোগিকীকৰণৰ ক্ষেত্ৰত অসমৰ আটাইতকৈ ডাঙৰ সম্পদ হৈছে ৰাজ্যখনৰ মানৱ সম্পদ। এই শক্তিয়ে অসমক বিনিয়োগৰ এক আকৰ্ষণীয় গন্তব্যস্থানলৈ ৰূপান্তৰিত কৰিছে। এনে মন্তব্য ৰাজ্যৰ বিত্তমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কৰিছে। মুম্বাইত অনুষ্ঠিত ১৩সংখ্যক এছবিআই বেংকিং এণ্ড ইকনমিক্স কনক্লেভত অংশগ্ৰহণ কৰি ৬ পৃষ্ঠাত

### ক'কৰোছ জনতা পাৰ্টিৰ সৈতে ব্যাপক আন্দোলনৰ ঘোষণা

## জ্ঞানেশ কুমাৰক ২৪ ঘণ্টাৰ ভিতৰত পদত্যাগৰ দাবী ৰাইজৰ দলৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৪ ছেপ্টেম্বৰ ঃ** ৰাইজৰ দলে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবী আৰু অধিক জোৰদাৰ কৰি তুলিছে। দলটোৱে স্পষ্ট কৰি দিছে যে জ্ঞানেশ কুমাৰে আগন্তুক ২৪ ঘণ্টাৰ ভিতৰত পদৰ পৰা পদত্যাগ কৰিব লাগে। ৰাইজৰ দলৰ মতে, জ্ঞানেশ কুমাৰৰ অধীনত অনুষ্ঠিত সকলো নিৰ্বাচন অবৈধ ঘোষণা কৰিব লাগে। তেওঁৰ নেতৃত্বত সম্পন্ন সমষ্টি নিৰ্ধাৰণকো দলটোৱে আইনবিৰোধী বুলি অভিহিত কৰিছে। তদুপৰি, জ্ঞানেশ কুমাৰৰ কাৰ্যকালত অনুষ্ঠিত সকলো নিৰ্বাচন বাতিল কৰি পুনৰ নিৰ্বাচন অনুষ্ঠিত কৰিব লাগে বুলি দলটোৱে দাবী উত্থাপন কৰিছে। এই দাবীৰ সৈতে ৰাইজৰ দলে ক'কৰোছ জনতা পাৰ্টিৰ সৈতে মিলিত হৈ ব্যাপক আন্দোলন গঢ়ি তোলাৰ ঘোষণা দিছে। লগতে, সাম্প্ৰদায়িক বিজেপিৰ বিৰুদ্ধে সকলো বিৰোধী শক্তিক একত্ৰিত হৈ যুঁজ দিবলৈ দলটোৱে আহ্বান জনাইছে। আনহাতে, ৰাইজৰ দলৰ সভাপতি তথা ধিং সমষ্টিৰ বিধায়ক অখিল গগৈয়ে প্ৰণৱ দলেক ৰাষ্ট্ৰীয় সুৰক্ষা আইন (NSA)প্ৰয়োগ কৰাৰ সিদ্ধান্তক যুক্তিসংগত নহয় বুলি মন্তব্য কৰিছে। তেওঁ কয় যে এনে পদক্ষেপে গণতান্ত্ৰিক প্ৰতিবাদ আৰু মত প্ৰকাশৰ অধিকাৰক প্ৰভাৱিত কৰে।

## বিশ্ব সামুদ্ৰিক দিৱসত সাগৰীয় ক্ষেত্ৰত ভাৰতৰ বিকাশৰ ৰূপৰেখা দাঙি ধৰিলে সোণোৱালে



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৪ ছেপ্টেম্বৰ ঃ** প্ৰতি বছৰে ছেপ্টেম্বৰ মাহৰ শেষ বৃহস্পতিবাৰে বিশ্ব সামুদ্ৰিক দিৱস পালন কৰা হয়। ১৯৭৮ চনৰ ১৭ মাৰ্চত আন্তঃৰাষ্ট্ৰীয় সামুদ্ৰিক সংস্থা (IMO)ৰ চুক্তি বলবৎ হোৱাৰ ২০ সংখ্যক বৰ্ষপূৰ্তি ৬ পৃষ্ঠাত

**২০১৪-১৫ৰ তুলনাত বন্দৰৰ ক্ষমতা ৮০ শতাংশ বৃদ্ধি ঃ অন্তৰ্দেশীয় জলপথত কাৰ্গো পৰিচালনা ৭.৫ গুণ বৃদ্ধি**

### ২০১০ চনৰ পিছত এই ইভেণ্টত ভাৰতৰ প্ৰথম পদক

## এছিয়ান গেমছৰ মহিলাৰ ১০,০০০ মিটাৰ দৌৰত সীমা কুমাৰীৰ ব্ৰঞ্জ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৪ ছেপ্টেম্বৰ ঃ** আইচি নাগোয়া এছিয়ান গেমছ ২০২৬ত ভাৰতীয় খেলুৱৈসকলৰ পদক অভিযান অব্যাহত আছে। বুধবাৰে ভাৰতে স্বৰ্ণজয় কৰাৰ পিছত বৃহস্পতিবাৰৰ দিনটোতো ভাৰতৰ পদকযাত্ৰা আগবাঢ়ে। মহিলাৰ ১০,০০০ মিটাৰ দৌৰ প্ৰতিযোগিতাত উৎকৃষ্ট প্ৰদৰ্শন দাঙি ধৰি ভাৰতীয় এথলেট সীমা কুমাৰীয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। এই গুৰুত্বপূৰ্ণ ইভেণ্টটোত সীমাই ৩২ মিনিট ৫০.০৫ ছেকেণ্ড সময় লৈ তৃতীয় স্থান দখল কৰে। উল্লেখযোগ্য যে ২০১০ চনৰ এছিয়ান গেমছৰ পিছত মহিলাৰ ১০,০০০ মিটাৰ দৌৰত এয়া ভাৰতৰ ৬ পৃষ্ঠাত




### নগাঁৱৰ ৰাজীৱ ভৱনত ৰকিবুল হুছেইনৰ সংবাদমেল

## মুখ্যমন্ত্ৰীৰ মুখত ৬ তাৰিখলৈকে 'মিঞা' শব্দটো সলনি হৈ 'সংখ্যালঘু' হৈ পৰিল ঃ ৰকিবুল হুছেইন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৪ ছেপ্টেম্বৰ ঃ** নগাঁৱৰ ৰাজীৱ ভৱনত অনুষ্ঠিত এক গুৰুত্বপূৰ্ণ সংবাদমেলত ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইনে ৰাজ্যিক তথা ৰাষ্ট্ৰীয় ৰাজনীতিৰ কেইবাটাও স্পৰ্শকাতৰ বিষয়ত তীক্ষ্ণ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। সংবাদমেলত তেওঁৰ লগতে কংগ্ৰেছ নেত্ৰী মীৰা বৰঠাকুৰ, বেদব্ৰত বৰা আৰু মৃণাল হাজৰিকাও উপস্থিত আছিল। ভাৰতীয় নিৰ্বাচন আয়োগৰ ৬ পৃষ্ঠাত

# ভেলৌগুৰিৰ চীড ফাৰ্মত নিশা নগা আৰক্ষীয়ে হাৰাশাস্তিৰ গুৰুতৰ অভিযোগ

**অসম বাৰ্তা, মেৰাপানী, ২৪ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ মেৰাপানীৰ ভেলৌগুৰি চীড ফাৰ্মত নিশা নগা আৰক্ষীয়ে অসমীয়া লোকৰ ঘৰত প্ৰৱেশ কৰি ভয়-ভাবুকি প্ৰদান কৰাৰ অভিযোগক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সোমবাৰে নিশা চীড ফাৰ্মৰ বাসিন্দা কিশোৰ কৰ্মকাৰৰ ঘৰত নগা আৰক্ষীয়ে হাৰাশাস্তি কৰাৰ অভিযোগ উত্থাপন হোৱাৰ পাছতে স্থানীয় ৰাইজৰ মাজত উদ্বেগ বৃদ্ধি পাইছে। স্থানীয় ৰাইজে জানিবলৈ দিয়া মতে, চীড ফাৰ্মত থকা এটা গীৰ্জাঘৰ ভাঙি পেলোৱাৰ অভিযোগত নাগালেণ্ড প্ৰশাসনে ১৪ গৰাকী অসমীয়া লোকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে। উক্ত গোচৰৰ তদন্তৰ নামত নগা আৰক্ষীয়ে বিভিন্ন সময়ত চীড ফাৰ্মত বসবাস কৰা অসমীয়া লোকসকলৰ ঘৰত উপস্থিত হৈ হাৰাশাস্তি কৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় বাসিন্দাসকলে। বিশেষকৈ নিশাৰ ভাগত আৰক্ষীৰ এনে তৎপৰতাক লৈ সীমান্তৱৰ্তী অঞ্চলটোৰ বাসিন্দাসকলৰ মাজত আতংকৰ সৃষ্টি হোৱা বুলি জানিব পৰা গৈছে। ঘটনাটোৱে সীমান্ত অঞ্চলত বসবাস কৰা অসমীয়া লোকসকলৰ নিৰাপত্তাক লৈও নতুনকৈ প্ৰশ্নৰ অৱতাৰণা কৰিছে। উল্লেখ্য যে, মেৰাপানীৰ চীড ফাৰ্ম অঞ্চলক কেন্দ্ৰ কৰি পূৰ্বেও অসম-নাগালেণ্ড সীমান্তবাসীৰ মাজত বিভিন্ন সময়ত উত্তেজনামূলক

## সীমান্তবাসীৰ নিৰাপত্তাক লৈ উদ্বেগ

পৰিস্থিতিৰ সৃষ্টি হৈ আহিছে বুলি স্থানীয় ৰাইজে অভিযোগ কৰি আহিছে। নগালেণ্ডৰ ফালৰ পৰা আহি মাটিৰ লেচী বিচৰা, সীমান্তৱৰ্তী অঞ্চলৰ পৰা জীৱ-জন্তু লৈ যোৱা আদি অভিযোগো স্থানীয় ৰাইজে উত্থাপন কৰি আহিছে। ইয়াৰ উপৰি, কিছু মাহ পূৰ্বে দুগৰাকী নাবালিকাক ধৰি নি নিৰ্যাতন চলোৱাৰ অভিযোগক লৈও অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল বুলি স্থানীয় সূত্ৰই জানিবলৈ দিয়ে। আনহাতে, যোৱা জুন মাহত অসম-নাগালেণ্ড সীমান্তৰ নেঘেৰিবিলত অসম চৰকাৰে অবৈধ বেদখল উচ্ছেদ কৰা স্থানটোও নগালেণ্ডৰ বুলি দাবী কৰাৰ চেষ্টা চলোৱাৰ অভিযোগ উত্থাপন হৈছে। এনে পৰিস্থিতিত সীমান্তৱৰ্তী অঞ্চলত বসবাস কৰা অসমীয়া লোকসকলৰ নিৰাপত্তা নিশ্চিত কৰাৰ বাবে অসম চৰকাৰ তথা প্ৰশাসনে কি পদক্ষেপ গ্ৰহণ কৰে, সেয়া লক্ষণীয় হৈ পৰিছে। সমগ্ৰ ঘটনাক লৈ অসম আৰু নাগালেণ্ড দুয়োখন ৰাজ্যৰ প্ৰশাসনৰ পৰৱৰ্তী পদক্ষেপলৈ অপেক্ষা কৰিছে সীমান্তবাসী ৰাইজে। ইচ্ছা কৰিলে মই এইটোক আৰু অধিক কাকতীয়া ভাষা, শক্তিশালী শিৰোনামা-উপশিৰোনামা আৰু প্ৰথম পৃষ্ঠাৰ সংবাদৰ ধাঁচত পুনৰ সম্পাদনা কৰি দিব পাৰোঁ।

# শিলবাৰীত সংঘটিত চাঞ্চল্যকৰ বোৱাৰী হত্যা

**অসম বাৰ্তা, পৰ্বতঝোৰা, ২৪ ছেপ্টেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ অন্তৰ্গত জালাবিলা ভিছিডিছিৰ অন্তৰ্গত শিলবাৰী পাহাৰেৰে গাঁৱত সংঘটিত হৈছে এক জঘন্য হত্যাকাণ্ডৰ ঘটনা। সংঘটিত এক হত্যাকাণ্ডৰ অভিযুক্ত হত্যাকাৰী আৰু হত্যাকাৰীৰ পৰিয়ালৰ সদস্যক আটক কৰাৰ দাবী দ'ল সংগঠনৰ। দৰাচলতে শিলবাৰী গাঁৱৰ বিলাত আলীৰ ছোৱালী বিজলী খাতুন পাছ বছৰ আগত পাহাৰেৰ গাঁৱৰ কবিৰ আলীৰ পুত্ৰ সহিবৰ ইছলামৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল। বিবাহৰ এক মাহ পাছৰ পৰাই শাৰীৰিক আৰু মানসিক নিৰ্যাতন চলাইছিল। সহিবৰ ইছলামে ৰাতি হোৱাৰ লগে মদ ভাং ড্ৰাগছ সেৱন কৰি প্ৰায় মাৰধূৰ কৰিছিল বুলি অভিযোগ স্বামীগৃহৰ বিৰুদ্ধে। ৰবিবাৰৰ দিনা আবেলি সহিবৰ ইছলামে নিজ পত্নীক নিৰ্যাতন চলাই হত্যা কৰি আত্মহত্যাৰ ৰূপ দিয়াৰ চেষ্টা কৰে। ধুবুৰী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে যদিও চিকিৎসকে মৃত ঘোষণা কৰাৰ লগে-লগে মৃতদেহ পেলাই থৈ সহিবৰ ইছলামে পলায়ন কৰে। ইতিমধ্যে বগৰিবাৰী থানাত বিজলী খাতুনৰ পৰিয়ালে এজাহাৰ দাখিল কৰি মৃত্যুদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পিছত নিজ বাসগৃহত অন্তিম সংস্কাৰ সম্পন্ন কৰা হয়।

# মাণ্ডলিক কাৰ্বি যুৱ মহোৎসৱৰ বাবে লেখা আহ্বান

**অসম বাৰ্তা, বিহালী, ২৪ ছেপ্টেম্বৰ ঃ** আগন্তুক অক্টোবৰ মাহৰ ১৮, ১৯ আৰু ২০ তাৰিখে বিশ্বনাথ জিলাৰ বিহালী বিধানসভা সমষ্টিৰ অন্তৰ্গত বিহমাৰী ইংতি চুবুৰীৰ স্বৰ্গীয় বাপুৰাম ইংতি চিনঠং ক্ষেত্ৰত বিশ্বনাথ জিলা কাৰ্বি সাংস্কৃতিক সমাজৰ উদ্যোগত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৩৪ তম মাণ্ডলিক কাৰ্বি যুৱ মহোৎসৱ আয়োজন কৰাৰ প্ৰস্তুতি চলিছে। এই ঐতিহাসিক ক্ষণটোক চিৰস্মৰণীয় কৰি ৰখাৰ উদ্দেশ্যে উদ্যোক্তাসকলে মাণ্ডলিক কাৰ্বি যুৱ মহোৎসৱৰ লগত সংগতি ৰাখি এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ উদ্যোগ গ্ৰহণ কৰা হৈছে। স্মৃতিগ্ৰন্থখন সমৃদ্ধ আৰু তথ্য বহুল কৰি তুলিবলৈ অসমৰ ভিন্ন প্ৰান্তৰ গ্ৰন্থ প্ৰেমী ৰাইজ তথা শুভাকাংক্ষীৰ পৰা ব্যক্তিগত অনুভৱ, ঐতিহাসিক তথ্য, স্মৃতিচাৰণ মূলক লেখা, প্ৰবন্ধ, কবিতা আদি তেওঁলোকৰ মূল্যৱান লেখা আৰু সহযোগিতা আগবঢ়াবলৈ আহ্বান জনোৱা হৈছে। স্মৃতিগ্ৰন্থ খনৰ বাবে লেখা ডিটিপি কৰি ই-মেইল: timungharen1967@gmail.com, অথবা ৭৮৯৬৬১৬৫৩০ এই নম্বৰত হোৱাটচ এপ যোগে পঠাব পাৰিব। স্মৃতিগ্ৰন্থ সমিতিৰ সম্পাদক নিহাং বে'য়ে মাণ্ডলিক কাৰ্বি যুৱ মহোৎসৱৰ অনুষ্ঠানটোক সৰ্বাংগসুন্দৰ আৰু চিৰস্মৰণীয় কৰি তুলিবলৈ সকলোৰে আন্তৰিক সহায় সহযোগিতা আৰু সক্ৰিয় অংশগ্ৰহণৰ কামনা কৰিছে।

# সশস্ত্ৰ সীমা বলৰ ভাৰত-ভূটান সীমান্ত অঞ্চলত গ্ৰামস্তৰীয় সজাগতা সভাৰ আয়োজন

**অসম বাৰ্তা, মঙলদৈ, ২৪ ছেপ্টেম্বৰ ঃ** ২৪ নং বাহিনী, সশস্ত্ৰ সীমা বল, ৰঙিয়াৰ কমাণ্ডেণ্ট এইচ. কে. গুপ্তাৰ নিৰ্দেশনা আৰু মাৰ্গদৰ্শনত ৩নং কালিপুৰত এখন গ্ৰাম্য স্তৰীয় সজাগতা সভা আয়োজন কৰা হয়। সভাত ২৪ নং বাহিনীৰ উপ-কমাণ্ডেণ্ট ভেংকট ৰমণ মিশ্ৰ, পৰিদৰ্শক (জি.ডি.) প্ৰদীপ কুমাৰ, নং-০৩ আৰু নং-০৪ কালিপুৰ তথা খৈৰাবাৰী গাঁৱৰ গাঁওবুঢ়া চক্ৰধৰ শইকীয়া, যোগেশপুৰ আৰু গোপীনাথপুৰ গাঁৱৰ গাঁওবুঢ়া ঠাকুৰ দাস, পানবাৰী, বাটাবাৰী আৰু ছিংগ্ৰাবাৰী গাঁৱৰ গাঁওবুঢ়া হিমাংশু বড়ো, অন্যান্য গণ্যমান্য ব্যক্তি তথা ওচৰ-পাজৰৰ গাঁৱৰ মহিলা আৰু পুৰুষসকলে উৎসাহপূৰ্ণভাৱে অংশগ্ৰহণ কৰে। এই উপলক্ষে গাঁওবাসীসকলক সম্বোধন কৰি এইচ. কে. গুপ্তা, কমাণ্ডেণ্টে অন্ধবিশ্বাস, কুসংস্কাৰ আৰু বিভ্ৰান্তিকৰ কথাৰ পৰা আঁতৰি থাকিবলৈ আৰু শিশু তথা যুৱক-যুৱতীসকলক শিক্ষাৰ প্ৰতি সজাগ আৰু অনুপ্ৰাণিত কৰিবলৈ আহ্বান জনায়। লগতে গাঁওবাসীসকলক নিয়োগৰ সুযোগ আৰু বিভিন্ন চৰকাৰী আঁচনিৰ বিষয়ে তথ্য প্ৰদান কৰি এই আঁচনিসমূহৰ সুবিধা গ্ৰহণ কৰিবলৈ উৎসাহিত কৰা হয়। গাঁওবাসীসকলক খাদ্যত মিলেটছৰ ব্যৱহাৰ আৰু ইয়াৰ স্বাস্থ্যকৰ উপকাৰিতাৰ বিষয়েও অৱগত কৰা হয়। কমাণ্ডেণ্টে গাঁওবাসীসকলক



বিভিন্ন ধৰণৰ নিচাযুক্ত সামগ্ৰী আৰু ড্ৰাগছৰ সেৱন তথা সৰবৰাহৰ পৰা আঁতৰি থাকিবলৈ আৰু মাদক দ্ৰব্যৰ সৰবৰাহত জড়িত ব্যক্তিৰ বিষয়ে কোনো তথ্য লাভ কৰিলে তৎক্ষণাৎ সশস্ত্ৰ সীমা বলক অৱগত কৰিবলৈ আহ্বান জনায়। এই সন্দৰ্ভত উপস্থিত গাঁওবাসী সকলে সশস্ত্ৰ সীমা বলে গ্ৰহণ কৰি থকা কাৰ্যকলাপৰ প্ৰশংসা কৰে আৰু অঞ্চলটোত সশস্ত্ৰ সীমা বলৰ উপস্থিতিৰ বাবে নিজকে সুৰক্ষিত অনুভৱ কৰাৰ কথা প্ৰকাশ কৰে। গাঁওবাসী সকলে মাদক দ্ৰব্যৰ সৰবৰাহৰ সৈতে জড়িত কোনো তথ্য লাভ কৰিলে তৎক্ষণাৎ সশস্ত্ৰ সীমা বলক অৱগত কৰাৰ আশ্বাস প্ৰদান কৰে। কমাণ্ডেণ্টে পৰিৱেশ সংৰক্ষণ আৰু বন্যপ্ৰাণী সংৰক্ষণৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি গাঁওবাসী সকলক অন্ধবিশ্বাস অথবা অজ্ঞতাৰ ফলত কোনো ধৰণৰ বন্যপ্ৰাণীৰ অৱশেষ নিজৰ ওচৰত বা ঘৰত নৰখিবলৈ পৰামৰ্শ দিয়ে। শিশু আৰু যুৱক-যুৱতীসকলক ক্ৰীড়াৰ প্ৰতি উৎসাহিত কৰাৰ উদ্দেশ্যে কমাণ্ডেণ্টে স্থানীয় যুৱ খেলুৱৈসকলক ভলীবল আৰু নেট প্ৰদান কৰে। ইয়াৰ উপৰিও স্বাধীনতা দিৱস-২০২৬ উপলক্ষে সশস্ত্ৰ সীমা বলে আয়োজন কৰা চিত্ৰাংকন প্ৰতিযোগিতাৰ বিজয়ীসকলক প্ৰমাণ-পত্ৰ প্ৰদান কৰি তেওঁলোকক উৎসাহিত কৰা হয়। এই সময়ছোৱাত কমাণ্ডেণ্টে সীমান্তৱৰ্তী অঞ্চলৰ যুৱক-যুৱতী, মহিলা আৰু পুৰুষসকলৰ বাবে সশস্ত্ৰ সীমা বলে পৰিচালনা কৰি থকা বিভিন্ন নাগৰিক কল্যাণমূলক কাৰ্যসূচীৰ বিষয়েও গাঁওবাসী সকলক অৱগত কৰে। গাঁওবাসী সকলে সীমান্তৱৰ্তী অঞ্চল সমূহত সশস্ত্ৰ সীমা বলে গ্ৰহণ কৰি থকা নাগৰিক কল্যাণমূলক আৰু জনসজাগতা মূলক কাৰ্যসূচীৰ প্ৰশংসা কৰি কৃতজ্ঞতা জ্ঞাপন কৰে।

# ডিব্ৰুগড়ৰ কানৈ বাণিজ্য মহাবিদ্যালয়ত সপ্তাহজোৰা ছাত্ৰ উন্নয়ন কাৰ্যসূচীৰ শুভাৰম্ভ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° জিতেন হাজৰিকা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৪ ছেপ্টেম্বৰ ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য শিক্ষাৰ ক্ষেত্ৰত প্ৰথমখন পূৰ্ণাঙ্গ উচ্চ শিক্ষানুষ্ঠান ডিব্ৰুগড়ৰ কানৈ বাণিজ্য মহাবিদ্যালয়ত প্ৰথমবাৰৰ বাবে সপ্তাহজোৰা 'ছাত্ৰ উন্নয়ন কাৰ্যসূচী-০১'ৰ শুভাৰম্ভণি অনুষ্ঠান আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চয়তা কোষ আৰু আই চি জি চিৰ যুটীয়া উদ্যোগত তথা প্ৰাক্তন শিক্ষাৰ্থী পৰিষদৰ সহযোগত মহাবিদ্যালয়খনৰ ভাৰ্চুৱেল সভাকক্ষত এই অনুষ্ঠান অনুষ্ঠিত হয়। 'উদীয়মান প্ৰৱণতা, দক্ষতা আৰু বাণিজ্য শিক্ষাৰ্থীৰ সুযোগ'-শীৰ্ষক মূল বিষয়বস্তুৰে আয়োজিত এই সপ্তাহজোৰা কাৰ্যসূচীৰ জৰিয়তে বাণিজ্য শিক্ষাৰ্থীসকলক বৰ্তমানৰ অৰ্থনৈতিক পৰিৱেশ, ব্যৱসায়-বাণিজ্যৰ নতুন প্ৰৱণতা, দক্ষতা বিকাশ, উদ্যোগিতা আৰু কৰ্মসংস্থাপনৰ সম্ভাৱনাৰ বিষয়ে সম্যক ধাৰণা প্ৰদানৰ প্ৰয়াস কৰা হৈছে। অনুষ্ঠানৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ ভাৰ্চুৱেল সভাকক্ষত আনুষ্ঠানিকভাৱে মুকলি কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক উপাচাৰ্য ড° জিতেন হাজৰিকাই। আভ্যন্তৰীণ মান নিশ্চয়তা কোষৰ সমন্বয়ক লুকু মৰাঙে আঁত ধৰা অনুষ্ঠানত আদৰণী ভাষণ আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেৱ গগৈয়ে। অধ্যক্ষ গৰাকীয়ে ছাত্ৰ উন্নয়ন কাৰ্যসূচীৰ উদ্দেশ্য আৰু ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকল কেনেদৰে উপকৃত হ'ব, সেই সন্দৰ্ভত বিস্তৃতভ ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানৰ উদ্বোধক হিচাপে উপস্থিত থকা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই ভাষণ প্ৰসংগত কয় যে তেওঁ এতিয়ালৈকে বহু 'ফেকাল্টী ডেভেলপমেণ্ট প্ৰগ্ৰাম'ৰ কথা শুনিছে যদিও 'ছাত্ৰ উন্নয়ন কাৰ্যসূচী'ৰ ধাৰণাটো প্ৰথমবাৰৰ বাবে শুনি তেওঁ বিশেষভাৱে আপ্লুত হৈছে। এনে এক ব্যতিক্ৰমী আৰু সময়োপযোগী পদক্ষেপ গ্ৰহণ কৰাৰ বাবে তেওঁ মহাবিদ্যালয়ৰ অধ্যক্ষৰ শলাগ লয়। ড° হাজৰিকাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কাৰ্যসূচীটোৰ মূল বিষয়বস্তুৰ সৈতে সংগতি ৰাখি বিভিন্ন গুৰুত্বপূৰ্ণ আৰু মূল্যৱান বক্তব্য আগবঢ়ায়। কৃত্ৰিম বুদ্ধিমত্তা বা এ আইৰ প্ৰসংগত তেওঁ কয় যে বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰী সকলে কৃত্ৰিম বুদ্ধিমত্তাৰ বিভিন্ন দিশ ব্যৱহাৰ কৰিলেও মানৱ মগজুৰ বিকাশ আৰু সৃষ্টিশীল চিন্তাৰ বিকল্প এই আই হ'ব নোৱাৰে। সেয়েহে কৃত্ৰিম বুদ্ধিমত্তাৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল নহৈ ইয়াক এক সহায়ক সঁজুলি হিচাপেহে ব্যৱহাৰ কৰা উচিত বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° ৰঘুনাথ বৰবৰা আৰু মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ পৰিষদৰ সভাপতি ৰাজীৱ বৰ্মনেও ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। ইয়াৰ পাছতে ছাত্ৰ উন্নয়ন কাৰ্যসূচীৰ প্ৰথম দিনাৰ সমল ব্যক্তি হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° দেৱ কুমাৰ চক্ৰৱৰ্তীয়ে গুৰুত্বপূৰ্ণ বক্তৃতা আগবঢ়ায়। তেওঁ 'কে-শ্বেপড ইকনমী', 'গ্ৰছ ভেল্যু এডিছন', ভাৰতৰ সাম্প্ৰতিক অৰ্থনৈতিক পৰিস্থিতি, জিডিপি, অৰ্থনৈতিক বিকাশ, ভৱিষ্যতৰ সম্ভাৱনা আৰু প্ৰত্যাহ্বান আদি বিভিন্ন বিষয়ৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰে। তেওঁৰ বক্তব্যই অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলক বৰ্তমানৰ অৰ্থনীতি আৰু ব্যৱসায়িক ক্ষেত্ৰখনৰ বিষয়ে নতুন দৃষ্টিভংগী লাভ কৰাত সহায় কৰে। উদ্যোক্তাসকলে জানিবলৈ দিয়া মতে, কাৰ্যসূচীৰ পৰৱৰ্তী পাঁচটা দিনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° পংকজ চাহু, বিশিষ্ট উদ্যোগী গৌতম বৰদলৈ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° হিমাদ্ৰি বৰ্মন, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ মুৰব্বী অধ্যাপক ড° বিপাশা চেতিয়া আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰশিক্ষণ তথা নিয়োগ বিষয়া মনোজ তামোলীয়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। উদ্বোধনী অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ শৈলেন গগৈ, আই চি জি চিৰ সমন্বয়ক ড° মিণ্টু কুমাৰ দাসৰ লগতে মহাবিদ্যালয়খনৰ ভালেসংখ্যক শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখযোগ্য যে ছাত্ৰ উন্নয়ন কাৰ্যসূচীটোত সীমিত মুঠ ৪৫খন আসনৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে পঞ্জীয়ন কৰে। বৰ্তমানৰ প্ৰতিযোগিতা মূলক সময়ত শিক্ষাৰ্থীসকলৰ শৈক্ষিক জ্ঞানৰ সমান্তৰালভাৱে ব্যৱহাৰিক দক্ষতা, সৃষ্টিশীল চিন্তা, উদ্যোগী মানসিকতা আৰু কৰ্মসংস্থাপনৰ বাবে প্ৰয়োজনীয় সামৰ্থ্য বিকাশৰ লক্ষ্যৰে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ভৱিষ্যতেও ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীণ বিকাশ আৰু কল্যাণৰ বাবে এনে ধৰণৰ বিভিন্ন সময়োপযোগী কাৰ্যসূচী মহাবিদ্যালয়ৰ তৰফৰ পৰা গ্ৰহণ কৰা হ'ব বুলি অধ্যক্ষ ড° জয়দেৱ গগৈয়ে জানিবলৈ দিয়ে। মহাবিদ্যালয়খনৰ এনে পদক্ষেপে শিক্ষাৰ্থীসকলক পৰম্পৰাগত শৈক্ষিক জ্ঞানৰ উপৰি বাস্তৱ জগতৰ প্ৰয়োজনীয় দক্ষতা আহৰণৰ ক্ষেত্ৰত সহায় কৰিব বুলি আশা কৰা হৈছে।

## অগপ সভাপতি তথা মন্ত্ৰী অতুল বৰাৰ শুভেচ্ছা

# গোলাঘাটৰ অগ্ৰণী নাৰী শিক্ষাৰ প্ৰতিষ্ঠান হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচনত অসম ছাত্ৰ পৰিষদৰ সাফল্য

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৪ ছেপ্টেম্বৰ ঃ** গোলাঘাট নাৰী উচ্চ শিক্ষাৰ একমাত্ৰ প্ৰতিষ্ঠান, ঐতিহ্যমণ্ডিত হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচনত অসম ছাত্ৰ পৰিষদে ঐতিহাসিক বিজয় লাভ কৰে। আজি অনুষ্ঠিত হৈ যোৱা মহাবিদ্যালয়খনৰ ছাত্ৰী একতা সভাৰ বাৰ্ষিক নিৰ্বাচনত অসম ছাত্ৰ পৰিষদ (ACP) সমৰ্থিত প্ৰাৰ্থী পেনেলে এক ঐতিহাসিক বিজয় সাব্যস্ত কৰে। সভাপতি আৰু সহকাৰী সাধাৰণ সম্পাদককে ধৰি ছাত্ৰী একতা সভাৰ আটাইকেইটা গুৰুত্বপূৰ্ণ পদতে অসম ছাত্ৰ পৰিষদৰ সমৰ্থিত প্ৰাৰ্থীসকলে বিপুল ভোটত জয়লাভ কৰি মহাবিদ্যালয়খনত এক নতুন ৰাজনৈতিক অধ্যায়ৰ সূচনা কৰে। নিৰ্বাচনৰ ফলাফল অনুসৰি বিজয়ী প্ৰাৰ্থীসকল ক্ৰমে সভাপতি চয়নিকা দাস, সহকাৰী সাধাৰণ সম্পাদক বৰষা বৰগোহাঁই, ইংৰাজী আলোচনী সম্পাদক আৰ্চিকা বৰা, সমাজ সেৱা সম্পাদক বৰ্ণালী শইকীয়া, তৰ্ক সম্পাদক চয়নিকা বৰা, অসম ছাত্ৰ পৰিষদ সমৰ্থিত পেনেলৰ এই অভূতপূৰ্ব বিজয়ৰ পিছতে অসম গণ পৰিষদৰ কেন্দ্ৰীয় সভাপতি তথা মন্ত্ৰী অতুল বৰা, অসম ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সভাপতি ত্ৰিনয়ন বৰা আৰু অগপ গোলাঘাট জিলা সমিতিৰ সভাপতি ড° নৃপেন বৰুৱা, সাধাৰণ সম্পাদক আছিকুৰ ৰহমান, অসম যুৱ পৰিষদৰ সাধাৰণ সম্পাদক বিশ্বজিৎ গগৈ, অসম ছাত্ৰ পৰিষদৰ গোলাঘাট জিলা সমিতিৰ সভাপতি আৰ্চ্চি জ্যোতি পৰাশৰ আৰু সমৰ্থনকাৰী নেতৃত্বই সমগ্ৰ বিজয়ী দলটোক আন্তৰিক ওলগ জ্ঞাপন কৰে। ইয়াৰ লগতে অসম ছাত্ৰ পৰিষদৰ গোলাঘাট জিলা সমিতিৰ সম্পাদক এহচান ৰাছবীৰ, ৰাছিম চৌধুৰী আদিয়ে নবীন ছাত্ৰ প্ৰতিনিধিসকলক আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। নেতৃবৃন্দই আশা প্ৰকাশ কৰে যে এই বিজয়ী পেনেলে শিক্ষাৰ্থী সমাজৰ সৰ্বাংগীণ উন্নতি আৰু মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ অধিক উন্নত কৰাৰ দিশত নিষ্ঠাৰে কাম কৰি যাব। উল্লেখ্য যে ইয়াৰ পূৰ্বেও ঐতিহ্যমণ্ডিত দেৱৰাজ ৰয় মহাবিদ্যালয় (স্বা)ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনতো বৃহয় সাফল্য অৰ্জন কৰিছিল অসম ছাত্ৰ পৰিষদে।

## মুকলি সভাৰ নিৰ্দিষ্ট বক্তা পলাশ চাংমাই, নিতুমনি শইকীয়া, সাংস্কৃতিক সন্ধ্যাত তৰালি শৰ্মাৰ গীতৰ শৰাই

# ফিল'বাৰীত 'বিদ্যালয় সমাৰোহ, ২০২৬'ৰ প্ৰস্তুতি

### ৯, ১০, ১১ অক্টোবৰত এজেৱাইচিপিৰ ফিল'বাৰী আঞ্চলিকৰ বৃহৎ কাৰ্যসূচী

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ২৪ ছেপ্টেম্বৰ ঃ** অসমত পূৰ্ণ-স্বায়ত্ত শাসন আৰু দ্বি-নাগৰিকত্ব ব্যৱস্থা প্ৰৱৰ্তন কৰা, অসমত আন্তঃৰাজ্যিক পাৰপত্ৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা, অসমৰ বানপানীৰ সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰা, চাহৰ মুখ্য কাৰ্যালয় অসমত স্থাপন কৰা, খনিজ সম্পদৰ ওপৰত ৰয়েল্টী বৃদ্ধি কৰা আদি দাবীত অটল থকা সংগঠনটোৱেই হৈছে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ। ১৯৭৮ চনৰ ১২ মাৰ্চ তাৰিখে জন্মগ্ৰহণ কৰা অসমৰ অন্যতম সৰ্বজনীন জাতীয় সংগঠন, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত ঐক্য, সম্প্ৰীতি আৰু সংহতি সুদৃঢ় কৰি সমগ্ৰ অসমৰ সৰ্বাংগীণ উন্নয়নৰ হকেআপোচবিহীনভাৱে সংগ্ৰামৰ ধাৰা অব্যাহত ৰাখিছে। এই সংগ্ৰামৰ সমান্তৰালভাৱে এই বৃহৎ ভূ-খণ্ডৰ শিক্ষাৰ্থী সকলক বিদ্যায়তনিক, সহঃবৌদ্ধিক আৰু শাৰীৰিক দিশত আগুৱাই নিয়াটোও অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ অন্যতম উদ্দেশ্য। সংগঠনটোৱে বিশ্বাস কৰে যে, শিক্ষাইহে সমাজৰ মূল ভেটি আৰু শিক্ষিত সমাজেহে জাতিক সঠিক পথেৰে পৰিচালিত কৰিব পাৰে। সেই উদ্দেশ্যেৰে তিনিচুকীয়া জিলাৰ ফিল'বাৰীত পি এম শ্ৰী ফিল'বাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত পৰিষদৰ ফিল'বাৰী আঞ্চলিক সমিতিৰ উদ্যোগত আৰু ফিল'বাৰীৰ সমূহ ৰাইজৰ সহযোগত অহা ৯, ১০ আৰু ১১ অক্টোবৰ, ২০২৬ তাৰিখে বৃহত্তৰ ফিল'বাৰী অঞ্চলৰ বিদ্যালয়সমূহক সামৰি ৩ দিনীয়া কাৰ্যসূচীৰে 'বিদ্যালয় সমাৰোহ, ২০২৬' আয়োজন কৰিছে। এই সমাৰোহৰ জৰিয়তে পৰিষদে অঞ্চলটোৰ শিক্ষাৰ মান উন্নীতকৰণ, ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশ আৰু বিদ্যালয়সমূহৰ মাজত সাংস্কৃতিক আৰু বৌদ্ধিক জ্ঞানৰ আদান-প্ৰদানৰ এক সুবৰ্ণ সুযোগ সৃষ্টি কৰিবলৈ প্ৰচেষ্টা চলাব। এই তিনিদিনীয়া কাৰ্যসূচীত বিভিন্ন প্ৰতিযোগিতা, আলোচনা চক্ৰ, সাংস্কৃতিক অনুষ্ঠান আৰু বিদ্যালয়সমূহৰ বাবে বিশেষ কৰ্মশালাৰ আয়োজন কৰা হৈছে। তদুপৰি, এই কাৰ্য্যসূচীৰ দ্বিতীয় দিনা অৰ্থাৎ ১০ অক্টোবৰ ২০২৬ তাৰিখে সন্ধিয়া অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ফিল'বাৰী আঞ্চলিক সমিতিৰ সপ্তদশ দ্বি-বাৰ্ষিক প্ৰতিনিধি সভাখনিও সমিতিৰ স্থায়ী কাৰ্যালয়ত অনুষ্ঠিত কৰিব। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ফিল'বাৰী আঞ্চলিক সমিতিৰ সভাপতি সমৰজ্যোতি শইকীয়া, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক জ্যোতিৰ্ময় শইকীয়া, বিদ্যালয় সমাৰোহ, ২০২৬ৰ আদৰণি সমিতিৰ সভাপতি বংশীধৰ দেউৰী, কাৰ্যকৰী সভাপতি নয়নজ্যোতি বৰশইকীয়া আৰু মুখ্য সম্পাদক সদানন্দ দাসে সমূহ কাৰ্যসূচীতে ছাত্ৰ-শিক্ষক তথা সকলো শ্ৰেণীৰ ৰাইজৰে উপস্থিতি কামনা কৰিছে। কাৰ্যসূচী অনুসৰি ৯ অক্টোবৰৰ পুৱা ৯-০০ বজাত পৰিষদৰ ফিল'বাৰী আঞ্চলিক সমিতিৰ সভাপতিসমৰজ্যোতি শইকীয়াই পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। তাৰ পাছতেই ক্ৰমে পৰিষদৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক জ্যোতিৰ্ময় শইকীয়াই স্মৃতি তৰ্পণ, কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক সুৰজিৎ মৰাণে প্ৰাচীৰ পত্ৰিকা আৰু প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন, মায়াবিনী গীতেৰে প্ৰয়াত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি, তিনিচুকীয়া জিলা ক্ৰীড়া বিষয়া কৌশিক ৰাজখুৱাই প্ৰতিযোগিতাৰ শুভাৰম্ভ, তিনিচুকীয়া জিলা সাংস্কৃতিক উন্নয়ন বিষয়া অংশুমান দত্তই সাহিত্য আৰু সাংস্কৃতিক প্ৰতিযোগিতাৰ শুভাৰম্ভ আৰু অসম নাট্য সন্মিলনৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি বিপুল ফুকনে একাংকিকা নাটক প্ৰতিযোগিতা উদ্বোধন কৰিব। প্ৰতিযোগিতাসমূহৰ ভিতৰত ১০০ মিটাৰ, ২০০ মিটাৰ আৰু ৮০০ মিটাৰ দৌৰ, লং জাম্প, তৰ্ক, ভূপেন্দ্ৰ সংগীত ('ক' শাখা) আৰু দলীয় নৃত্য ('ক' শাখা) অন্যতম। পিছদিনা, অৰ্থাৎ ১০ অক্টোবৰ তাৰিখে পুৱা পৰিৱেশ নিকাকৰণ, প্ৰতিযোগিতামূলক সাংস্কৃতিক শোভাযাত্ৰা, শৈক্ষিক বিষয়ক আলোচনা চক্ৰ, জুবিন সঙ্গীত প্ৰতিযোগিতা, সন্ধিয়ালৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান আৰু পৰিষদৰ ফিল'বাৰী আঞ্চলিকৰ দ্বি-বাৰ্ষিক প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব ডুমডুমা সমজিলা আৰক্ষী অধীক্ষক দিগন্ত দত্তই। শৈক্ষিক বিষয়ক আলোচনাচক্ৰখনি সঞ্চালনা কৰিব সাংবাদিক সংগঠন 'আপকু'ৰ তিনিচুকীয়া জিলা সমিতি তথা 'মৰাণ সাহিত্য সভা'ৰ কেন্দ্ৰীয় সভাপতি ৰবীন মৰাণে। মুখ্য আলোচকৰূপে অংশগ্ৰহণ কৰিব তিনিচুকীয়া জিলা চক্ৰৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়া বিন্তী শৰ্মা আৰু পাৰ্থ চাৰ খ্যাত কৃতী শিক্ষক পাৰ্থজ্যোতি বৰুৱাই। অনুষ্ঠানত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব ডিব্ৰুগড় শাখা সাহিত্য সভাৰ সভাপতি তথা কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট লেখক-চিন্তাবিদ ড° শশীকান্ত শইকীয়াই। অনুষ্ঠানত পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি আৰু সাধাৰণ সম্পাদক ক্ৰমে প্ৰবীণ তামোলি আৰু কল্যাণজ্যোতি মৰাণ আৰু ফিল'বাৰী অঞ্চলৰ জাতীয়-জনগোষ্ঠীয় দল সংগঠনৰ বিষয়ববীয়াসকল বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত সাংস্কৃতিক অনুষ্ঠানটি উদ্বোধন কৰিব পৰিষদৰ কেন্দ্ৰীয় 'আমন্ত্ৰিত উপদেষ্টা' কণ গগৈয়ে। শেষৰদিনাৰ কাৰ্যসূচী আৰম্ভ হ'ব 'মাৰাথান দৌৰ' প্ৰতিযোগিতাৰে। এই প্ৰতিযোগিতা বৰডুবি চাহ বাগিচাৰ কলঘৰ তিনি আলিৰ পৰা সভাস্থলি পি এম শ্ৰী ফিল'বাৰী উচ্চ মাধ্যমিক বিদ্যালয়লৈ। প্ৰতিযোগিতাটি উদ্বোধন কৰিব বিশিষ্ট ব্যৱসায়ী অৰূপ ডেকাই। ইয়াৰ পাছতে অনুষ্ঠিত হ'ব দলীয় নৃত্যৰ 'খ' শাখাৰ প্ৰতিযোগিতা। জনগোষ্ঠীয় নৃত্য প্ৰদৰ্শন উদ্বোধন কৰিব সদৌ মৰাণ ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক জয়কান্ত মৰাণে। ইয়াৰ পাছতেই অভ্যৰ্থনা সমিতিৰ সভাপতি বংশীধৰ দেউৰীৰ সভাপতিত্বত অনুষ্ঠিত হ'ব মুকলি সভা। সমিতিৰ মুখ্য সম্পাদক সদানন্দ দাসে আদৰণি ভাষণ আগবঢ়াবলগীয়া সভাত পৰিষদৰ কেন্দ্ৰীয় সভাপতি পলাশ চাংমাই আৰু প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমনি শইকীয়াই নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়াব। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব পৰিষদৰ কেন্দ্ৰীয় উপদেষ্টা কণ গগৈ, উপসভাপতি মায়াৰাণী লাহন গগৈ, সহকাৰী সাধাৰণ সম্পাদক সুৰজিৎ মৰাণ, কাৰ্যনিৰ্বাহক সদস্য সোণমণি চলিহা আৰু জাতীয় জনগোষ্ঠীয় দল-সংগঠনৰ কেন্দ্ৰীয় নেতৃবৰ্গ। সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ জনপ্ৰিয় কণ্ঠশিল্পী তৰালি শৰ্মাৰ গীতৰ শৰাই। অনুষ্ঠানটি উদ্বোধন কৰিব বিশিষ্ট ব্যৱসায়ী লালন কুমাৰ মৰাণে।

# ৩৬টা দাবীলৈ অইল ইণ্ডিয়াৰ সৈতে দ্বিপাক্ষিক আলোচনাৰ আহ্বান আছুৰ

**অসম বাৰ্তা, মাকুম, ২৪ ছেপ্টেম্বৰ ঃ** মাকুম অঞ্চলৰ বিভিন্ন জ্বলন্ত সমস্যাক লৈ এইবাৰ অইল ইণ্ডিয়া লিমিটেডৰ বিৰুদ্ধে সৰৱ হৈ উঠিছে মাকুম আঞ্চলিক ছাত্ৰ সন্থা। পথ-ঘাটৰ উন্নয়ন, গৃহ নিৰ্মাণ, ক্ৰীড়াৰ বাবে ষ্টেডিয়াম নিৰ্মাণকে ধৰি মুঠ ৩৬টা গুৰুত্বপূৰ্ণ দাবী পূৰণৰ দাবীত সংগঠনটোৱে বিগত বৰ্ষৰ যোৱা ফেব্ৰুৱাৰী মাহতে অইল ইণ্ডিয়া লিমিটেড কৰ্তৃপক্ষৰ ওচৰত দাবী উত্থাপন কৰিছিল। সংগঠনটোৰ অভিযোগ অনুসৰি, দাবীসমূহ উত্থাপনৰ পাছটো অইল ইণ্ডিয়া লিমিটেড কৰ্তৃপক্ষই বিষয়টোত প্ৰয়োজনীয় গুৰুত্ব প্ৰদান কৰা নাই। ইয়াৰ পৰিপ্ৰেক্ষিতত এই বাৰ সংগঠনটোৱে কঠোৰ স্থিতি গ্ৰহণ কৰি অইল ইণ্ডিয়া কৰ্তৃপক্ষক দ্বিপাক্ষিক আলোচনাত বহিবলৈ দাবী জনাইছে। মাকুম আঞ্চলিক ছাত্ৰ সন্থাই আজি জিলা আয়ুক্তৰ জৰিয়তে দুলিয়াজান স্থিত অইল ইণ্ডিয়া লিমিটেডৰ মুখ্য মহা প্ৰবন্ধকজন সম্পৰ্কৰক্ষী বিষয়ালৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। সংগঠনটোৱে ২৪ ছেপ্টেম্বৰৰ পৰা ৩০ ছেপ্টেম্বৰৰ ভিতৰত অইল ইণ্ডিয়া কৰ্তৃপক্ষৰ সৈতে দ্বিপাক্ষিক আলোচনাত বহিবলৈ সময়সীমা বান্ধি দিছে। কেৱল আলোচনাৰ দাবীতে সীমাবদ্ধ নাথাকি দাবীসমূহৰ ক্ষেত্ৰত ইতিবাচক পদক্ষেপ গ্ৰহণ নকৰিলে অইল ইণ্ডিয়া লিমিটেডৰ খনন আৰু উৎপাদন কাৰ্য বন্ধ কৰাৰ দৰে কঠোৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি সংগঠনটোৱে সকীয়াই দিছে। ইফালে, অইল ইণ্ডিয়াৰ লিমিটেডেৰ উপৰি মাকুম অঞ্চলত কাম কৰি থকা কুইপ, ছাউথ এছিয়া আদি বিভিন্ন ব্যক্তিগত কোম্পানীৰ বিৰুদ্ধেও স্থানীয় স্বাৰ্থক অগ্ৰাধিকাৰ দিয়াৰ দাবী উত্থাপন কৰিছে ছাত্ৰ সন্থাই। স্থানীয় যুৱক-যুৱতীক সংস্থাপনৰ সুযোগ প্ৰদান কৰাৰ লগতে মাকুম অঞ্চলৰ উন্নয়নমূলক কাম-কাজটো এই প্ৰতিষ্ঠানসমূহে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব লাগিব বুলি সংগঠনটোৱে দাবী জনাইছে। স্থানীয় সমস্যা সমাধান, স্থানীয় যুৱক-যুৱতীৰ সংস্থাপন আৰু মাকুমৰ সামগ্ৰিক উন্নয়ন—এই তিনিটা বিষয়ক মূল আধাৰ হিচাপে লৈ সংগঠনটোৱে অইল ইণ্ডিয়াৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰিছে। এতিয়া নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত অইল ইণ্ডিয়া লিমিটেড কৰ্তৃপক্ষই কি পদক্ষেপ গ্ৰহণ কৰে, সেয়া লক্ষণীয় হৈ পৰিছে।

# মাজুলী জিলা চিকিৎসালয় চৌহদত উত্তপ্ত পৰিস্থিতি

## প্ৰধানমন্ত্ৰীজন ঔষধি কেন্দ্ৰত অতিৰিক্ত মূল্যত দৰৱ বিক্ৰীৰ অভিযোগ; ঘেৰাও কৰি ৰোগীৰ আত্মীয়ৰ প্ৰতিবাদ



**অসম বাৰ্তা, উজনী মাজুলী, ২৪ ছেপ্টেম্বৰ ঃ** গড়মূৰস্থিত মাজুলী জিলা চিকিৎসালয় চৌহদত থকা প্ৰধানমন্ত্ৰীজন ঔষধি কেন্দ্ৰত দৰৱ আৰু চিকিৎসা সামগ্ৰী অতিৰিক্ত মূল্যত বিক্ৰী কৰাৰ অভিযোগক কেন্দ্ৰ কৰি আজি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। অভিযোগ অনুসৰি, কেন্দ্ৰটোত ৰেহাই মূল্যত দৰৱ বিক্ৰী কৰাৰ পৰিৱৰ্তে একাংশ সামগ্ৰী নিৰ্ধাৰিত মূল্যতকৈ অধিক দামত বিক্ৰী কৰি অহা হৈছিল। এই ঘটনাক কেন্দ্ৰ কৰি ৰোগীৰ আত্মীয় আৰু একাংশ ৰাইজে কেন্দ্ৰটো ঘেৰাও কৰে। ঘটনাৰ সূত্ৰপাত হয় এজন ৰোগীৰ আত্মীয়ক চিকিৎসা সামগ্ৰী বিক্ৰী কৰাৰ সময়ত। অভিযোগ অনুসৰি, নিৰ্ধাৰিত মূল্যতকৈ অধিক দামত সামগ্ৰী বিক্ৰী কৰাৰ বিষয়টো পোহৰলৈ অহাৰ পাছতে ৰোগীৰ আত্মীয় আৰু উপস্থিত ৰাইজ উত্তেজিত হৈ পৰে। প্ৰাপ্ত অভিযোগ অনুসৰি, ১০০ টকাৰ মূল্যৰ সামগ্ৰী ২০০ টকাত বিক্ৰী কৰাৰ ঘটনাও সংঘটিত হৈছে। অৱশ্যে অভিযোগটোৰ সত্যতা আৰু সামগ্ৰীটোৰ প্ৰকৃত নিৰ্ধাৰিত মূল্য সম্পৰ্কে সংশ্লিষ্ট কৰ্তৃপক্ষৰ আনুষ্ঠানিক তদন্তৰ পাছতহে নিশ্চিত তথ্য পোহৰলৈ আহিব। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰীজন ঔষধি পৰিযোজনাৰ অধীনত পৰিচালিতজন ঔষধি কেন্দ্ৰসমূহত ঔষধৰ মূল্য ইচ্ছামতে নিৰ্ধাৰণ কৰাৰ কোনো ব্যৱস্থা নাই। সংশ্লিষ্ট কৰ্তৃপক্ষৰ নিৰ্দেশনা অনুসৰি, প্ৰতিটো ঔষধ বা চিকিৎসা সামগ্ৰীৰ সৰ্বোচ্চ খুচুৰা মূল্য (MRP) ইতিমধ্যে নিৰ্ধাৰিত থাকে আৰু কেন্দ্ৰসমূহে সামগ্ৰীসমূহত ছপা কৰা MRP-তেই বিক্ৰী কৰিব লাগে। এই মূল্যৰ ভিতৰতে কেন্দ্ৰ পৰিচালকৰ নিৰ্ধাৰিত খুচুৰা মাৰ্জিন অন্তৰ্ভুক্ত থাকে। সেয়েহে ছপা কৰা MRP-তকৈ অধিক মূল্যত কোনো ঔষধ বা চিকিৎসা সামগ্ৰী বিক্ৰী কৰি গ্ৰাহকৰ পৰা অতিৰিক্ত ধন আদায় কৰাৰ কোনো বিধান নাই। এনে অভিযোগ সত্য প্ৰমাণিত হ'লে বিষয়টো সংশ্লিষ্ট কৰ্তৃপক্ষৰ তদন্তৰ আওতালৈ অহাটো স্বাভাৱিক। ভুক্তভোগী এগৰাকীয়ে অভিযোগ কৰে যে, "সাধাৰণ মানুহক আৰু কিমান লুটিব? অসহায় লোকক সহায় কৰাৰ পৰিৱৰ্তে এনে ঘটনা অত্যন্ত দুৰ্ভাগ্যজনক।" তেওঁ সমগ্ৰ বিষয়টো তদন্ত কৰি দোষীৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। ইফালে, জনৈক বৰুৱা নামৰ এজন ব্যক্তিৰ তত্ত্বাৱধানত পৰিচালিত হৈ থকা উক্ত কেন্দ্ৰটোত দৰৱ বিক্ৰীৰ ক্ষেত্ৰত সংঘটিত এই অনিয়ৰ অভিযোগ সংশ্লিষ্ট কৰ্তৃপক্ষৰ তদন্তৰ পিছতহে সত্যাসত্য পোহৰলৈ আহিব যদিও জিলা চিকিৎসালয়ৰ আশে-পাশে থকা ব্যক্তিগত পৰীক্ষাগাৰসমূহত বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ নামত ৰোগীৰ পৰা কিমান মাচুল আদায় কৰা হয়, তাক লৈও প্ৰশ্ন উত্থাপিত হৈছে। বিভিন্ন পৰীক্ষাৰ মাচুলৰ ক্ষেত্ৰত একাংশ ৰোগী আৰু আত্মীয়ই অসন্তুষ্টি প্ৰকাশ কৰি বিষয়টো পৰীক্ষা কৰাৰ দাবী জনাইছে। ইয়াৰ লগতে,জন ঔষধি কেন্দ্ৰটোৰ বিক্ৰী-বাট্টা, ঔষধৰ নিৰ্ধাৰিত মূল্য আৰু গ্ৰাহকৰ পৰা আদায় কৰা ধনৰ সম্পূৰ্ণ হিচাপ পৰীক্ষা কৰাৰো দাবী জনাইছে একাংশ ৰাইজে। প্ৰধানমন্ত্ৰীৰজন ঔষধি আঁচনিৰ মূল উদ্দেশ্য হৈছে সাধাৰণ আৰু দৰিদ্ৰ লোকক সুলভ মূল্যত ঔষধ উপলব্ধ কৰোৱা। সেয়েহে মাজুলীৰ এই কেন্দ্ৰটোক কেন্দ্ৰ কৰি উত্থাপিত অভিযোগসমূহৰ নিৰপেক্ষ তদন্ত কৰি প্ৰকৃত তথ্য পোহৰলৈ অনাৰ দাবী উঠিছে। লগতে জিলা চিকিৎসালয়ত ৰোগীসকলে সন্মুখীন হোৱা অন্যান্য সমস্যাসমূহো সমাধানৰ বাবে স্বাস্থ্য বিভাগ আৰু জিলা প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাইজে আহ্বান জনাইছে।

# পুৰণিগুদামত ভয়ংকৰ পথ দুৰ্ঘটনা

## দুগৰাকী মহিলাৰ মৃত্যু আৰু দুজন গুৰুতৰভাৱে আহত দুৰ্ঘটনাৰ পাছতে ৰাষ্ট্ৰীয় ঘাইপথত জ্বলিল বাহন



**অসম বাৰ্তা, পুৰণিগুদাম, ২৪ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ পুৰণিগুদামত আজি পুৱা সংঘটিত হোৱা এক ভয়ংকৰ পথ দুৰ্ঘটনাত দুগৰাকী লোক মৃত্যু হোৱাৰ লগতে দুজন গুৰুতৰভাৱে আহত হয়। চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত তথা পুৰণিগুদাম আৰক্ষী চকীৰ অধীনৰ পুৰণিগুদামৰ ১২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা ৫ বাজি ২০ মিনিটত সংঘটিত হয় এই শোকাৱহ পথ দুৰ্ঘটনা। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, অৰুণাচলৰ পৰা গুৱাহাটী অভিমুখে গৈ থকা এ-আৰ-০১-W- ৫১০৭ নম্বৰৰ কিয়াৰ তীব্ৰবেগী বাহনখনে ৰাষ্ট্ৰীয় ঘাইপথৰ মাজৰ ডিভাইদাৰত খুন্দা মাৰি বিদ্যুতৰ এটা খুঁটাত খুন্দিয়াই পথত বাগৰি পৰাৰ পিছতে ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰতে বাহনখন দাও-দাওকৈ জ্বলি উঠে। দুৰ্ঘটনাৰ ফলত বাহনখনৰ ভিতৰত থকা দুগৰাকী মহিলা অগ্নিদগ্ধ হৈ মৃত্যুমুখত পৰে। ইফালে, গুৰুতৰভাৱে আহত বাহনখনৰ চালকসহ আন এজন লোকক উদ্ধাৰ কৰি চিকিৎসাৰ বাবে ততাতৈয়াকৈ নগাঁও জিলা চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়, যদিও পৰৱৰ্তী সময়ত দুয়োকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰা হয়। পৰৱৰ্তী সময়ত ঘটনাস্থলীত অগ্নি নিৰ্বাপক বাহিনীৰ দল উপস্থিত হৈ জুই নিৰ্বাপন কৰে যদিও বাহনখন সম্পূৰ্ণৰূপে জ্বলি ভস্মীভূত হয়। জানিব পৰা মতে, চিকিৎসাধীন লোক দুজনৰ নাম বিকাশ কুমাৰ আৰু চনু কুমাৰ। দুয়োজনৰে ঘৰ বিহাৰত বুলি জানিব পৰা গৈছে। পাছত ঘটনাস্থলীত নগাঁও জিলা আয়ুক্ত আৰণ্যক শইকীয়া, নগাঁও জিলাৰ আৰক্ষী অধীক্ষক ৰাকেশ ৰেড্ডী, যান-বাহন শাখাৰ আৰক্ষী, চামগুৰি থানা আৰু পুৰণিগুদাম আৰক্ষী চকীৰ আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। ৰাষ্ট্ৰীয় ঘাইপথত সৃষ্টি হোৱা গাঁত সমূহৰ বাবে পথটোত সঘনাই দুৰ্ঘটনা সংঘটিত হৈ থকাৰ সন্দৰ্ভত সাংবাদিকে জিলা আয়ুক্তক প্ৰশ্ন কৰাত জিলাৰ আয়ুক্তই সাংবাদিকক ৰাষ্ট্ৰীয় ঘাইপথত থকা গাঁত সমূহ পোতাৰ ব্যৱস্থা কৰা হৈছে আৰু বাকী গাঁত সমূহ পোতাৰ ব্যৱস্থা কৰা হ'ব বুলি মন্তব্য কৰে লগতে বিকল হৈ থকা ষ্ট্ৰীট লাইট সমূহ মেৰামতি কৰা হ'ব বুলি জনায়। জিলা আয়ুক্ত গৰাকীয়ে পথৰ মাজত থকা বিষাক্ত পাৰ্থেনিয়াম আৰু গছ-গছনিবোৰ কটাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দিয়ে। উল্লেখযোগ্য যে, চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথটোৰ নিৰ্মাণত বিসংগতি থকাৰ বাবে ইতিমধ্যে কে'বাটাও সৰু-বৰ পথ দুৰ্ঘটনা সংঘটিত হৈ কে'বাজনো লোকৰ মৃত্যু হৈছে। পুৰণিগুদামৰ ৰাষ্ট্ৰীয় ঘাইপথটোৰ নিৰ্মাণৰ বিসংগতিৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথত প্ৰাধিকৰণক দল-সংগঠন আৰু স্থানীয় ৰাইজে কে'বাবাৰো বিভাগীয়ভাৱে অভিযোগ দি সুফল লাভ কৰা নাই। এই দুৰ্ঘটনাপ্ৰৱন অঞ্চলটোত এটা সামান্য গতিৰোধক আছে যদিও বাহন চালকৰ প্ৰতি সাৱধানতাসূচক কোনো এখন চাইন ব'ড নাই। ইতিমধ্যে এবছৰত যান-বাহনৰ খুন্দাত আঠজনকৈ লোকৰ মৃত্যু হোৱাৰ লগতে কে'বাজনো লোক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছে। ইফালে, ৰাষ্ট্ৰীয় ঘাইপথটোত প্ৰায়েই বিদ্যুতৰ খুঁটা আৰু ডিভাইদাৰ ভাঙিয়েই থাকে। ইফালে, পুৰণিগুদামৰ পথ দুৰ্ঘটনাস্থলীত উপস্থিত হোৱা নগাঁও জিলা আয়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক গৰাকীক আজি হৈ যোৱা দুৰ্ঘটনাৰ লগতে পুৰণিগুদামৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰৱস্থা, ষ্ট্ৰীট লাইট বিকল, পথৰ মাজত পাৰ্থেনিয়াম আৰু গছ-গছনি আৱৰি ধৰা আৰু বিভিন্ন সমস্যাৰ ওপৰত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতিৰ তৰফৰ পৰা অৱগত কৰা হয় বুলি জানিব পৰা গৈছে।

# দেশৰ মুখ্য নিৰ্বাচনী আয়ুক্তক পদত্যাগৰ দাবী মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ

## 'গণতান্ত্ৰিক মূল্যবোধৰ বিচ্যুতি'

**অসম বাৰ্তা, লীলাবাৰী, ২৪ ছেপ্টেম্বৰ ঃ** নিৰ্বাচন আয়োগৰ (ECI) শেহতীয়া প্ৰেছ বিজ্ঞপ্তিৰ সন্দৰ্ভত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে মানৱ অধিকাৰ সংগ্ৰাম সমিতিয়ে। আয়োগৰ আত্মপক্ষ সমৰ্থন আৰু প্ৰশাসনিক স্বচ্ছতাৰ দাবীক বাস্তৱিক সত্যতাৰ বিপৰীত বুলি অভিহিত কৰি সংগঠনটোৱে। সংগঠনটোৰ তৰফৰ পৰা স্পষ্ট কৰি দিয়া হৈছে যে, শেহতীয়াকৈ নিৰ্বাচনী প্ৰক্ৰিয়াৰ নিৰপেক্ষতাক লৈ জনসাধাৰণৰ মনত গভীৰ সন্দেহৰ সৃষ্টি হৈছে, যাক আয়োগে কেৱল "স্বাভাৱিক আলোচনা" বুলি লঘু কৰি দেখুৱাবলৈ প্ৰয়াস কৰিছে। সংবিধানৰ অনুচ্ছেদ ৩২৪ ৰ মৰ্যাদাৰ কথা ক'লেও আয়োগে আভ্যন্তৰীণ মতানৈক্য আৰু জনসাধাৰণৰ প্ৰশ্নসমূহৰ সন্তোষজনক উত্তৰ দিয়াৰ পৰা বিৰত থকা বুলি অভিযোগ উত্থাপন হৈছে। দহ মাহৰো অধিক সময় ধৰি চলা গুৰুত্বপূৰ্ণ আভ্যন্তৰীণ টোকা আৰু নীতিগত সিদ্ধান্তৰ মতানৈক্যক অস্বীকাৰ কৰাটো গণতান্ত্ৰিক মূল্যবোধৰ পৰা বিচ্যুতি বুলি দাবী কৰা হৈছে। ইচিআইনেট (ECINet) আৰু ইভিএম (EVM)ৰ নিৰপেক্ষতা তথা নিৰ্বাচনী তথ্যৰ গোপনীয়তাক লৈ দেশজুৰি চৰ্চা লাভ কৰা প্ৰশ্নসমূহৰ কোনো সঠিক সমাধান বিজ্ঞপ্তিত উল্লেখ নাই। নিৰ্বাচন আয়োগ কেৱল কিছু নিয়মৰ সমষ্টি নহয়, ই কোটি কোটি ভোটাৰৰ গণতান্ত্ৰিক অধিকাৰৰ প্ৰহৰী। বৰ্তমানৰ কাৰ্যকলাপসমূহে ঐতিহাসিক নিৰপেক্ষতাত প্ৰশ্নচিহ্ন বহুৱাইছে। আয়োগৰ এই একপক্ষীয় বিজ্ঞপ্তিক সম্পূৰ্ণৰূপে নাকচ কৰি মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ মুখ্য উপদেষ্টা আদিত্য লহকৰ, অধ্যক্ষ বুবুমনি গোস্বামী আৰু সচিব ৰাজু সিংহই দেশৰ মুখ্য নিৰ্বাচনী আয়ুক্ত গৰাকীৰ শীঘ্ৰেই পদত্যাগ দাবী কৰে। গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ পৱিত্ৰতা আৰু জনসাধাৰণৰ আস্থা ঘূৰাই আনিবলৈ আয়োগৰ কৰ্তৃপক্ষক অধিক স্বচ্ছতা আৰু জৱাবদিহিতা নিশ্চিত কৰিবলৈ তেওঁলোকে তীব্ৰ দাবী জনায়।

## অনুজ্ঞাপত্ৰ থকা সুৰাৰ বিপনী ছীল কৰিলে আৱকাৰী বিভাগে

# চেলেংহাটত অবৈধ সুৰা জব্দ

**অসম বাৰ্তা, চেলেংহাট, ২৪ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলাৰ চেলেংহাট অঞ্চলত অবৈধ সুৰা সৰবৰাহৰ বিৰুদ্ধে আৱকাৰী বিভাগে এক বৃহৎ অভিযান চলায়। বিগত সময়ছোৱাত এই অঞ্চলটোত অৰুণাচলী অবৈধ সুৰা সৰবৰাহ সন্দৰ্ভত বিভিন্ন বাতৰি সম্প্ৰচাৰ হৈ আহিছিল যদিও সংশ্লিষ্ট কৰ্তৃপক্ষই বিশেষ কোনো গুৰুত্ব দিয়া নাছিল বুলি অভিযোগ উঠিছিল। পান দোকানৰ পৰা আৰম্ভ কৰি গেলামালৰ দোকানলৈকে অৰুণাচলী সুৰাৰ পয়োভৰ বৃদ্ধি পোৱাৰ সময়তে অৱশেষত সক্ৰিয় হৈ পৰিল আৱকাৰী বিভাগ। উল্লেখযোগ্য যে, আৱকাৰী বিভাগৰ এক সূত্ৰই জনোৱা মতে যোৱা ২২ ছেপ্টেম্বৰত চেলেংহাট অঞ্চলত অভিযান চলাই ১৮০ মিলিমিটাৰ জোখৰ ১৬৯টা সন্দেহযুক্ত 'ৰয়েল ষ্টেগ' হুইস্কীৰ বটল জব্দ কৰা হয়। এই ঘটনাৰ অধিক তদন্তৰ বাবে যোৰহাট জিলাৰ মৰিয়নি-চেলেংহাটৰ ৰহচলাত থকা এখন অনুজ্ঞাপত্ৰ থকা সুৰাৰ বিপণিত কালি টিয়ক, মৰিয়নি আৰু যোৰহাট সদৰ আৱকাৰী বিভাগৰ এটা যুটীয়া দলে অভিযান চলায়। অভিযানৰ সময়ত বিপনীখনত মজুত থকা সুৰাৰ বটলসমূহ পৰীক্ষা কৰাৰ লগতে সন্দেহযুক্ত সুৰাৰ ক্ৰয়-বিক্ৰয় আৰু সৰবৰাহৰ তথ্য সংগ্ৰহ কৰা হয়। তদন্তৰ স্বাৰ্থত বিপনীখনৰ চিচিটিভি ফুটেজ আৰু অন্যান্য প্ৰয়োজনীয় তথ্যও আৱকাৰী বিভাগে সংগ্ৰহ কৰে। বিভাগীয় সূত্ৰ অনুসৰি, জব্দ কৰা সন্দেহযুক্ত সুৰাখিনিৰ বৈধতা সম্পৰ্কে কোনো পাৰমিট বা প্ৰয়োজনীয় প্ৰমাণপত্ৰ অনুজ্ঞাপত্ৰধাৰীয়ে দাখিল কৰিব নোৱাৰিলে। ইয়াৰ পিছতে অধিক তদন্ত আৰু আইনী ব্যৱস্থাৰ স্বাৰ্থত আৱকাৰী বিভাগে বিপনীখন ছিল কৰে। ইফালে, উক্ত বিপনীখনৰ পৰা দীৰ্ঘদিন ধৰি অৰুণাচলী সুৰা অবৈধভাৱে বিক্ৰী কৰি অহাৰ অভিযোগ উত্থাপিত হৈ অহা বুলি স্থানীয় সূত্ৰত প্ৰকাশ। অৱশ্যে এই অভিযোগৰ সত্যতা বৰ্তমান তদন্তৰ বিষয়। আৱকাৰী বিভাগে বিপনীখনৰ স্বত্বাধিকাৰী হেমন্ত ফুকন (জুণ্টি)ক সোধা-পোছাৰ বাবে আটক কৰি তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে। সমগ্ৰ বিষয়টো বৰ্তমান তদন্তাধীন। অসম আৱকাৰী আইন আৰু প্ৰযোজ্য বিধি অনুসৰি তদন্তৰ অন্তত পৰৱৰ্তী আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি বিভাগীয় সূত্ৰই জানিব পৰা গৈছে।

# ডুমডুমা মহাবিদ্যালয়ত 'চাহ নগৰী সংযোগ-২০২৬' সম্পন্ন

## চাহৰ গুণগত মানৰ ওপৰত মনোজ্ঞ আলোচনা




**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৪ ছেপ্টেম্বৰ ঃ** ভাৰতীয় চাহ বৰ্ড আৰু ডুমডুমা মহাবিদ্যালয়ৰ যৌথ উদ্যোগত আজি ডুমডুমা মহাবিদ্যালয়ৰ 'কল্লোল' প্ৰেক্ষাগৃহত অসমত চাহৰ ইতিহাসৰ দুশ বছৰৰ লগত সংগতি ৰাখি 'চাহ নগৰী সংযোগ-২০২৬ নামেৰে এক মনোজ্ঞ অনুষ্ঠান অনুষ্ঠিত হয়। ভাৰতীয় চাহৰ চহকী ঐতিহ্য, সংস্কৃতি আৰু বৈচিত্ৰ্যক উদ্‌যাপন কৰা আৰু নৱ প্ৰজন্মৰ মাজত বাগিচাৰ পৰা কাপলৈ চাহৰ যাত্ৰাৰ বিষয়ে অধিক সজাগতা সৃষ্টি কৰা লক্ষ্যৰে অনুষ্ঠিত এই অনুষ্ঠানৰ প্ৰাৰম্ভিক কাৰ্যসূচী ভাৰতীয় চাহ ব'ৰ্ডৰ তিনিচুকীয়া শাখাৰ শাখা সঞ্চালক দিব্যজ্যোতি দত্ত, ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে। অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰি ভাৰতীয় চাহ ব'ৰ্ডৰ তিনিচুকীয়া শাখাৰ শাখা সঞ্চালক দিব্যজ্যোতি দত্তই কয় যে চাহ কেৱল এবিধ পানীয়ই নহয়; ই অসমৰ অৰ্থনীতি, সংস্কৃতি আৰু সামাজিক জীৱনৰ সৈতে গভীৰভাৱে জড়িত। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক চাহৰ সৈতে পৰিচিত হোৱাৰ লগতে চাহ উদ্যোগৰ বিভিন্ন দিশ বুজিবলৈ আহ্বান জনায়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই অনুষ্ঠানত ভাষণ দি চাহ উদ্যোগৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে আত্মনিৰ্ভৰশীলতাৰ পথ বাছি ল'ব পৰাৰ প্ৰসংগ দোহাৰে। নতুন যুগৰ প্ৰযুক্তি আৰু চিন্তাধাৰাৰ সৈতে সংগতি ৰাখি চাহ উদ্যোগক নতুন পৰ্যায়লৈ লৈ যোৱাৰ প্ৰয়োজনীয়তাৰ কথাও তেওঁ উল্লেখ কৰে। অনুষ্ঠানত জ্যেষ্ঠ চাহ উদ্যোগপতি সতীশ খৈতানে ছাত্ৰ-ছাত্ৰীসকলক চাহ উদ্যোগ আৰু ব্যৱসায়ৰ বিভিন্ন সম্ভাৱনাৰ বিষয়ে অৱগত কৰে। চাহ উৎপাদনৰ পৰা আৰম্ভ কৰি প্ৰক্ৰিয়াকৰণ, বিপণন আৰু ব্যৱসায়লৈকে বিভিন্ন দিশৰ ওপৰত তেওঁ বক্তব্য আগবঢ়াই যুৱ প্ৰজন্মক এই উদ্যোগত নতুন সুযোগ বিচাৰিবলৈ উৎসাহিত কৰে। অনুষ্ঠানত কেইবাজনো বক্তাই অসমৰ চাহ উদ্যোগৰ প্ৰায় দুটা শতিকাজোৰা গৌৰৱময় ইতিহাসৰ ওপৰত আলোকপাত কৰে। অসমৰ পৰিচয় দেশ-বিদেশত প্ৰতিষ্ঠা কৰাত চাহ উদ্যোগে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলি উল্লেখ কৰি এই ঐতিহ্য নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ লগতে ইয়াক সংৰক্ষণ আৰু অধিক বিকশিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। অনুষ্ঠানৰ অংশ হিচাপে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকণ প্ৰতিযোগিতা, টি-মেকিং প্ৰতিযোগিতা আৰু ৰীল প্ৰতিযোগিতাকে ধৰি বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। ইয়াৰ উপৰি বিভিন্ন প্ৰকাৰৰ উৎপাদিত চাহৰ প্ৰদৰ্শন কৰা হয় আৰু ছাত্ৰ-ছাত্ৰীসকলে চাহৰ গুণগত মানৰ সোৱাদ গ্ৰহণ কৰি অভিজ্ঞতা লাভ কৰে। প্ৰতিযোগিতাত পুৰস্কাৰ লাভ কৰা সকলক নগদ ধন আৰু প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি ৰাণা মৰাণ, বেতজান চাহ বাগিচাৰ পৰিচালক দীপক কুমাৰ শৰ্মা, বৰডুবি চাহ বাগিচাৰ সহকাৰী পৰিচালক ময়ূৰ শইকীয়া, এটক' চাহ কাৰখানাৰ স্বত্বাধিকাৰী সতীশ খৈতান, উলা চাহৰ প্ৰতিষ্ঠাপক উৎপল বৰকাকতী আৰু ডুমডুমা মহাবিদ্যালয়ৰ উপাধ্যক্ষ দীপক ৰঞ্জন বৰুৱা আদি উপস্থিত থাকে। সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা কৰবী বৰাই। উল্লেখযোগ্য যে যোৱা ২৬ ডিচেম্বৰত মহাবিদ্যালয়খনে চাহৰ শিল্পই দুশ বছৰ অতিক্ৰম কৰা বাবে 'সেউজী পাতৰ কাহিনী' নামৰ এক ব্যতিক্ৰমী অনুষ্ঠান অনুষ্ঠিত কৰিছিল।

# হাউলীত ভয়ংকৰ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, কুমুল্লী পাৰা, ২৪ ছেপ্টেম্বৰ ঃ** হাউলীত আজি পুনৰ সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। নিয়ন্ত্ৰণ হেৰুৱাই এখন ট্ৰাক পথৰ মাজতে বাগৰি পৰাত অঞ্চলটোত কিছু সময়ৰ বাবে আতংকময় পৰিস্থিতিৰ সৃষ্টি হয়। প্ৰাপ্ত তথ্য অনুসৰি, আজি হাউলী অঞ্চলৰ এটা পথত গৈ থকা অৱস্থাত ট্ৰাকখন হঠাৎ নিয়ন্ত্ৰণহীন হৈ পথৰ ওপৰতে বাগৰি পৰে। দুৰ্ঘটনাটোৰ ফলত ট্ৰাকখনৰ চালকগৰাকী কথমপি প্ৰাণৰক্ষা কৰে। অৱশ্যে দুৰ্ঘটনাটোত চালকজনৰ কোনো গুৰুতৰ আঘাত হৈছে নে নাই, সেয়া এই পৰ্যন্ত নিশ্চিত হোৱা নাই। দুৰ্ঘটনাৰ সঠিক কাৰণ এই পৰ্যন্ত জানিব পৰা হোৱা নাই। পথৰ অৱস্থা, অত্যধিক গতি অথবা যান্ত্ৰিক বিজুতিৰ বাবেই এই দুৰ্ঘটনা সংঘটিত হ'ল নেকি, সেই বিষয়ে তদন্তৰ পিছতহে প্ৰকৃত কাৰণ স্পষ্ট হ'ব।

# দৰঙৰ পিঠাখোৱাত মহাপুৰুষ শঙ্কৰদেৱ গুৰুজনাৰ আবিৰ্ভাৱ মহোৎসৱ সামৰণি

**অসম বাৰ্তা, দেওমৰনৈ, ২৪ ছেপ্টেম্বৰ ঃ** জগত গুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ ৫৭৮ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ ভাগি উত্তৰ-পূব ভাৰতৰ সৰ্ববৃহৎ ধৰ্মীয় অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, দৰং জিলা শাখাৰ হাজৰিকাপাৰা আঞ্চলিকৰ অন্তৰ্গত দুই নম্বৰ পিঠাখোৱা প্ৰাথমিক শাখাৰ উদ্যোগত ২১, ২২ আৰু ২৩ ছেপ্টেম্বৰ তাৰিখে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হয়। তদুপলক্ষে কাৰ্যসূচী অনুসৰি প্ৰথম দিনা ৰাতিপুৱা প্ৰভাত ফেৰী, বন্তি প্ৰজ্বলন, প্ৰাত প্ৰসংগ, পৰিবেশ নিকাকৰণ, ধৰ্মধ্বজা উত্তোলন, শৰাই নিবেদন, নাম প্ৰসংগ, ভাগৱত পাঠ আদিৰে প্ৰথম দিনাৰ কাৰ্যসূচীৰ সামৰণি পৰে। দ্বিতীয় দিনা ৰাতিপুৱা গছপুলি ৰোপণ, ভাগৱত শোভাযাত্ৰা, শৰাই নিবেদন, নাম প্ৰসংগ, ভাগৱত পাঠ, বন্তি প্ৰজ্বলন, কৰা হয়। আনহাতে, অন্তিম দিনা ৰাতিপুৱা পৰিবেশ নিকাকৰণ, শৰাই নিবেদন, নাম প্ৰসংগৰ পিছত দুই নম্বৰ পিঠাখোৱা প্ৰাথমিক শাখাৰ সভাপতি দিলীপ কুমাৰ বণিয়াৰ সভাপতিত্বত অনুষ্ঠিত হয় এখনি মুকলি ধৰ্মালোচনা সভা। তুলসী বণিয়াই উদ্দেশ্য ব্যাখ্যা আৰু আঁত ধৰা সভাখন উদ্বোধন কৰে ছিপাঝাৰ প্ৰাথমিক শাখাৰ সভাপতি চন্দ্ৰ কুমাৰ বণিয়াই। সভা খনত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰচাৰ শাখাৰ উপদেষ্টা জগত বণিয়াই এটি তত্ত্ব গধুৰ আধ্যাত্মিক ভাষণ প্ৰদান কৰে। সভা খনত পশু চিকিৎসক ডাঃ বিৰাজ কুমাৰ বণিয়া, ৰেৱতী মোহন বণিয়া, ছিপাঝাৰ আঞ্চলিক পঞ্চায়তৰ সদস্য ৰূপা মনি চহৰীয়া, হাজৰিকাপাৰা গাঁও পঞ্চায়তৰ সদস্য দুগ্ধ কুমাৰ বনিক্য প্ৰমুখ্য কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উক্ত সভাতেই শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, হাজৰিকাপাৰা আঞ্চলিক শাখাৰ সভাপতি হৰেশ্বৰ ডেকাৰ দ্বাৰা ড° বিভাৰাণী বণিয়াৰ দ্বাৰা ৰচিত মহাশক্তিমান গুৰু শ্ৰীমন্ত শংকৰদেৱ আৰু মহাতেজস্বী শিষ্য শ্ৰীমাধৱদেৱ শীৰ্ষক এখনি গ্ৰন্থ উন্মোচন কৰা হয়। সন্ধিয়া ধৰ্মধ্বজা অৱতৰণ, বন্তি প্ৰজ্বলন আৰু নিশা মহিলাৰ পালনাম প্ৰদৰ্শনৰে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰ সামৰণি পৰে।

## দুমাহ উকলিলেও লাভ নহ'ল কোনো সন্ধান, পৰিয়ালৰ মাজত হাহাকাৰ

# বহিঃৰাজ্যলৈ কৰ্মসূত্ৰে যোৱা বকোৰ যুৱক ৰে'লৰ পৰা সন্ধানহীন

**অসম বাৰ্তা, বকো, ২৪ ছেপ্টেম্বৰ ঃ** কৰ্মসংস্থাপনৰ উদ্দেশ্যে বহিঃৰাজ্যলৈ যাত্ৰা কৰা অসমৰ বকোৰ এজন যুৱক ৰে'ল যাত্ৰাৰ মাজপথতে সন্ধানহীন হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ উদ্বেগৰ সৃষ্টি কৰিছে। কামৰূপ জিলাৰ বকো আৰক্ষী থানাৰ অন্তৰ্গত দক্ষিণ ঘিলাবাৰীৰ মানৱ ৰাভা (২৮) নামৰ যুৱকজন যোৱা প্ৰায় দুমাহ ধৰি সন্ধানহীন হৈ আছে। যুৱকজনৰ সন্ধান উলিওৱাৰ বাবে পৰিয়ালৰ লোকে আৰক্ষীৰ কাষ চাপি এজাহাৰ দাখিল কৰাৰ পাছতো বৰ্তমানলৈকে কোনো সন্ধান লাভ কৰিবলৈ সক্ষম হোৱা নাই বুলি পৰিয়ালৰ লোকে জানিবলৈ দিছে। পৰিয়ালৰ পৰা জানিব পৰা মতে, যোৱা ৯ জুলাইত মানৱ ৰাভাই লগৰীয়াসকলৰ সৈতে কৰ্মসংস্থাপনৰ উদ্দেশ্যে ৰে'লেৰে তামিলনাডুলৈ যাত্ৰা কৰিছিল। কিন্তু যাত্ৰাপথতে হঠাৎ মানৱ ৰাভা সন্ধানহীন হোৱা বুলি লগৰীয়াসকলে পৰিয়ালক ফোনযোগে অৱগত কৰে। এই খবৰ লাভ কৰাৰ পাছতে মানৱ ৰাভাৰ পৰিয়ালত হাহাকাৰময় পৰিৱেশৰ সৃষ্টি হয়। ইয়াৰ পিছতে পৰিয়ালৰ লোকে বকো আৰক্ষী থানাত যুৱকজন সন্ধানহীন হোৱা সন্দৰ্ভত এজাহাৰ দাখিল কৰে। পৰিয়ালৰ দাবী অনুসৰি, বকো আৰক্ষীয়ে এজাহাৰখন পৰৱৰ্তী ব্যৱস্থাৰ বাবে আজাৰা আৰক্ষী থানালৈ প্ৰেৰণ কৰে। কিন্তু ঘটনা সংঘটিত হোৱাৰ প্ৰায় দুমাহ উকলি যোৱাৰ পাছতো মানৱ ৰাভাৰ কোনো সন্ধান লাভ কৰিব পৰা নাই বুলি পৰিয়ালৰ লোকে জানিবলৈ দিছে। ইফালে, কৰ্মসংস্থাপনৰ বাবে বহিঃৰাজ্যলৈ যাত্ৰা কৰা অসমৰ যুৱক ৰে'ল যাত্ৰাৰ মাজপথতে এনেদৰে সন্ধানহীন হৈ পৰা ঘটনাক লৈ পৰিয়ালটোৱে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। মানৱ ৰাভা কেনেকৈ আৰু কি পৰিস্থিতিত সন্ধানহীন হ'ল, সেই বিষয়ে এতিয়াও স্পষ্ট তথ্য পোহৰলৈ অহা নাই। পৰিয়ালে যুৱকজনৰ সন্ধান উলিয়াবলৈ আৰক্ষীৰ ওচৰত শীঘ্ৰে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাইছে। মানৱ ৰাভাৰ সন্ধানহীন হোৱাৰ আঁৰত প্ৰকৃততে কি কাৰণ আছে, সেয়া আৰক্ষীৰ তদন্তৰ পাছতহে স্পষ্ট হ'ব। ইফালে, আপোনজনৰ অপেক্ষাত দিন পাৰ কৰিছে মানৱ ৰাভাৰ পৰিয়ালে। যুৱকজনক শীঘ্ৰে বিচাৰি উলিয়াই পৰিয়ালৰ ওচৰলৈ ঘূৰাই অনাৰ বাবে আৰক্ষী তথা সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত আহ্বান জনোৱাৰ লগতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰো হস্তক্ষেপ কামনা কৰিছে পৰিয়ালৰ লোকে। মানৱ ৰাভাৰ সন্ধান কেতিয়া ওলাব, সেয়াই এতিয়া পৰিয়াল তথা স্থানীয় ৰাইজৰ মাজত ডাঙৰ প্ৰশ্ন হৈ পৰিছে।

## তীব্ৰ জ্বৰৰ লগতে ডিঙি বিষ

# ভাইৰেল জ্বৰত আক্ৰান্ত মাজুলীৰ শ শ লোক

**অসম বাৰ্তা, উজনী মাজুলী, ২৪ ছেপ্টেম্বৰ ঃ** মাজুলী জিলাত শ শ লোক ভাইৰেল জ্বৰত আক্ৰান্ত হৈ পৰিছে। যোৱা এক সপ্তাহ ধৰি মাজুলীৰ সকলো গাঁৱতে অগণন লোক জ্বৰত আক্ৰান্ত হৈ আছে। উক্ত, জ্বৰৰ প্ৰাকমুহূৰ্তত খুব পানী লাগি, হাঁচি আহে। তাৰপিছত গা বিষ আৰু জ্বৰ আৰম্ভ হয়। জ্বৰৰ সমান্তৰালকৈ তীব্ৰ ডিঙি বিষ হয়। আক্ৰান্ত লোক সকলৰ তীব্ৰ গা বিষ হয় আৰু খাবলৈ অনিচ্ছা প্ৰকাশ কৰে। জ্বৰৰ বাবে চিকিৎসকৰ ওচৰলৈ গৈ বেজি, টেবলেট লয় যদিও তিনি ঘণ্টাৰ পাছত পুনৰ জ্বৰ-বিষৰ পুনৰাবৃত্তি হয়। আক্ৰান্ত লোকসকল ডিঙিত তীব্ৰ বিষ অনুভৱ কৰে আৰু একো গিলিব নোৱৰা হৈ পৰিছে। ডিঙিৰ অন্তৰ্ভাগত বিষ হোৱাৰ বাবে খাব নোৱাৰে। প্ৰতিজন আক্ৰান্ত লোকৰ জ্বৰৰ তাপমাত্ৰা ১০৪ ডিগ্ৰীৰ ওপৰতে থাকে। সমগ্ৰ জিলাখনতে উক্ত ভাইৰেল জ্বৰত আক্ৰান্ত হোৱা দেখা গৈছে। এটা পৰিয়ালৰ এজন সদস্য প্ৰথমে জ্বৰ আৰু গা বিষত আক্ৰান্ত হয় তাৰপিছত গোটেই পৰিয়ালটোলৈ সংক্ৰমিত হয়। বৰ্তমান মাজুলীৰ সকলো চিকিৎসালয়ত দৈনিক শ শ লোক ভাইৰেল জ্বৰত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছে। জ্বৰৰ সমান্তৰালকৈ ডিঙিৰ বিষ, গা বিষ, তীব্ৰ ঠাণ্ডাৰ অনুভৱৰ বাবে ৰোগীৰ অৱস্থা সংকটজনক হৈ পৰিছে। নামনি মাজুলীৰ আদি এলেঙী, গোৱাল গাঁও, চিলাকলা, পহুমৰা, সৰু এলেঙী আদি গাঁৱতে শ শ লোক আক্ৰান্ত হৈ ঘৰত সোমাই আছে।

## সম্পাদকীয়

# জলবায়ুৰ সংকট নিয়ন্ত্ৰণত কাৰ্যপ্ৰণালীৰ অপৰিহাৰ্যতা

সম্প্ৰতি বিশ্বজুৰি সঘনাই সংঘটিত হ’বলৈ ধৰা অভূতপূৰ্ব প্ৰাকৃতিক দুৰ্যোগসমূহে সমগ্ৰ মানৱ জাতিক এক অস্তিত্বৰ সংকটৰ মুখলৈ ঠেলি দিছে। গোলকীয় উষ্ণতা বৃদ্ধি, অনিয়মীয়া ঋতুচক্ৰ, ভূমিস্খলন, বানপানী আৰু খৰাং পৰিস্থিতিয়ে চৰম ৰূপ ধাৰণ কৰাৰ এই জটিল সময়ছোৱাত শেহতীয়াকৈ নতুন দিল্লীত আয়োজিত ‘জলবায়ু আৰু পৰিৱেশৰ ভৱিষ্যৎ’ বিষয়ক আলোচনাসত্ৰৰ সামৰণি অনুষ্ঠানত ভাৰতৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে দিয়া বক্তব্য অত্যন্ত প্ৰাসংগিক তথা সময়োপযোগী। ৰাষ্ট্ৰপতিগৰাকীয়ে স্পষ্টভাৱে ব্যক্ত কৰিছে যে পৰিৱেশ সংকটৰ পৰা ধৰিত্ৰীক ৰক্ষা কৰিবলৈ হ’লে কেৱল নীতিগত কথাবাতৰাতে সীমাবদ্ধ নাথাকি এক সুসংহত জলবায়ু কাৰ্যপ্ৰণালী (Integrated Climate Action Plan) প্ৰস্তুত আৰু ৰূপায়ণ কৰাটো অতিকৈ জৰুৰী হৈ পৰিছে।

বিজ্ঞানীসকলে বাৰে বাৰে সকীয়নি দি আহিছে যে জলবায়ু পৰিৱৰ্তন কোনো সুদূৰ ভৱিষ্যতৰ ভাবুকি হৈ থকা নাই, বৰঞ্চ ই বৰ্তমানৰ এক কঠোৰ বাস্তৱ। এই অৱস্থাৰ সৈতে মুখামুখি হ’বলৈ আঞ্চলিক, স্থানীয় আৰু আন্তৰ্জাতিক- এই তিনিওটা পৰ্যায়তে এক সুদৃঢ় আৰু সমন্বিত সহযোগিতাৰ প্ৰয়োজন। আন্তৰ্জাতিক পৰ্যায়ত উন্নত ৰাষ্ট্ৰসমূহে কাৰ্বন নিৰ্গমন হ্ৰাস কৰাৰ দায়িত্ব লোৱাৰ লগতে উন্নয়নশীল দেশসমূহক প্ৰযুক্তি আৰু বিত্তীয় সাহায্য আগবঢ়োৱাটো যিদৰে প্ৰয়োজনীয়, ঠিক তেনেদৰে স্থানীয় পৰ্যায়ত প্ৰত্যেকগৰাকী নাগৰিকে পৰিৱেশ অনুকূল জীৱনশৈলী গ্ৰহণ কৰাটোও সমানেই গুৰুত্বপূৰ্ণ। জলবায়ু পৰিৱৰ্তনে সৃষ্টি কৰা পৰিৱেশিক অসমতাই মানৱ সমাজত ব্যাপক প্ৰভাৱ পেলাইছে। জৈৱ-বৈচিত্ৰ্যৰ বিলুপ্তি, নিৰ্ভৰযোগ্য খোৱাপানীৰ উৎস হ্ৰাস আৰু ক্ৰমবৰ্ধমান ভূমি অৱক্ষয়ে খাদ্য আৰু পানীৰ নিৰাপত্তালৈ ঘোৰ ভাবুকি কঢ়িয়াই আনিছে। বিশেষকৈ জলসংকটত ভোগা অঞ্চলসমূহৰ বাবে ৰাষ্ট্ৰপতিগৰাকীয়ে আঙুলিয়াই দিয়া টেকসই কৃষি পদ্ধতি— অৰ্থাৎ কম মাটিত আধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰি অধিক উৎপাদন কৰা ব্যৱহাৰোপযোগী হৈ পৰিব পাৰে। জলবায়ু-অনুকূল কৃষি (Climate-smart agriculture) আৰু টোপাল জলসিঞ্চনৰ দৰে প্ৰযুক্তিৰ বহুল প্ৰচাৰে খৰাংপীড়িত অঞ্চলৰ কৃষকসকলক আত্মনিৰ্ভৰশীল কৰি তোলাত সহায় কৰিব।

পৰিৱেশ সুৰক্ষা আৰু জৈৱ-পৰিবেশিক ন্যায় প্ৰদানৰ ক্ষেত্ৰত আইনী তথা নীতিগত আন্তঃগাঁথনিৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। এই সন্দৰ্ভত ৰাষ্ট্ৰীয় সেউজ প্ৰাধিকৰণৰ (NGT) কাৰ্যপন্থা শ্ৰেষ্ঠ উদাহৰণ। অনাময় ব্যৱস্থাৰ সংস্কাৰ, বায়ুৰ গুণগত মান উন্নয়ন আৰু নদীসমূহৰ জৈৱিক স্বাস্থ্য পুনৰুদ্ধাৰ কৰাত ৰাষ্ট্ৰীয় সেউজ প্ৰাধিকৰণে গ্ৰহণ কৰা সক্ৰিয় ভূমিকা সঁচাকৈয়ে প্ৰশংসনীয়। অৱশ্যে, আইনী বাধ্যবাধকতা আৰু আইনী প্ৰাধিকৰণৰ সক্ৰিয়তাৰ উপৰিও শক্তি মন্ত্ৰালয়, গৃহ আৰু নগৰ উন্নয়ন মন্ত্ৰালয়ৰ দৰে চৰকাৰী বিভাগসমূহৰ নীতিৰ সৈতে পৰিৱেশ সংৰক্ষণৰ দিশটো সুসংহত কৰাটো সমানেই আৱশ্যক। নগৰীকৰণৰ সমান্তৰালভাৱে সেউজ আৱৰণ ৰক্ষা কৰা আৰু নৱীকৰণযোগ্য শক্তিৰ ব্যৱহাৰ বৃদ্ধি কৰাটো প্ৰশাসনৰ প্ৰথম অগ্ৰাধিকাৰ হ’ব লাগে। অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰসংগতো এই সুসংহত কাৰ্যপ্ৰণালীৰ প্ৰয়োজনীয়তা অপৰিসীম। পাহাৰ খহা, নদীৰ গৰাখহনীয়া, ক্ৰমবৰ্ধমান উত্তাপ আৰু অস্বাভাৱিক বৰষুণৰ ধাৰাই সমগ্ৰ অঞ্চলটোৰ পৰিৱেশ আৰু অৰ্থনীতি বিপন্ন কৰি তুলিছে। গতিকে, বিশ্বজনীন চিন্তা আৰু স্থানীয় কাৰ্যপন্থাৰ সমন্বয় ঘটাই আমাৰ নীতি নিৰ্ধাৰকসকলে সুদূৰপ্ৰসাৰী পৰিকল্পনা হাতত ল’ব লাগিব।

জলবায়ু পৰিৱৰ্তনৰ সংগ্ৰামখন কেৱল চৰকাৰ বা আদালতৰ দায়িত্ব নহয়; ই এক সামূহিক দায়িত্ব। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ আহ্বানে সকলো পক্ষকে সজাগ কৰাৰ লগতে এক সুসংহত পৰিকল্পনাৰে পৃথিৱীক পৰৱৰ্তী প্ৰজন্মৰ বাবে বাসযোগ্য কৰি ৰখাৰ বাবে পুনৰ প্ৰতিশ্ৰুতিবদ্ধ হ’বলৈ বাধ্য কৰিছে। চৰকাৰী নীতি, আইনী সুৰক্ষা, আধুনিক প্ৰযুক্তি আৰু জনসাধাৰণৰ ভাগিদাৰীৰে গঠিত এক সুসংহত কাৰ্যপ্ৰণালীয়েহে মানৱ জাতিক এই বিৰাট সংকটৰ পৰা ৰক্ষা কৰিব পাৰিব।

# মাৰ্কশ্বিট সৰ্বস্ব সফলতা কিছু প্ৰাসংগিক চিন্তা

*জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হ’ল মানৱীয় মূল্যবোধ আৰু চৰিত্ৰ গঠন, যিটো কোনো মাৰ্কশ্বিট বা প্ৰমাণপত্ৰত উল্লেখ নাথাকে। আমাৰ সমাজত উচ্চ শিক্ষিত কিন্তু দুৰ্নীতিগ্ৰস্ত বা অসামাজিক কামত লিপ্ত ব্যক্তিৰ অভাৱ নাই। ইয়ে প্ৰমাণ কৰে যে কেৱল ভাল নম্বৰ পোৱাটোৱেই এজন মানুহক ভাল মানুহ কৰি নোতোলে। প্ৰকৃত শিক্ষা সেইটোহে যিয়ে মানুহৰ মনত সহানুভূতি, দয়া, সততা আৰু দেশপ্ৰেমৰ ভাৱ জগাই তোলে। আমাক এনে এটা প্ৰজন্মৰ প্ৰয়োজন যিয়ে কেৱল নিজৰ কেৰিয়াৰ বা ধন-সম্পদৰ কথা নাভাবি সমাজৰ দুৰ্বল শ্ৰেণীৰ কথা ভাবিব পাৰে। যিয়ে পৰিৱেশৰ প্ৰতি সচেতন হ’ব আৰু যিয়ে অন্যায়ৰ বিৰুদ্ধে মাত মাতিব পাৰিব। এই গুণবোৰ আয়ত্ত কৰিবলৈ কোনো নিৰ্দিষ্ট পাঠ্যপুথি বা কোচিং ক্লাছৰ প্ৰয়োজন নাই। ই আহে আমাৰ পৰিয়ালৰ শিক্ষা, আমাৰ সমাজৰ পৰিৱেশ আৰু আমাৰ নিজৰ বিবেকৰ পৰা। মাৰ্কশ্বিটত কম নম্বৰ পোৱা ল’ৰা বা ছোৱালীজনো যদি সৎ আৰু পৰোপকাৰী হয়, তেন্তে তেওঁ সমাজৰ বাবে এজন শ্ৰেষ্ঠ সম্পদ। বিপৰীতে, সকলো বিষয়ত লেটাৰ মাৰ্ক পোৱা ছাত্ৰজনো যদি স্বাৰ্থপৰ আৰু অহংকাৰী হয়, তেন্তে তেওঁৰ শিক্ষা সমাজৰ বাবে বোজা স্বৰূপ।*



হিমাংশু ৰণ্জন ভূঞা

বৰ্তমানৰ সমাজ ব্যৱস্থাত শিক্ষা আৰু সফলতাৰ ধাৰণাটো এক জটিল সন্ধিক্ষণত আহি উপনীত হৈছে, য’ত এজন ব্যক্তিৰ সামগ্ৰিক পৰিচয় আৰু সম্ভাৱনাক মাত্ৰ পৰীক্ষাৰ মাৰ্কশ্বিটৰ মাজত আৱদ্ধ কৰি ৰখাৰ এক মাৰাত্মক প্ৰৱণতা গঢ় লৈ উঠিছে। ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি অভিভাৱক, শিক্ষক আৰু সমাজৰ প্ৰতিটো স্তৰতে নম্বৰৰ প্ৰতি থকা এই অন্ধ মোহে নতুন প্ৰজন্মৰ মানসিক জগতখনত এক গভীৰ সংকটৰ সৃষ্টি কৰিছে। আমি গভীৰভাৱে চিন্তা কৰা উচিত যে মানুহৰ জীৱন নামৰ এই বিশাল, বৈচিত্ৰ্যময় আৰু অসীম সম্ভাৱনাৰে ভৰপূৰ যাত্ৰাটিৰ মূল্য কেৱল এখন মাৰ্কশ্বিটত ছপা হোৱা কেইটামান সংখ্যাৰ দ্বাৰা নিৰ্ধাৰণ কৰা সম্ভৱ নে? এই প্ৰশ্নটো আজিৰ সময়ত কেৱল ছাত্ৰ সমাজৰ বাবেই নহয়, বৰঞ্চ সমগ্ৰ মানৱ জাতিৰ মানসিক বিকাশৰ স্বাৰ্থত উত্থাপন হোৱা অত্যন্ত জৰুৰী। পৰীক্ষা ব্যৱস্থাটো আৱিষ্কাৰ কৰা হৈছিল ছাত্ৰ-ছাত্ৰীৰ এটা নিৰ্দিষ্ট সময়ৰ অধ্যয়ন আৰু বোধগম্যতাৰ মূল্যায়ন কৰিবলৈ, কিন্তু কালক্ৰমত ই এক সৰ্বগ্ৰাসী দানৱৰ ৰূপ ধাৰণ কৰিছে যিয়ে আমাৰ সৃজনীশীলতা, স্বাভাৱিক প্ৰবৃত্তি আৰু জীয়াই থকাৰ আনন্দক গ্ৰাস কৰি পেলাইছে। যেতিয়া আমি নম্বৰক যোগ্যতাৰ একমাত্ৰ মাপকাঠি বুলি মানি লওঁ, তেতিয়া আমি মানুহৰ বহুমাত্ৰিক প্ৰতিভাক অস্বীকাৰ কৰোঁ আৰু এখন যান্ত্ৰিক সমাজ গঢ়াৰ দিশে আগবাঢ়ি যাওঁ।

বৰ্তমান সময়ত আমাৰ শিক্ষা ব্যৱস্থাৰ মূল গঠন প্ৰক্ৰিয়াটো এনেধৰণৰ যে ই কেৱল মগজুৰ স্মৃতিশক্তি আৰু তথ্য সংৰক্ষণৰ ক্ষমতাৰ ওপৰত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰে। শ্ৰেণীকোঠাত পঢ়ুৱা নিৰ্দিষ্ট পাঠ্যক্ৰমৰ বিষয়বস্তু যিয়ে যিমান নিখুঁতভাৱে পৰীক্ষাৰ বহীত উজাৰি দিব পাৰে, তেওঁকেই মেধাৱী বা শ্ৰেষ্ঠ বুলি স্বীকৃতি দিয়া হয়। কিন্তু মানৱ মগজুৰ ক্ষমতা কেৱল তথ্য মনত ৰখা বা মুখস্থ কৰাৰ মাজতে সীমাবদ্ধ নহয়। বুদ্ধিমত্তাৰ বহুতো ভিন্ন ৰূপ আছে যিবোৰ আমাৰ পৰম্পৰাগত পৰীক্ষা পদ্ধতিতে জোখা নহয়। কাৰোবাৰ বাবে গাণিতিক সমস্যা সমাধান কৰাটো সহজ হ’ব পাৰে, আন কাৰোবাৰ বাবে ভাষাৰ জৰিয়তে মনৰ ভাৱ প্ৰকাশ কৰাটো বেছি স্বাভাৱিক হ’ব পাৰে। আকৌ কোনোবাই চিত্ৰশিল্প, সংগীত বা খেলা-ধূলাৰ জৰিয়তে নিজৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰিব পাৰে। কিন্তু পৰিতাপৰ বিষয় যে আমাৰ মাৰ্কশ্বিট সৰ্বস্ব ব্যৱস্থাত এই ভিন্নধৰণৰ প্ৰতিভাসমূহক উপযুক্ত সন্মান বা স্বীকৃতি দিয়া নহয়। যেতিয়া এজন ছাত্ৰই নিজৰ ৰুচি বা আগ্ৰহৰ বিপৰীতে গৈ কেৱল নম্বৰৰ বাবে সংগ্ৰাম কৰিবলগীয়া হয়, তেতিয়া তেওঁৰ অন্তৰ্নিহিত প্ৰতিভা লাহে লাহে মৰহি যায়। এখন মাৰ্কশ্বিটে কেতিয়াও জোখিব নোৱাৰে যে এজন ব্যক্তিৰ নেতৃত্ব দিয়াৰ ক্ষমতা কিমান, তেওঁৰ সংকটৰ সময়ত সিদ্ধান্ত লোৱাৰ দক্ষতা কিমান বা তেওঁৰ মানুহৰ সৈতে মিলি কাম কৰাৰ মানসিকতা কেনেকুৱা। অথচ বাস্তৱ জগতত সফলতা লাভ কৰিবলৈ এই ব্যৱহাৰিক গুণবোৰৰ প্ৰয়োজন পুথিগত বিদ্যাতকৈ বহু বেছি। গতিকে নম্বৰৰ আধাৰত কোনোবাক বিচাৰ কৰাটো এক অসম্পূৰ্ণ আৰু ভ্ৰান্ত ধাৰণা, যিয়ে বহু সম্ভাৱনাপূৰ্ণ জীৱনক অকালতে হতাশাৰ অন্ধকাৰলৈ ঠেলি দিয়ে।

নতুন প্ৰজন্মৰ বাবে আটাইতকৈ চিন্তনীয় বিষয়টো হ’ল সমাজ আৰু পৰিয়ালৰ পৰা অহা নম্বৰকেন্দ্ৰিক মানসিক চাপ। শিশু এটিৰ জন্মৰ লগে লগে যেন এক অঘোষিত প্ৰতিযোগিতা আৰম্ভ হয়। প্ৰতিজন অভিভাৱকে বিচাৰে তেওঁলোকৰ সন্তান সৰ্বশ্ৰেষ্ঠ হ’ব লাগিব, কিন্তু এই শ্ৰেষ্ঠত্বৰ সংজ্ঞা তেওঁলোকে কেৱল মাৰ্কশ্বিটৰ নম্বৰৰ মাজত বিচাৰি পায়। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ বাবে পঢ়াতকৈ অভিভাৱকৰ মুখত হাঁহি বিৰিকাবলৈ বা সমাজত নিজৰ স্থান অটুট ৰাখিবলৈহে বেছিকৈ পঢ়া-শুনা কৰা পৰিলক্ষিত হয়। এই ধাৰাবাহিক চাপে তেওঁলোকৰ মানসিক স্বাস্থ্যত ভয়াৱহ প্ৰভাৱ পেলায়। বিফলতাৰ ভয়, পাছ পৰি যোৱাৰ শংকা আৰু আনৰ লগত নিজকে তুলনা কৰাৰ প্ৰৱণতাই তেওঁলোকৰ সৰল শৈশৱ আৰু কৈশোৰক বিষাক্ত কৰি তোলে। বহু সময়ত দেখা যায় যে পৰীক্ষাত আশানৰূপ ফলাফল নোপোৱাৰ বাবে বহু কিশোৰ-কিশোৰীয়ে আত্মহননৰ দৰে চৰম পথো বাছি লয়। ই এক অত্যন্ত দুৰ্ভাগ্যজনক আৰু সামাজিকভাৱে লজ্জাজনক পৰিস্থিতি। আমি এই কথা বুজিবলৈ ব্যৰ্থ হৈছোঁ যে জীৱনটো মাৰ্কশ্বিটৰ নম্বৰতকৈ বহু বেছি মূল্যবান। এটা পৰীক্ষাৰ ফলাফলে কেতিয়াও এজন ব্যক্তিৰ সমগ্ৰ ভৱিষ্যত নিৰ্ণয় কৰিব নোৱাৰে। জীৱনৰ বাটত বহুতো পৰীক্ষা আহে আৰু যায়, কিন্তু নিজকে জীয়াই ৰখাৰ সাহস আৰু মানসিক শক্তি অটুট ৰখাটোহে আচল কথা। সমাজৰ এই বিকৃত মানসিকতা পৰিৱৰ্তন কৰাৰ সময় সমাগত, নহলে আমি এটা হতাশগ্ৰস্ত আৰু মানসিকভাৱে পংগু প্ৰজন্ম গঢ়ি তুলিম।

কিন্তু শিক্ষা আচলতে কি? শিক্ষা মানে হ’ল জনাৰ আগ্ৰহ, অজানাক জানিবলৈ কৰা প্ৰয়াস আৰু নিজৰ চৰিত্ৰ গঠন। কিন্তু মাৰ্কশ্বিট সৰ্বস্ব শিক্ষাই এই মূল উদ্দেশ্যৰ পৰা আমাক বহু দূৰলৈ লৈ গৈছে। আজিৰ শিক্ষাৰ্থীসকলে জ্ঞান আহৰণৰ আনন্দ অনুভৱ কৰাৰ সলনি পৰীক্ষাৰ কৌশল আয়ত্ত কৰাতহে বেছি মনোনিৱেশ কৰে। কি প্ৰশ্ন পৰীক্ষাত আহিব, কিদৰে লিখিলে বেছি নম্বৰ পোৱা যাব- এই চিন্তাই তেওঁলোকৰ জ্ঞানপিপাসু মনটো আৱদ্ধ কৰি ৰাখে। ইয়াৰ ফলত তেওঁলোকৰ গভীৰ চিন্তা কৰাৰ শক্তি আৰু বিশ্লেষণাত্মক ক্ষমতা লোপ পায়। তেওঁলোকে কেৱল পৰীক্ষাৰ বাবে প্ৰস্তুত হয়, জীৱনৰ বাবে নহয়। কিন্তু জীৱন নামৰ পাঠশালাখনত কোনো নিৰ্দিষ্ট পাঠ্যক্ৰম বা পৰীক্ষাৰ ৰুটিন নাথাকে। ইয়াত প্ৰতিটো মুহূৰ্ততে নতুন নতুন প্ৰত্যাহ্বান আৰু সমস্যাৰ সন্মুখীন হ’ব লগা হয়, যাৰ সমাধান কোনো পাঠ্যপুথিত লিখা নাথাকে। সেই সময়ত কামত আহে আমাৰ উপস্থিত বুদ্ধি, ধৈৰ্য, আৰু অভিজ্ঞতাৰ পৰা পোৱা শিক্ষা। যিজন ছাত্ৰই কেৱল নম্বৰৰ পাছত দৌৰিছে, তেওঁ হয়তো এই অনাকাংক্ষিত পৰিস্থিতিবোৰ মোকাবিলা কৰিবলৈ অপাৰগ হ’ব পাৰে। আনহাতে, যিজন ছাত্ৰই নম্বৰতকৈ বাস্তৱ জ্ঞানক গুৰুত্ব দিছে, তেওঁ জীৱনৰ যিকোনো কঠিন পৰিস্থিতিত নিজকে খাপ খুৱাই ল’ব পাৰিব। সেয়েহে নতুন প্ৰজন্মই বুজি পোৱা উচিত যে শ্ৰেণীকোঠাৰ চাৰিবেৰৰ বাহিৰৰ পৃথিৱীখনত শিকিবলগীয়া আৰু জানিবলগীয়া বহু কথা আছে যিবোৰ মাৰ্কশ্বিটতকৈও অধিক গুৰুত্বপূৰ্ণ।

সৃজনীশীলতা আৰু উদ্ভাৱনী শক্তি হ’ল মানৱ সভ্যতাৰ অগ্ৰগতিৰ মূল চালিকাশক্তি। পৃথিৱীৰ যিমানবোৰ যুগান্তকাৰী আৱিষ্কাৰ বা সৃষ্টি হৈছে, সেইবোৰ কোনো গতানুগতিক চিন্তাৰ ফচল নহয়। সেইবোৰ আছিল এনে কিছুমান ব্যক্তিৰ কষ্টৰ ফল যিসকলে প্ৰচলিত ধাৰাৰ বাহিৰলৈ গৈ চিন্তা কৰাৰ সাহস কৰিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ, আমাৰ বৰ্তমানৰ নম্বৰকেন্দ্ৰিক ব্যৱস্থাই এই ভিন্নধৰণৰ চিন্তাধাৰাক উৎসাহ যোগোৱাৰ পৰিৱৰ্তে দমনহে কৰে। পৰীক্ষাত নতুনত্বৰ বাবে কোনো স্থান নাই, তাত কেৱল পাঠ্যপুথিৰ হুবহু উত্তৰ বিচৰা হয়। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীৰ মনত থকা অসাধাৰণ উদ্ভাৱনী চিন্তাবোৰ অংকুৰতে বিনষ্ট হয়। আমি মনত ৰাখিব লাগিব যে এখন সমাজে কেৱল কেৰাণী বা বিষয়াৰ প্ৰয়োজন পূৰণ কৰিলেই নহয়; সমাজক আগুৱাই নিবলৈ লাগে শিল্পী, সাহিত্যিক, বিজ্ঞানী, সমাজকৰ্মী আৰু নতুন চিন্তাৰ বাৰ্তাবাহক। মাৰ্কশ্বিটৰ নম্বৰে এই সৃষ্টিশীল সত্তাবোৰৰ পৰিচয় দিব নোৱাৰে। বৰঞ্চ বহু ক্ষেত্ৰত দেখা যায় যে শৈক্ষিক জীৱনত মধ্যমীয়া ফলাফল প্ৰদৰ্শন কৰা ব্যক্তিসকলেই পৰৱৰ্তী সময়ত নিজৰ বিশেষ ক্ষেত্ৰসমূহত অসামান্য অৱদান আগবঢ়াইছে। ইয়াৰ কাৰণ হ’ল তেওঁলোকে নম্বৰৰ দৌৰত নিজৰ আচল আগ্ৰহ আৰু প্ৰতিভাক হেৰুৱাই পেলোৱা নাছিল। নতুন প্ৰজন্মই নিজৰ ভিতৰত থকা এই সুপ্ত প্ৰতিভাক কেতিয়াও মাৰ্কশ্বিটৰ তুলাচনীৰে জুখিব নালাগে। নিজৰ সৃষ্টিশীলতাক বিশ্বাস কৰক আৰু তাক বিকশিত কৰাৰ বাবে নিৰালস্য প্ৰচেষ্টা চলাই যাওক, কাৰণ ভৱিষ্যতে এই সৃষ্টিশীলতাই আপোনাক আনৰ পৰা পৃথক কৰি তুলিব।

কৰ্মজীৱন আৰু পেছাগত সফলতাৰ ক্ষেত্ৰতো কেৱল শৈক্ষিক অৰ্হতা বা মাৰ্কশ্বিটৰ গুৰুত্ব ক্ৰমান্বয়ে হ্ৰাস পাই আহিছে। এখন ডিগ্ৰী বা ডিপ্লোমা হয়তো আপোনাক চাকৰিৰ বাবে আবেদন কৰাৰ সুযোগ দিব পাৰে, বা কোনো প্ৰতিষ্ঠানৰ দুৱাৰলৈকে লৈ যাব পাৰে, কিন্তু সেই স্থানত বৰ্তি থাকিবলৈ বা উন্নতি কৰিবলৈ আপোনাক লাগিব দক্ষতা আৰু ব্যক্তিত্ব। আধুনিক কৰ্পৰেট জগত হওক বা চৰকাৰী প্ৰশাসনেই হওক বা নিজস্ব ব্যৱসায়েই হওক, সকলোতে এতিয়া সমস্যা সমাধানৰ দক্ষতা, দলীয় সমন্বয়, যোগাযোগৰ দক্ষতা আৰু আৱেগিক বুদ্ধিমত্তাৰ (Emotional Intelligence) ওপৰত অধিক গুৰুত্ব দিয়া হয়। এজন ব্যক্তি যদি ৯৯ শতাংশ নম্বৰ পাই উত্তীৰ্ণ হয় কিন্তু তেওঁৰ ব্যৱহাৰ-পাতি ভাল নহয়, বা তেওঁ আনৰ লগত মিলা-প্ৰীতিৰে কাম কৰিব নোৱাৰে, তেন্তে তেওঁৰ সেই মাৰ্কশ্বিটখনৰ কোনো ব্যৱহাৰিক মূল্য নাই। আনহাতে, এজন সাধাৰণ ছাত্ৰই যদি কঠোৰ পৰিশ্ৰম, সততা আৰু নিষ্ঠাৰে কাম কৰে, তেন্তে তেওঁ যিকোনো ক্ষেত্ৰতে শীৰ্ষস্থান দখল কৰিব পাৰে। বৰ্তমান সময়ত নিয়োগকৰ্তাসকলে মুখস্থ বিদ্যাতকৈ প্ৰায়োগিক জ্ঞানক বেছি প্ৰাধান্য দিয়ে। তেওঁলোকে বিচাৰে এনে মানুহ যিয়ে কেৱল কিতাপৰ কথা আওৰাই নাথাকে, বৰঞ্চ বাস্তৱ জগতৰ সমস্যাবোৰৰ ব্যৱহাৰিক সমাধান উলিয়াব পাৰে। গতিকে ছাত্ৰ-ছাত্ৰীসকলে কেৱল নম্বৰ বঢ়োৱাৰ চিন্তাত মগ্ন নাথাকি নিজৰ ব্যক্তিত্ব বিকাশ আৰু দক্ষতা বৃদ্ধিৰ ওপৰতো সমানে গুৰুত্ব দিয়া উচিত।

জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হ’ল মানৱীয় মূল্যবোধ আৰু চৰিত্ৰ গঠন, যিটো কোনো মাৰ্কশ্বিট বা প্ৰমাণপত্ৰত উল্লেখ নাথাকে। আমাৰ সমাজত উচ্চ শিক্ষিত কিন্তু দুৰ্নীতিগ্ৰস্ত বা অসামাজিক কামত লিপ্ত ব্যক্তিৰ অভাৱ নাই। ইয়ে প্ৰমাণ কৰে যে কেৱল ভাল নম্বৰ পোৱাটোৱেই এজন মানুহক ভাল মানুহ কৰি নোতোলে। প্ৰকৃত শিক্ষা সেইটোহে যিয়ে মানুহৰ মনত সহানুভূতি, দয়া, সততা আৰু দেশপ্ৰেমৰ ভাৱ জগাই তোলে। আমাক এনে এটা প্ৰজন্মৰ প্ৰয়োজন যিয়ে কেৱল নিজৰ কেৰিয়াৰ বা ধন-সম্পদৰ কথা নাভাবি সমাজৰ দুৰ্বল শ্ৰেণীৰ কথা ভাবিব পাৰে। যিয়ে পৰিৱেশৰ প্ৰতি সচেতন হ’ব আৰু যিয়ে অন্যায়ৰ বিৰুদ্ধে মাত মাতিব পাৰিব। এই গুণবোৰ আয়ত্ত কৰিবলৈ কোনো নিৰ্দিষ্ট পাঠ্যপুথি বা কোচিং ক্লাছৰ প্ৰয়োজন নাই। ই আহে আমাৰ পৰিয়ালৰ শিক্ষা, আমাৰ সমাজৰ পৰিৱেশ আৰু আমাৰ নিজৰ বিবেকৰ পৰা। মাৰ্কশ্বিটত কম নম্বৰ পোৱা ল’ৰা বা ছোৱালীজনো যদি সৎ আৰু পৰোপকাৰী হয়, তেন্তে তেওঁ সমাজৰ বাবে এজন শ্ৰেষ্ঠ সম্পদ। বিপৰীতে, সকলো বিষয়ত লেটাৰ মাৰ্ক পোৱা ছাত্ৰজনো যদি স্বাৰ্থপৰ আৰু অহংকাৰী হয়, তেন্তে তেওঁৰ শিক্ষা সমাজৰ বাবে বোজা স্বৰূপ। গতিকে নতুন প্ৰজন্মই নম্বৰৰ লগতে নিজৰ চৰিত্ৰ গঠনৰ প্ৰতিও সজাগ হোৱা উচিত, কাৰণ শেষত মানুহ হিচাপে আমি কিমান সফল, সেয়াই আচল পৰিচয়।

বিফলতা জীৱনৰ এটা অপৰিহাৰ্য অংশ আৰু ই কেতিয়াও সমাপ্তি নহয়। আমাৰ সমাজত বিফলতাক বা কম নম্বৰ পোৱাক এনেদৰে দেখা হয় যেন ই এটা ডাঙৰ অপৰাধ। এই দৃষ্টিভংগীয়ে ছাত্ৰ-ছাত্ৰীৰ আত্মবিশ্বাস ভাঙি পেলায়। কিন্তু প্ৰকৃততে বিফলতা হ’ল সফলতাৰ প্ৰথম খোজ। মাৰ্কশ্বিটত কম নম্বৰ পোৱা মানে এইটো নহয় যে আপুনি যোগ্য নহয়; ইয়াৰ অৰ্থ কেৱল এয়াই যে সেই নিৰ্দিষ্ট সময়ত বা সেই নিৰ্দিষ্ট পদ্ধতিৰে আপোনাৰ মূল্যায়ন সঠিক হোৱা নাই, বা আপুনি আৰু অলপ বেছি যত্ন কৰাৰ প্ৰয়োজন আছে। বিশ্বৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে বহু মহান ব্যক্তি তেওঁলোকৰ শৈক্ষিক জীৱনত বাৰে বাৰে বিফল হৈছিল, কিন্তু তেওঁলোকে কেতিয়াও হাৰ মনা নাছিল। তেওঁলোকে সেই বিফলতাৰ পৰা শিক্ষা লৈ নিজকে শুধৰাই লৈছিল আৰু দুগুণ উৎসাহেৰে কামত লাগিছিল। মাৰ্কশ্বিটৰ নম্বৰবোৰ সলনি কৰিব নোৱাৰি, কিন্তু নিজৰ ভৱিষ্যত সলনি কৰাৰ ক্ষমতা আমাৰ নিজৰ হাতত থাকে। যিসকলে এটা পৰীক্ষাৰ ফলাফলক জীৱনৰ শেষ বুলি ভাবি লয়, তেওঁলোকে নিজৰ ওপৰত অন্যায় কৰে। নতুন প্ৰজন্মই মনত ৰখা উচিত যে জিকাতকৈ যুঁজ দিয়াটো বেছি গুৰুত্বপূৰ্ণ। পৰীক্ষাৰ ফলাফলে যদি আপোনাক আঘাত দিছে, তেন্তে সেই আঘাতক শক্তি হিচাপে ব্যৱহাৰ কৰক। নিজকে প্ৰমাণ কৰিবলৈ মাৰ্কশ্বিটৰ প্ৰয়োজন নাই, আপোনাৰ কাম আৰু সফলতাই এদিন নিজে কথা ক’ব।

মানসিক শান্তি আৰু সুখৰ সন্ধানত আমি সৰ্বস্ব ত্যাগ কৰিবলৈ প্ৰস্তুত হওঁ, কিন্তু দুৰ্ভাগ্যবশতঃ আজিৰ নম্বৰকেন্দ্ৰিক দৌৰত এই দুটা বস্তুৱেই আটাইতকৈ বেছি দুৰ্লভ হৈ পৰিছে। ছাত্ৰাৱস্থাটো জীৱনৰ আটাইতকৈ সুন্দৰ সময় হোৱা উচিত আছিল, য’ত থাকিব লাগে নতুনক জনাৰ হেঁপাহ, বন্ধুত্বৰ আনন্দ আৰু সপোন দেখাৰ স্বাধীনতা। কিন্তু মাৰ্কশ্বিটৰ বোজাই এই আনন্দ কাঢ়ি লৈ গৈছে। ৰাতিপুৱাৰ পৰা ৰাতিলৈকে কেৱল পঢ়া, টিউচন আৰু পৰীক্ষাৰ চিন্তাই তেওঁলোকক যন্ত্ৰলৈ ৰূপান্তৰিত কৰিছে। ইয়াৰ ফলত তেওঁলোকৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ অৱনতি ঘটিছে। আমি বুজিব লাগিব যে এটা সুস্থ শৰীৰ আৰু এটা প্ৰফুল্ল মন অবিহনে কোনো সফলতাই স্থায়ী নহয়। যদি ভাল নম্বৰ পোৱাৰ বিনিময়ত আমি আমাৰ মানসিক ভাৰসাম্য হেৰুৱাই পেলাওঁ, তেন্তে সেই সফলতাৰ কোনো মূল্য নাই। জীৱনটো এটা মাৰাথন দৌৰৰ দৰে, ইয়াত কেৱল বেগেৰে দৌৰিলেই নহ’ব, দীৰ্ঘদিনলৈ দৌৰি থকাৰ শক্তিও লাগিব। সেই শক্তি আহে মানসিক প্ৰশান্তি আৰু জীৱনক উপভোগ কৰাৰ মানসিকতাৰ পৰা। অভিভাৱকসকলেও তেওঁলোকৰ সন্তানক কেৱল নম্বৰৰ বাবে হেঁচা নিদি তেওঁলোকৰ মানসিক অৱস্থাৰ প্ৰতিও গুৰুত্ব দিয়া উচিত। এটা সুখী সন্তানেহে ভৱিষ্যতে এখন সুখী সমাজ গঢ়িব পাৰে।

এটা কথা অতি গুৰুত্বপূৰ্ণ যে, মাৰ্কশ্বিটৰ সংখ্যাবোৰৰ উৰ্ধত গৈ আমি জীৱনক এক সামগ্ৰিক দৃষ্টিভংগীৰে চোৱা উচিত। জীৱন মানে কেৱল কেৰিয়াৰ বা ধন উপাৰ্জন নহয়; ই হ’ল সম্পৰ্ক, অভিজ্ঞতা, আৱেগ আৰু অনুভৱৰ এক সমাহাৰ। যেতিয়া আমি বৃদ্ধ হ’ম, তেতিয়া আমাৰ মাৰ্কশ্বিটৰ নম্বৰবোৰ কোনেও মনত নাৰাখিব, মনত থাকিব আমি মানুহৰ লগত কেনে ব্যৱহাৰ কৰিছিলো, আমি সমাজলৈ কি অৱদান আগবঢ়াইছিলো আৰু আমি নিজৰ জীৱনটো কিমান তৃপ্তিৰে জীয়াইছিলো। সেয়েহে বৰ্তমানৰ এই নম্বৰকেন্দ্ৰিক মানসিকতাৰ পৰা ওলাই অহাটো আমাৰ সকলোৰে দায়িত্ব। নতুন প্ৰজন্মক আমি শিকাব লাগিব যে তেওঁলোকৰ মূল্য এখন কাগজৰ টুকুৰাতকৈ বহু বেছি। তেওঁলোকৰ প্ৰতিটো সপোন, প্ৰতিটো প্ৰচেষ্টা আৰু প্ৰতিটো সৰু সৰু সফলতাই গুৰুত্বপূৰ্ণ। মাৰ্কশ্বিটৰ নম্বৰে যাতে তেওঁলোকৰ আত্মবিশ্বাসক কেতিয়াও লৰাব নোৱাৰে, তাৰ বাবে তেওঁলোকক মানসিকভাৱে শক্তিশালী কৰি তুলিব লাগিব। শিক্ষা ব্যৱস্থাতো আমূল পৰিৱৰ্তনৰ প্ৰয়োজন যাতে ই কেৱল তথ্য ভৰোৱা ভঁৰাল নহৈ জ্ঞান আৰু প্ৰজ্ঞাৰ উৎস হৈ পৰে। মূল্যায়ন পদ্ধতি এনে হোৱা উচিত যাতে ই ছাত্ৰৰ দুৰ্বলতা খুচৰি উলিওৱাতকৈ তেওঁৰ সবল দিশবোৰক পোহৰলৈ আনে।

প্ৰতিজন ব্যক্তিৰে জীৱনত এক বিশেষ লক্ষ্য আৰু উদ্দেশ্য থাকে। সেই উদ্দেশ্যক কেৱল পৰীক্ষাৰ ফলাফলেৰে জুখিব নোৱাৰি। কোনোবাই ডাক্তৰ বা ইঞ্জিনিয়াৰ হ’ব বিচাৰে, কোনোবাই খেতিয়ক, কোনোবাই খেলুৱৈ বা কোনোবাই সমাজকৰ্মী হ’ব বিচাৰে। প্ৰতিটো বৃত্তিয়ে সমাজৰ বাবে সমানেই গুৰুত্বপূৰ্ণ। কিন্তু আমাৰ সমাজত কেৱল বেছি নম্বৰ পোৱা বৃত্তিবোৰকহে সন্মানৰ চকুৰে চোৱা হয়, যিটো একেবাৰেই গ্ৰহণযোগ্য নহয়। এই বৈষম্যমূলক মানসিকতাই ছাত্ৰ-ছাত্ৰীৰ মনত হীনমান্যতাৰ সৃষ্টি কৰে। আমি বুজি পোৱা উচিত যে এখন সমাজ চলিবলৈ সকলো ধৰণৰ মানুহৰ প্ৰয়োজন। এজন দক্ষ বাঢ়ৈৰ প্ৰয়োজনীয়তা এজন দক্ষ ইঞ্জিনিয়াৰতকৈ কোনো গুণে কম নহয়। যেতিয়া আমি সকলো কাম আৰু প্ৰতিভাক সমান সন্মান দিবলৈ শিকিম, তেতিয়াহে মাৰ্কশ্বিটৰ এই ভয়াৱহ প্ৰভাৱ কমিব। নতুন প্ৰজন্মই নিজৰ আগ্ৰহ আৰু দক্ষতাক বিশ্বাস কৰি নিজৰ পথ বাছি লোৱাৰ সাহস কৰিব লাগিব। সমাজৰ বাবে বা আনৰ কথাত ভোল গৈ নিজৰ সপোনক বিসৰ্জন দিয়াটো বুদ্ধিমানৰ কাম নহয়। নিজৰ কামত যি আনন্দ আৰু সন্তুষ্টি পোৱা যায়, সেয়াই হ’ল প্ৰকৃত সফলতা। নম্বৰ কেৱল এটা সংখ্যা, কিন্তু আত্মসন্তুষ্টি হ’ল জীৱনৰ প্ৰকৃত সম্পদ।

পৰিশেষত, এই কথা স্বীকাৰ কৰিবই লাগিব যে বৰ্তমানৰ প্ৰতিযোগিতামূলক যুগত মাৰ্কশ্বিটৰ এক ব্যৱহাৰিক প্ৰয়োজনীয়তা আছে। উচ্চ শিক্ষা বা চাকৰিৰ বাবে ই এক প্ৰাৰম্ভিক প্ৰয়োজনীয়তা হ’ব পাৰে। কিন্তু আমি এই কথা পাহৰিব নালাগে যে ই কেৱল এটা প্ৰৱেশদ্বাৰহে, গন্তব্যস্থান নহয়। দুৱাৰখন পাৰ হোৱাৰ পাছত আমাৰ যাত্ৰা কেনেকুৱা হ’ব, সেয়া নিৰ্ভৰ কৰিব আমাৰ জ্ঞান, দক্ষতা আৰু মানসিকতাৰ ওপৰত। মাৰ্কশ্বিটক জীৱনৰ কেন্দ্ৰবিন্দু কৰি লোৱাৰ পৰিৱৰ্তে ইয়াক জীৱনৰ এটা সৰু অংশ হিচাপে গণ্য কৰা উচিত। নতুন প্ৰজন্মৰ প্ৰতি আমাৰ আহ্বান — আপোনালোকে নিজকে নম্বৰৰ শিকলিৰে বান্ধি নাৰাখিব। আপোনালোকৰ সম্ভাৱনা অসীম। এখন কাগজৰ ফলাফলে আপোনালোকৰ পৰিচয় নিৰ্ধাৰণ কৰিব নোৱাৰে। বিফল হ’লেও হাৰ নামানিব, বৰঞ্চ নতুন উদ্যমেৰে আগবাঢ়িব। জগতত আপোনালোকৰ বাবে হাজাৰটা পথ খোলা আছে। কেৱল মাৰ্কশ্বিটৰ নম্বৰ চাই হতাশ হোৱাতকৈ নিজৰ দক্ষতা বৃদ্ধি কৰক, ভাল মানুহ হ’বলৈ চেষ্টা কৰক আৰু সমাজৰ বাবে কিবা এটা কৰাৰ সংকল্প লওক। জীৱনটো ইমান সস্তীয়া নহয় যে কেইটামান নম্বৰে ইয়াৰ মূল্য নিৰ্ধাৰণ কৰিব। জীৱনক ভালপাওক, নিজক বিশ্বাস কৰক আৰু আগুৱাই যাওক। মাৰ্কশ্বিটতকৈ আপোনাৰ জীৱনৰ কাহিনীটো যাতে বেছি ৰোমাঞ্চকৰ আৰু প্ৰেৰণাদায়ক হয়, তাৰ বাবে আজিৰ পৰাই প্ৰস্তুত হওক। কাৰণ, শেষ বিচাৰত নম্বৰ নহয়, আপোনাৰ কৰ্ম আৰু মানৱীয়তাইহে আপোনাক অমৰ কৰি ৰাখিব। জীৱনৰ এই সুন্দৰ যাত্ৰাত নম্বৰৰ বোজা পেলাই দি মুকলি মনেৰে উৰিবলৈ শিকাটোহে আচল জীৱন।

# সমাজৰ বাবে ৰেগিং এক ব্যাধি

ৰেগিং হৈছে নৱনিযুক্ত শিক্ষাৰ্থীসকলক শাৰীৰিক আৰু মানসিক ভাৱে আক্ৰমণ কৰা এক আচৰণ। এই আচৰণ ব্যৱস্থাই সমাজত গভীৰ সমস্যাৰ সৃষ্টি কৰা হিচাপে বিবেচিত হৈছে। বিশেষকৈ শিক্ষা প্ৰতিষ্ঠানত ৰেগিংয়ে নতুন শিক্ষাৰ্থীসকলৰ বাবে এক গভীৰ অভিজ্ঞতাৰ সৃষ্টি কৰে।

ৰেগিংৰ উৎপত্তি প্ৰাচীন সময়ৰ পৰা বুলি ক’ব পাৰি। কলেজ আৰু বিশ্ববিদ্যালয়ত শৃংখলাবদ্ধতা বা নতুন শিক্ষাৰ্থীসকলৰ প্ৰতি শ্ৰদ্ধাৰ অভাৱেই ৰেগিংৰ জন্ম দিয়ে। ইউৰোপ আৰু আমেৰিকাৰ উচ্চ শিক্ষা প্ৰতিষ্ঠানত এই প্ৰথা আৰম্ভ হৈছিল য’ত কনিষ্ঠ শিক্ষাৰ্থীসকলক জেষ্ঠাসকলৰ দ্বাৰা বিভিন্ন ধৰণৰ ধৈৰ্য পৰীক্ষা আনহাতে প্ৰহাৰৰ মাজেৰে পৰীক্ষিত কৰা হৈছিল। কিন্তু সময়ৰ সতে এই পৰিৱেশ সলনি হৈছে। ভাৰতৰ দৰে দেশতো ৰেগিংয়ে ভয়াবহ ৰূপ লৈছে য’ত শাৰীৰিক আৰু মানসিক দুয়োটা দিশৰ পৰা অত্যাচাৰ বঢ়াইছে।

বহুতে বিশ্বাস কৰে যে তেওঁলোকে নতুন শিক্ষাৰ্থীসকলৰ ওপৰত বলপূৰ্বক ভাৱে বেয়া আচৰণ প্ৰয়োগ কৰাৰ জৰিয়তে নিজৰ শক্তি আৰু সাহসৰ প্ৰমাণ দিব পাৰে। বহু সময়ত জেষ্ঠ শিক্ষাৰ্থীসকলে নিজৰ গোটক শক্তিশালী কৰাৰ বাবে নতুন শিক্ষাৰ্থীসকলক টানি আনি ৰেগিংত অংশ গ্ৰহণ কৰিবলৈ বাধ্য কৰাই। ইয়াৰ ফলত নতুন শিক্ষাৰ্থীসকলে দ’লৰ পৰা বিভেদ অনুভৱ কৰে। শিক্ষা প্ৰতিষ্ঠানৰ ভিতৰত ৰেগিং প্ৰথা এক ধৰণৰ সাংস্কৃতিক পৰিসৰত পৰিণত হৈছে। নতুন শিক্ষাৰ্থীসকলে এই আচৰণক স্বীকৃতি নিদিয়ে আৰু ইয়াক বাতিল কৰাটো প্ৰয়োজন বুলি অনুভৱ কৰে। কিছু ক্ষেত্ৰত অলাগতিয়াল প্ৰতিযোগিতাৰ চাপৰ বাবে শিক্ষাৰ্থীসকলৰ মাজত অমানৱিক আচৰণ বৃদ্ধি পায়। নতুন শিক্ষাৰ্থীসকলৰ ওপৰত অসৎ আচৰণৰ চাপ সৃষ্টি কৰি তেওঁলোকক অশান্তি কৰা হয়।



ৰেগিংৰ প্ৰভাৱ অত্যন্ত গভীৰ। ইয়াৰ ফলত নতুন শিক্ষাৰ্থীসকলৰ মানসিক, শাৰীৰিক আৰু সামাজিকভাৱে ক্ষতিগ্ৰস্ত হয়। ৰেগিংৰ বাবে নতুন শিক্ষাৰ্থীসকলৰ মানসিক চাপ, শাৰীৰিক অসুস্থতাৰ অনুভৱৰ শিক্ষা হয়। বহু সময়তে তেওঁলোক দুশ্চিন্তাগ্ৰস্ত, বিষাদগ্ৰস্ত আৰু আত্মবিশ্বাসহীন হৈ পৰে। ৰেগিংৰ বাবে শিক্ষাৰ্থীসকলৰ অধ্যয়নৰ প্ৰতি আগ্ৰহৰ হ্ৰাস পায়। তেওঁলোকে মানসিক আৰু শাৰীৰিক অশান্তিৰ বাবে বিদ্যালয়ত উপস্থিত হ’বলৈ ইচ্ছা নকৰে। মহাবিদ্যালয় তথা বিশ্ববিদ্যায়ৰ চৌহদৰপৰা বাহিৰ হ’লে ছাত্ৰ নিবাসত প্ৰৱেশ কৰাৰ ইচ্ছা প্ৰকাশ নকৰে। ঘৰত প্ৰৱেশ কৰিব পাৰিলে মহাবিদ্যালয় অন্যহাতে বিশ্ববিদ্যালয়ৰ চৌহদত প্ৰৱেশ কৰাৰ হেঁপাহ মৰহি যায়। ধৈৰ্য সীমা শেষ হ’লে সময় উকলি নাযাওঁতেই আবেগিক ভাৱে হওক বা খণ্ডতেই হওক ছাত্ৰ নিবাস ত্যাগ কৰা দেখা যায় আৰু ইয়াৰ ফলত তেওঁলোকৰ শিক্ষাৰ ক্ষতিগ্ৰস্ত হয়। ৰেগিংৰ ফলত নতুন শিক্ষাৰ্থীসকলে বন্ধুত্বৰ সুযোগ হেৰুৱাই পেলায়। তেওঁলোকে বিদ্যালয়ৰ পৰিৱেশৰে অনুভৱ কৰি চায়। কিছুমান ক্ষেত্ৰত ৰেগিংয়ে শাৰীৰিক আঘাতৰ দৰে ভয়ঙ্কৰ ফলও দেখুৱায়। কেতবোৰ ঘটনাত যিকোনো প্ৰকাৰে শিক্ষাৰ্থীসকলে আত্মহত্যাৰ পথকো গ্ৰহণ কৰে।

ৰেগিংৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা উচিত। শিক্ষা প্ৰতিষ্ঠানে এই সমস্যাটোৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে। শিক্ষা প্ৰতিষ্ঠানসমূহে ৰেগিংৰ ক্ষতিকাৰক প্ৰভাৱৰ বিষয়ে শিক্ষাৰ্থীসকলক সচেতন কৰিব লাগিব। আলোচনা, কাৰ্মশালা আৰু চেমিনাৰ আয়োজন কৰি এই বিষয়ে আলোচনা কৰিব লাগে। শিক্ষা প্ৰতিষ্ঠানসমূহে এটি সুনিৰ্দিষ্ট নীতি গ্ৰহণ কৰা উচিত যি ৰেগিংৰ প্ৰতি কঠোৰ দৃষ্টিভঙ্গীৰ আয়োজন কৰে। কোনো শিক্ষাৰ্থী যদি ৰেগিংৰ বশৱৰ্তী হয় তেন্তে তেওঁলোকো পিছলৈ সেই চৰ্চা কৰিবলৈ সক্ষম হ’ব। যিসকল শিক্ষাৰ্থীয়ে ৰেগিংৰ অভিজ্ঞতা লয় তেওঁলোকৰ বাবে পৰামৰ্শ আৰু মানসিক স্বাস্থ্য বিষয়ে জ্ঞান দিয়াৰ ব্যৱস্থা কৰক। তেওঁলোকক বিশেষজ্ঞৰ সৈতে আলোচনা কৰাৰ সুযোগ প্ৰদান কৰক। ৰেগিংৰ ঘটনাসমূহৰ ওপৰত আইনগত ব্যৱস্থা গ্ৰহণ কৰা উচিত। শিক্ষা প্ৰতিষ্ঠানসমূহে আইন প্ৰয়োগকাৰীসকলৰ সৈতে মিলি এই সমস্যাটোৰ ওপৰত মনোনিবেশ কৰিব লাগিব। ৰেগিং হৈছে এক সামাজিক ব্যাধি যি শিক্ষাৰ্থীসকলৰ মানসিক আৰু শাৰীৰিক স্বাস্থ্যৰ ক্ষতি কৰে। এই সমস্যা সমাধানৰ বাবে সকলোৰে একেলগে চেষ্টা কৰিব লাগিব। শিক্ষাৰ্থীসকলে সমাজৰ এই ব্যৱস্থাৰ ভিতৰতলৈ শান্তি আনিবৰ বাবে চেষ্টা কৰিব লাগে। ৰেগিংৰ বিৰুদ্ধে সচেতনতা বৃদ্ধি আৰু কাৰ্যকৰী পদক্ষেপ লোৱাৰ জৰিয়তে আমি এই সামাজিক ব্যাধিটোৰ ওপৰত নিয়ন্ত্ৰণ পাব পাৰিম। সেয়া আমাৰ শিক্ষা ব্যৱস্থাৰ উন্নতিৰ বাবে এক সুস্থ পৰিৱেশ সৃষ্টি কৰিব।

ৰশ্মি ৰেখা শইকীয়া ভূঞা
কুসুমতলা, পদ্মপুৰ

## আৰক্ষীৰ অভিযানত হাইলাকান্দিৰ দুজন আটক

# লংকাৰ শ্ৰীমন্ত শংকৰদেৱ নগৰত ট্ৰাকৰ পৰা বহু পৰিমাণৰ আফু গুটি জব্দ

**অসম বাৰ্তা, লংকা, ২৪ ছেপ্টেম্বৰ ঃ** হোজাই জিলাৰ সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰত আৰক্ষীৰ অভিযানত এখন ট্ৰাকৰ পৰা বৃহৎ পৰিমাণৰ আফু গুটি জব্দ কৰাৰ লগতে এই ঘটনাৰ সৈতে জড়িত থকাৰ সন্দেহত দুজন লোকক আটক কৰা হৈছে। আটকাধীন লোক দুজন হাইলাকান্দি জিলাৰ বাসিন্দা বুলি জানিব পৰা গৈছে। আৰক্ষী সূত্ৰে জানিব পৰা মতে, বিশেষ সূত্ৰৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত আৰক্ষীয়ে অভিযান চলোৱাৰ লগতে নিয়মীয়া তালাচী অভিযানৰ সময়ত এখন ট্ৰাকত তালাচী চলায়। তালাচীৰ সময়তে ট্ৰাকখনৰ পৰা বস্তাত লুকুৱাই অনা বৃহৎ পৰিমাণৰ আফু গুটি উদ্ধাৰ কৰে আৰক্ষীয়ে। উল্লেখ্য যে, আৰক্ষীৰ চকুত ধূলি দিবলৈ ট্ৰাকখনৰ ওপৰৰ অংশত বাঁহৰ বেৰ বনোৱাৰ কামি আদি কঢ়িয়াই নিয়াৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু আৰক্ষীৰ তালাচীৰ সময়ত ট্ৰাকখনৰ তলৰ অংশত বস্তাত ভৰাই ৰখা আফু গুটিখিনি উদ্ধাৰ হয়। এই ঘটনাত আৰক্ষীয়ে আটক কৰা লোক দুজন ক্ৰমে কামাল উদ্দিন আৰু আহমেদ হুছেইন। দুয়োৰে ঘৰ হাইলাকান্দি জিলাত বুলি জানিব পৰা গৈছে। আৰক্ষীৰ প্ৰাথমিক অনুসন্ধান অনুসৰি, জব্দ কৰা আফু গুটিখিনিৰ ক্ষেত্ৰত কোনো বৈধ নথি-পত্ৰ দেখুৱাব পৰা হোৱা নাই। আৰক্ষীৰ অনুসন্ধানত প্ৰকাশ পোৱা মতে, হাইলাকান্দিৰ পৰা আফু গুটিখিনি দৰং জিলালৈ নিয়াৰ পৰিকল্পনা কৰা হৈছিল বুলি সন্দেহ কৰা হৈছে। অৱশ্যে সমগ্ৰ বিষয়টো আৰক্ষীৰ তদন্তৰ পিছতহে অধিক স্পষ্ট হ'ব। জব্দ কৰা আফু গুটিখিনিৰ আনুমানিক বজাৰ মূল্য বহু লাখ টকা বুলি জানিব পৰা গৈছে। ইতিমধ্যে আৰক্ষীয়ে জব্দ কৰা আফু গুটিসহ ট্ৰাকখন নিজৰ জিম্মাত লৈ ঘটনাৰ সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে। এই সৰবৰাহৰ আঁৰত আৰু কোনো লোক বা চক্ৰ জড়িত আছে নেকি, সেই বিষয়েও আৰক্ষীয়ে অনুসন্ধান চলাইছে। আটকাধীন দুজনক সোধা-পোছা কৰাৰ লগতে আফু গুটিখিনি ক'ৰ পৰা সংগ্ৰহ কৰা হৈছিল আৰু ক'লৈ নিয়াৰ পৰিকল্পনা কৰা হৈছিল, সেই সন্দৰ্ভতো তদন্ত অব্যাহত আছে।

## হাউলীত নৱজিৎ দাসৰ ৰহস্যজনক মৃত্যু

**অসম বাৰ্তা, কুমুল্লী পাৰা, ২৪ ছেপ্টেম্বৰ ঃ** হাউলীৰ ৰুচি চৌধুৰী পথ নিবাসী নৱজিৎ দাস নামৰ এগৰাকী যুৱকৰ ৰহস্যজনক মৃত্যুৰ ঘটনাই অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলাইছে। জানিব পৰা মতে, নৱজিৎ দাসে বহিঃৰাজ্যৰ এটা কোম্পানীত কৰ্মৰত আছিল। কৰ্মসূত্ৰে বহিঃৰাজ্যত থকা যুৱকজনৰ আকস্মিক মৃত্যুৰ খবৰ পোৱাৰ পিছতে পৰিয়ালৰ লগতে আত্মীয়-স্বজন আৰু স্থানীয় ৰাইজৰ মাজত শোকৰ সৃষ্টি হয়। যুৱকজনৰ মৃত্যুৰ সঠিক কাৰণ এই পৰ্যন্ত স্পষ্ট হোৱা নাই। ঘটনাটোক লৈ বিভিন্ন প্ৰশ্ন উত্থাপিত হোৱাৰ লগতে মৃত্যুৰ প্ৰকৃত কাৰণ জানিবলৈ তদন্তৰ প্ৰয়োজনীয়তা দেখা দিছে। নৱজিৎ দাসৰ অকাল মৃত্যুত ৰুচি চৌধুৰী পথসহ সমগ্ৰ অঞ্চলটোতে শোকৰ পৰিৱেশ বিৰাজ কৰিছে।

## কবি, গীতিকাৰ, অনুবাদক আনিছ জামানৰ মৃত্যুত কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ শোক

**অসম বাৰ্তা, লীলাবাৰী, ২৪ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ কাব্য জগতৰ খ্যাতনামা কবি, গীতিকাৰ, অনুবাদক আনিছ উজ জামানৰ জীৱনাৱসানত গভীৰ শোক প্ৰকাশ কৰিছে কোচ ৰাজবংশী সংগ্ৰাম সমিতিয়ে। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক শোক বাৰ্তাৰ জৰিয়তে কোচ ৰাজবংশী সংগ্ৰাম সমিতি চমুকৈ কে আৰ এছ এছৰ কাৰ্যকৰী সভাপতি তথা যুৱ সাহিত্যিক কাব্যপ্ৰাণ ৰূপজ্যোতি দত্ত কোচে অসমৰ কাব্য জগতৰ বিখ্যাত কবি, গীতিকাৰ, অনুবাদক কেইবাও প্ৰজন্মক মন্ত্ৰমুগ্ধ কৰি ৰখা আনিছ উজ জামানৰ ইহলীলা সম্বৰণ অসমৰ কাব্য-সাহিত্য ক্ষেত্ৰখনৰ বাবে অপূৰণীয় ক্ষতি বুলি অভিহিত কৰাৰ লগতে তেখেতৰ বিদেহী আত্মাৰ সদগতি কামনা কৰিছে। অন্যহাতে সদৌ লখিমপুৰ জিলা কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ সভাপতি বিকাশ দত্ত, উপ-সভাপতি হেমন্ত কোচ, মিণ্টু বৰা, সাধাৰণ সম্পাদক নিতুল শইকীয়া, উপদেষ্টা বাবুল দত্ত, উত্তৰ লখিমপুৰ নগৰ আঞ্চলিক কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ সভাপতি সিদ্ধাৰ্থ শংকৰ শইকীয়া, কাৰ্যকৰী সভাপতি দেৱজিৎ দত্ত, সাধাৰণ সম্পাদক মানস প্ৰতিম দত্ত আৰু উপদেষ্টা বিপুল দত্তই বিশিষ্ট কবি আনিছ উজ জামানৰ দেহাৱসানত শোক ব্যক্ত কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিছে।

# অ' এন জি চিৰ বিৰুদ্ধে সৰৱ অনুসুচিত জাতি ছাত্ৰ সন্থা

## নাজিৰাৰ মুখ্য কাৰ্যালয় সন্মুখত বিক্ষোভ; স্মাৰক পত্ৰ প্ৰদান




**অসম বাৰ্তা, নাজিৰা, ২৪ ছেপ্টেম্বৰ ঃ** অসমৰ বিশেষকৈ উজনি অসমৰ বিভিন্ন প্ৰান্তৰ অনুসূচিত জাতি অধ্যুষিত অঞ্চলত তেল আৰু প্ৰাকৃতিক গেছ নিগম (অ' এন জি চি)ৰ বহুসংখ্যক তেল আৰু গেছৰ উৎপাদনকাৰী কুঁৱা (Wells) আৰু প্ৰকল্প বৰ্তমান কাৰ্যক্ষম হৈ আছে। এই এলেকাসমূহৰ পৰা প্ৰতিষ্ঠানে কোটি কোটি টকাৰ ৰাজহ লাভ কৰি আহিছে যদিও স্থানীয় অনুসূচিত জাতিৰ লোকসকল আজিও মৌলিক সুবিধা আৰু উন্নয়নৰ পৰা বঞ্চিত হৈ আছে। প্ৰতিষ্ঠানটোৱে নিজৰ কৰ্পোৰেট সামাজিক দায়বদ্ধতা (চি এছ আৰ) আৰু সাংবিধানিক অনুসূচিত জাতি কল্যাণমূলক নীতিসমূহ সঠিকভাৱে পালন নকৰাৰ বাবে স্থানীয় ৰাইজৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। সেয়েহে, ছাত্ৰ সমাজ আৰু সৰ্বস্তৰৰ ৰাইজৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ অ' এন জি চিয়ে চৰম ভাৱে প্ৰতাৰণা আৰু প্ৰবঞ্চনা কৰি অহাত শেহতীয়াকৈ সৰৱ হৈ পৰিছে সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থা। কালি নাজিৰাত অ' এন জি চিৰ অসম সম্পদৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত সংগঠনটোৰ সহস্ৰাধিক বিষয়ববীয়া আৰু কৰ্মীয়ে এক বৃহৎ বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। বিভিন্ন শ্লোগান, ধৰ্ণাৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰাৰ পিছত সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাই অ' এন জি চিৰ তেল কুঁৱা থকা অনুসূচিত জাতি অধ্যুষিত এলেকাৰ দৰিদ্ৰ তথা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উচ্চ শিক্ষা, কাৰিকৰী আৰু চিকিৎসা বিজ্ঞানৰ পঢ়া-শুনাৰ খৰচ বহন কৰিবলৈ বিশেষ বাৰ্ষিক বৃত্তিৰ ব্যৱস্থা কৰা, স্থানীয় অঞ্চলসমূহত থকা চৰকাৰী বিদ্যালয়, মহাবিদ্যালয়সমূহত নিগমৰ চি এছ আৰ ফাণ্ডৰ ধনেৰে উন্নত কম্পিউটাৰ লেব্, বিজ্ঞানাগাৰ আৰু গ্ৰন্থাগাৰ স্থাপন কৰা, বৰ্তমানৰ প্ৰতিযোগিতা মূলক যুগত অসমৰ অনুসুচিত জাতিৰ ছাত্ৰ-ছাত্ৰীসকলক GATE, UPSC, APSC আৰু অন্যান্য প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে সাজু কৰিবলৈ অ' এন জি চিৰ উদ্যোগত বিনামূলীয়া প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা, অনুসূচিত জাতি অধ্যুষিত এলেকাৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলক নিগমৰ স্থানীয় প্ৰকল্পসমূহৰ ঠিকাভিত্তিক (Contractual), কেজুৱেল আৰু সুৰক্ষা কৰ্মী আদি পদত ১০০% সংস্থাপন নিশ্চিত কৰা, অ' এন জি চি-ৰ প্ৰত্যক্ষ আৰু ঠিকাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াত কেন্দ্ৰীয় চৰকাৰৰ নিৰ্ধাৰিত সংৰক্ষণ নীতি (Reservation Roster) কঠোৰভাৱে পালন কৰিব লাগে আৰু পুৰণি খালী হৈ থকা সংৰক্ষিত পদসমূহ (Backlog Vacancies) বিশেষ নিযুক্তি অভিযানৰ জৰিয়তে পূৰণৰ ব্যৱস্থা কৰা, নিগমৰ গধুৰ যান-বাহন চলাচলৰ ফলত বিধ্বস্ত হোৱা অনুসূচিত জাতি অধ্যুষিত অঞ্চলৰ পথসমূহ অনতিপলমে পকী কৰিব লাগে আৰু পানী নিষ্কাশনৰ বাবে উন্নত নলা-নৰ্দমা নিৰ্মাণ কৰা, তেল আৰু গেছ খননৰ ফলত ভূ-গৰ্ভস্থ পানী প্ৰদূষিত হোৱাৰ সম্ভাৱনা থকা অঞ্চলসমূহত ৰাইজৰ বাবে খোৱাপানীৰ প্লাণ্ট (RO Plant) স্থাপন কৰি ঘৰে ঘৰে বিশুদ্ধ খোৱাপানী যোগান নিশ্চিত কৰা, উন্নত স্বাস্থ্য সেৱা ঃ প্ৰদূষণজনিত ৰোগৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় এলেকাত অত্যাধুনিক সা-সুবিধাযুক্ত স্থায়ী চিকিৎসালয় বা ভ্ৰাম্যমাণ চিকিৎসা শিবিৰ (Mobile Medical Units) ২৪ ঘণ্টাই সক্ৰিয় কৰি ৰাখিব লাগে আৰু বিনামূলীয়া ঔষধ বিতৰণ কৰা, অ' এন জি চিৰ স্থানীয় কাম-কাজৰ নিবিদা (Tenders) প্ৰক্ৰিয়াত স্থানীয় অনুসূচিত জাতিৰ ক্ষুদ্ৰ ব্যৱসায়ী আৰু পঞ্জীয়নভুক্ত সমবায় সমিতিসমূহক বিশেষ অগ্ৰাধিকাৰ আৰু ৰেহাই (Relaxation) প্ৰদান কৰা, পূৰ্বৰ ক্ষয়ক্ষতিৰ বাবে তৎকালীন আৰু পৰ্যাপ্ত ক্ষতিপূৰণ: বিগত বৰ্ষবোৰত, অনুসূচিত জাতি (SC) প্ৰধান গাঁওসমূহত সঘনাই ঘটা তেলৰ কুঁৱাৰ বিস্ফোৰণ, কাৰিকৰী বিসংগতি আৰু তেলৰ পাইপলাইনৰ লিক হোৱাৰ ফলত ভয়ংকৰ ক্ষতিসাধন হৈছে। এই ঘটনাবোৰে উৰ্বৰ কৃষিভূমি ধ্বংস কৰিছে, স্থানীয় জলাশয়সমূহ প্ৰদূষিত কৰিছে, সম্পত্তি ভস্মীভূত কৰিছে আৰু দৰিদ্ৰ অনুসূচিত জাতিৰ পৰিয়ালসমূহৰ জীৱন-জীৱিকাত গুৰুতৰ প্ৰভাৱ পেলাইছে। এইটো অত্যন্ত পৰিতাপৰ বিষয় যে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহে হয় কোনো ক্ষতিপূৰণ পোৱা নাই অথবা নামমাত্ৰ টকা পাইছে যিটো তেওঁলোকৰ লোকচানৰ তুলনাত তেনেই নগণ্য। অতীতৰ সকলো ক্ষয়ক্ষতিৰ এক নতুন, স্বচ্ছ মূল্যায়ন আৰু প্ৰতিটো ক্ষতিগ্ৰস্ত পৰিয়ালক তৎকালীনভাৱে উচিত, বজাৰ মূল্য অনুসৰি ক্ষতিপূৰণ প্ৰদান কৰাৰ দাবী জনাই তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ অসম সম্পদৰ কাৰ্যবাহী সঞ্চালক তথা এছেট। মেনেজাৰ লৈ এখনি স্মাৰকপত্ৰ প্ৰদান কৰে। উক্ত দাবী সমূহ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত অ' এন জি চিয়ে যদি অহা ১৫ দিনৰ ভিতৰত ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ নকৰে তেন্তে নিগমৰ বিৰুদ্ধে সৰ্বাত্মক গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ব আৰু ইয়াৰ ফলত উদ্ভৱ হোৱা যিকোনো পৰিস্থিতিৰ বাবে অ' এন জি চি কৰ্তৃপক্ষই জগৰীয়া হ'ব বুলি বুলিও স্মাৰক পত্ৰখনিত সকীয়াই দিয়ে।

## কোকৰাঝাৰত CCIৰ সজাগতা কাৰ্যসূচী

**অসম বাৰ্তা, কোকৰাঝাৰ, ২৪ ছেপ্টেম্বৰ ঃ** চৰকাৰী বিষয়া-কৰ্মচাৰীসকলক প্ৰতিযোগিতা আইন, ন্যায্য বজাৰ ব্যৱস্থা আৰু প্ৰতিযোগিতামূলক চৰকাৰী ক্ৰয় প্ৰক্ৰিয়া সন্দৰ্ভত সজাগ কৰাৰ উদ্দেশ্যে আজি কোকৰাঝাৰ জিলা উপায়ুক্তৰ সভাকক্ষত ভাৰতীয় প্ৰতিযোগিতা আয়োগ (Competition Commission of India) চমুকৈ CCI ৰ উদ্যোগত State Resource Person(SRP) আঁচনিৰ অধীনত এক সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচীত জিলা উপায়ুক্ত পংকজ চক্ৰৱৰ্তীৰ লগতে অতিৰিক্ত উপায়ুক্তসকল, সহকাৰী উপায়ুক্ত, বিভিন্ন বিভাগৰ মুৰব্বী আৰু বিভাগসমূহৰ বিষয়া-কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। অৱসৰপ্ৰাপ্ত আৰক্ষী সঞ্চালক প্ৰধান উমেশ কুমাৰে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰাৰ বিপৰীতে অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া তনুজ গোস্বামীয়ে গুৱাহাটীৰ পৰা ভাৰ্চুৱেল মাধ্যমেৰে বিষয়বস্তু উপস্থাপন কৰে। কাৰ্যসূচীত ২০০২ চনৰ প্ৰতিযোগিতা আইন, ভাৰতীয় প্ৰতিযোগিতা আয়োগৰ ক্ষমতা আৰু উদ্দেশ্য সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰা হয়। বজাৰত গ্ৰাহকৰ স্বাৰ্থ সুৰক্ষিত কৰা আৰু সকলো প্ৰতিষ্ঠান তথা ব্যৱসায়িক প্ৰতিযোগীৰ বাবে সমান সুযোগ নিশ্চিত কৰাৰ গুৰুত্বৰ ওপৰতো আলোকপাত কৰা হয়। বিশেষকৈ চৰকাৰী ক্ৰয় প্ৰক্ৰিয়াৰ ক্ষেত্ৰত স্বচ্ছতা, প্ৰতিযোগিতামূলক নিবিদা আৰু ৰাজহুৱা সম্পদৰ দক্ষ ব্যৱহাৰৰ প্ৰয়োজনীয়তাৰ বিষয়ে অংশগ্ৰহণকাৰীসকলক সজাগ কৰা হয়। ইয়াৰ উপৰি টায়াৰ খণ্ডত সংঘটিত কাৰ্টেল গঠন, চৰকাৰী ক্ৰয়ত নিবিদা প্ৰক্ৰিয়াত অনৈতিক কাৰচাজি আৰু অটোমোবাইল খণ্ডত প্ৰতিযোগিতা-বিৰোধী কাৰ্যকলাপৰ সৈতে জড়িত কেইবাটাও উদাহৰণমূলক ব্যৱস্থা গ্ৰহণৰ ঘটনাও আলোচনা কৰা হয়। জিলা পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীসকলৰ মাজত প্ৰতিযোগিতা আইন আৰু ইয়াৰ বিধি-বিধান সম্পৰ্কে সজাগতা বৃদ্ধি কৰাৰ লগতে চৰকাৰী কাম-কাজত ন্যায্য, স্বচ্ছ আৰু প্ৰতিযোগিতামূলক পদ্ধতি অধিক শক্তিশালী কৰাই এই কাৰ্যসূচীৰ মূল লক্ষ্য আছিল।

## নৈনৈত ভাগৱত প্ৰৱক্তা শ্ৰীশ্ৰীৰোমহৰ্ষণ সূত দেৱৰ আবিৰ্ভাৱ তিথি উদ্‌যাপনৰ প্ৰস্তুতি

**অসম বাৰ্তা, পুৰণিগুদাম, ২৪ ছেপ্টেম্বৰ ঃ** প্ৰাচীন ভাৰতীয় সনাতন সংস্কৃতিত বৰ্তমান উত্তৰ প্ৰদেশৰ গোমতী নদীৰ উপত্যকাত ভগৱান বিষ্ণুৰ ভাগৱত চৰ্চাত ব্যাসদেৱ প্ৰমুখ্যে ঋষি-মুনিসকলৰ আহ্বানত প্ৰতিষ্ঠা হোৱা নৈমিষাৰণ্যত শ্ৰীশ্ৰীৰোমহৰ্ষণ সূতদেৱক ভাগৱত পাঠ আসনত অধিষ্ঠিত কৰি শৌণক প্ৰমুখ্যে জ্ঞানগৰ্ভ আঠাইছ সহস্ৰ ঋষি-মুনিসকলে ভাগৱত শ্ৰৱণেৰে পুণ্যভূমি ভাৰতবৰ্ষক বৈকুণ্ঠধামলৈ পৰ্যবেশিত কৰিছে। সেইগৰাকী পৰম আৰাধ্য ভাগৱত প্ৰৱক্তা ৰোমহৰ্ষণ সূতদেৱ ভাদ্ৰী পূৰ্ণিমা তিথিত আৱিৰ্ভাৱ হৈছিল। নগাঁও জিলা সূত সন্মিলনৰ উদ্যোগত নৈনে জেঙনিচুক গাঁৱৰ জ্ঞাতি-বান্ধৱ ৰাইজৰ আতিথ্যত অহা ২৬ ছেপ্টেম্বৰত দিনজোৱা কাৰ্যক্ৰমণিকাৰে মহান প্ৰৱক্তাগৰাকীৰ আৱিৰ্ভাৱ তিথিভাগ উদযাপনৰ দিহা কৰা হৈছে। সেইদিনা পুৱা প্ৰাতঃপ্ৰসঙ্গৰে শুভাৰম্ভ হ'বলগা কাৰ্যসূচীত ধৰ্মধ্বজা উত্তোলন, শ্ৰদ্ধাঞ্জলি অৰ্পণ, নাম প্ৰসংগ, ভাগৱত পাঠ অনুষ্ঠানৰ লগতে বিয়লি ২ বজাত অধ্যাপক ড° মিলন নেওগে উদ্বোধন কৰিব লগা ধৰ্মলোচনী সভাত সদৌ অসম সূত সন্মিলনৰ সভাপতি তথা বিশিষ্ট লেখক দিলীপ কুমাৰ বৰা, উচ্চ ন্যায়ালয়ৰ অধিবক্তা হেমন্ত কুমাৰ সূত, সূত উন্নয়ন পৰিষদৰ প্ৰাক্তন সভাপতি সৰ্বেশ্বৰ বৰুৱা, সাধাৰণ সম্পাদক প্ৰদীপ কুমাৰ বৰা প্ৰমুখ্যে ভালেকেইগৰাকী সন্মানীত আৰু আমন্ত্ৰিত অতিথি উপস্থিত থাকিব। অনুষ্ঠানত কেইবাগৰাকীও অশীতিপৰ জ্ঞাতি বান্ধৱক সম্বৰ্ধনা জনোৱা হ'ব বুলি নগাঁও জিলা সূত সন্মিলনৰ কাৰ্যকৰী সভাপতি যতীন্দ্ৰ নাথ সূতে জনাইছে।

## 'বন্দে মাতৰম'ৰ ১৫০ বছৰীয়া জয়ন্তী উপলক্ষে 'নমামি ভাৰতম'ৰ বিশেষ অনুষ্ঠান আয়োজন সম্পূৰ্ণ




**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ২৪ ছেপ্টেম্বৰ ঃ** দেশৰ স্বাধীনতা সংগ্ৰামৰ সৈতে গভীৰভাৱে জড়িত দেশপ্ৰেমৰ প্ৰতীক 'বন্দে মাতৰম' গীতৰ ১৫০ বছৰ পূৰ্তি উপলক্ষে শিশু শিক্ষা সমিতি, অসমৰ উদ্যোগত এক বিশেষ বৰ্ষপূৰ্তি অনুষ্ঠান আয়োজন কৰা হৈছে। অহা ২৫ ছেপ্টেম্বৰ, শুকুৰবাৰে পুৱা ১১:০০ বজাত বিদ্যা ভাৰতীয়ে সমগ্ৰ ভাৰতবৰ্ষতে 'বন্দে মাতৰম'ৰ ১৫০ বছৰীয়া জয়ন্তী উদ্‌যাপন কৰি এক বিশ্ব ৰেকৰ্ড গঢ়াৰ বাবে 'নমামি ভাৰতম' কাৰ্যক্ৰম অনুষ্ঠান হ'ব। এই অনুষ্ঠানত সমগ্ৰ ভাৰতবৰ্ষতে ২৫০০০খন বিদ্যালয়ত ৰাতিপুৱা ১১:০০ বজাত একে সময়তে ৰাষ্ট্ৰ গীত বন্দে মাতৰম পৰিবেশন হ'ব। বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ ১৫০০খন বিদ্যালয়ত তিনি লক্ষাধিক ছাত্ৰ-ছাত্ৰী, আচাৰ্/আচাৰ্যা আৰু অন্য ব্যক্তি উপস্থিত থাকি ১১:০০ বজাত বন্দে মাতৰম পৰিবেশন কৰিব। এই উপলক্ষে শিশু শিক্ষা সমিতি, অসমে গুৱাহাটীৰ কলাক্ষেত্ৰস্থিত শ্ৰীমন্ত শংকৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত উক্ত দিনা ১১:০০ বজাত কেন্দ্ৰীয় ভাৱে বৰ্ষপুৰ্তি অনুষ্ঠান আয়োজন কৰা হৈছে। এই উদ্দেশ্যে বুধবাৰে গুৱাহাটী জু-ৰোডস্থিত অসম প্ৰকাশন ভাৰতীৰ শান্তনু ৰঘুনাথ শেণ্ডে সভা গৃহত বিয়লি ৪ বজাত আয়োজিত এক প্ৰেছ মেল সম্বোধন কৰি বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ সম্পাদক ড° জগদীন্দ্ৰ ৰায়চৌধুৰীয়ে প্ৰস্তুতি সম্পূৰ্ণ হোৱা কথা সদৰি কৰাৰ লগতে অনুষ্ঠানত মুখ্য অতিথি হিচাপে ভাৰতীয় সেনাৰ অৱসৰপ্ৰাপ্ত সেনাপ্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদী মহোদয় উপস্থিত থাকিব বুলি জানিবলৈ দিছে। সংবাদমেলত বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ সংগঠন মন্ত্ৰী ড° পৱন তিৱাৰী, শিশু শিক্ষা সমিতি, অসমৰ সভাপতি কুলেন্দ্ৰ কুমাৰ ভাগৱতী আৰু নমামি ভাৰতমৰ সংযোজক গৌৰৱ কলিতা উপস্থিত থাকে। শিশু শিক্ষা সমিতি অসমৰ প্ৰচাৰ সংযোজক মুকুটেশ্বৰ গোস্বামীয়ে জানিবলৈ দিয়া মতে এই অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অহা ২৫ ছেপ্টেম্বৰ শুক্ৰবাৰে পুৱা ১০:৩০ বজাৰ পৰা এঘণ্টা জুৰি নামনি ভাৰতম কাৰ্য্যক্ৰম অনুষ্ঠিত কৰা হ'ব।

## সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা) ভেৰগাঁও আঞ্চলিক সমিতিৰ উদ্যোগত একাদশ বাৰ্ষিক কৰম উৎসৱ সম্পন্ন

**অসম বাৰ্তা, খৈৰাবাৰী, ২৪ ছেপ্টেম্বৰ ঃ** ওদালগুৰি জিলা ভেৰগাঁও চাহ বাগিছা ১০ নং লাইনত ভেৰগাঁও চাহ বাগিছা প্ৰথমিক গোট আৰু ভেৰগাঁও আঞ্চলিক জানি শক্তি সংগতি, প্ৰাথমিক সমিতি আছাৰ লগতে বৃহত্তম ভেৰগাঁওবাসী ৰাইজৰ সহযোগত যোৱা ২২ ছেপ্টেম্বৰ মঙ্গলবাৰে দিনযোৱা বৰ্ণাঢ্য কাৰ্যসুচীৰে একাদশ বাৰ্ষিক কৰম উৎসৱ অনুষ্ঠিত হয়। অনুষ্ঠানৰ কাৰ্য্যক্ৰমণিকা অনুসৰি দিনত অভ্যৰ্থনা সমিতিৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গছ পুলি ৰোপণ, ধনু কাড় প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। অন্যহাতে কৰম পূজাৰ বিধিগত নীতি নিয়মৰ অনুসৰি কৰম পূজাৰ কৰম ডাল স্থাপন কৰি আখড়া শুভ উদ্বোধন কৰে ভেৰগাওঁ বিধান সভা সমষ্টিৰ বিধায়ক মহেশ্বৰ বড়োই। অন্যহাতে বিধিগত ৰীতি-নীতিৰ মাজেৰে কৰম পূজাৰ লগতে ইয়াৰ কাহিনীভাগ ব্যাখ্যা কৰে ওদালগুৰি জিলা চাহ জনজাতি জাতীয় সন্মিলনীৰ সভাপতি মহেন্দ্ৰ তাঁতীয়ে লগত সহযোগিতা কৰে উদ্‌যাপন সমিতিৰ বিষয়ববীয়া সকলে। ইয়াৰ পিছতে ঝুমুৰ নৃত্য প্ৰতিয়োগীতা, আমন্ত্ৰিত অতিথিৰ চা-চিনাকি অনুষ্ঠান অনুষ্ঠিত কৰে। অন্যহাতে নিশা আমন্ত্ৰিত শিল্পীৰ দিপেন কৰ্মকাৰ, নিৰণ বড়ো, হিতেশ তপ্প, কৃষ্ণ প্ৰিয়া ৰাভা আৰু উপমা দাসৰ বিশেষ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

## নগাঁও উপ-নিৰ্বাচন ঃ ইভিএমৰ দ্বিতীয় পৰ্যায়ৰ যাদৃচ্ছিকীকৰণ সম্পন্ন

**অসম বাৰ্তা, নগাঁও, ২৪ ছেপ্টেম্বৰ ঃ** নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি ইভিএমৰ দ্বিতীয় পৰ্যায়ৰ যাদৃচ্ছিকীকৰণ প্ৰক্ৰিয়া সফলতাৰে সম্পন্ন কৰা হয়। নগাঁও লোকসভা সমষ্টিৰ অন্তৰ্গত নগাঁও আৰু মৰিগাঁও দুয়োখন নিৰ্বাচনী জিলাৰ বাবে এই প্ৰক্ৰিয়া নগাঁও জিলা নিৰ্বাচন বিষয়াৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। নিৰ্বাচনী সাধাৰণ পৰ্যবেক্ষক আৰু ৰাষ্ট্ৰীয় তথা ৰাজ্যিক স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিৰ উপস্থিতিত কম্পিউটাৰভিত্তিক যাদৃচ্ছিকীকৰণৰ জৰিয়তে ইভিএমসমূহ সংশ্লিষ্ট ভোটগ্ৰহণ কেন্দ্ৰৰ সৈতে সংযুক্ত কৰা হয়। ইতিমধ্যে দুয়োখন নিৰ্বাচনী জিলাতে ভোটগ্ৰহণ কেন্দ্ৰভিত্তিক ইভিএম পৃথক্কৰণৰ কামো সম্পন্ন কৰা হৈছে। নিৰ্বাচন প্ৰক্ৰিয়াত স্বচ্ছতা আৰু নিৰপেক্ষতা বজাই ৰখাৰ লক্ষ্যৰে এই যাদৃচ্ছিকীকৰণ কৰা হৈছে। উল্লেখ্য যে, অহা ২৯ ছেপ্টেম্বৰৰ পৰা ভোটগ্ৰহণৰ বাবে ইভিএমসমূহ সাজু কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব।

## 'সুৰ বাহিনী, গোলাঘাট'ৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ সফল সামৰণি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'টাৰ, গোলাঘাট, ২৪ ছেপ্টেম্বৰ ঃ** 'সুৰ বাহিনী, গোলাঘাট'ৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ সফল সামৰণি পৰে। পুৰণা আমোলাপট্টিৰ 'শান্তি আলয়'ত বাস কৰা আই-মাতৃসকলৰ পৱিত্ৰ ভূমিত অনুষ্ঠিত হোৱা প্ৰতিষ্ঠা দিৱসত 'সুৰ বাহিনী, গোলাঘাট'ৰ পৰিয়ালৰ ৭০-৮০জন সক্ৰিয় সদস্য-সদস্যা আৰু শুভাকাংক্ষীৰ উপস্থিতিত সুকলমে সম্পন্ন হৈ যায়। অনুষ্ঠানৰ আৰম্ভণিত 'সুৰ বাহিনী, গোলাঘাট'ৰ উপদেষ্টা ৰহিম উদ্দিন আহমেদ, বিশ্বদীপ নেওগ, সুৰ বাহিনী গোলাঘাটৰ পৰিয়ালৰ সক্ৰিয় সাংস্কৃতিক সদস্য-সদস্যাৰ দ্বাৰা গঠিত হোৱা 'অক্টেভ'ৰ সভাপত দুৰ্গাধৰ নেওগ আৰু ৰিয়া ম'টৰ্ছৰ স্বত্বাধিকাৰী চিন্তু বৰা আৰু মণ্টু শইকিয়াই আদৰণি ভাষণ আগবঢ়ায়। 'শান্তি আলয়'ৰ আবাসী গোলাপী আইতা আৰু সৰুমাই আইতাই গীত পৰিৱেশন কৰি সংগীতানুষ্ঠানৰ আৰম্ভণি কৰে। লগতে সুৰ বাহিনী গোলাঘাটৰ পৰিয়ালৰ শিশু শিল্পীৰ পৰা আৰম্ভ কৰি জ্যেষ্ঠ শিল্পীসকলে গীত আৰু বাদ্যযন্ত্ৰ পৰিৱেশনেৰে এটা মধুময় মুহূৰ্তলৈ ৰূপান্তৰিত কৰে। আই-মাতৃ সকললৈ সামান্য মৰম যাচিবলৈ সুৰ বাহিনী গোলাঘাটৰ পৰিয়াল আৰু ৰিয়া ম'টৰ্ছৰ স্বত্বাধিকাৰী আইতাসকলক কিছু বস্ত্ৰ শান্তি আইতাৰ সৈতে প্ৰত্যেকজন আই-মাতৃ আৰু আশ্ৰমৰ কৰ্মকৰ্তাক প্ৰদান কৰা হয় লগতে একেলগে এসাজ ভাত তৃপ্তিৰে গ্ৰহণ কৰা হয়। শেষত সুৰ বাহিনী গোলাঘাটৰ পৰিয়ালৰ সক্ৰিয় সাংস্কৃতিক সদস্য-সদস্যাৰ দ্বাৰা গঠিত হোৱা সাংস্কৃতিক অনুষ্ঠান অক্টেভৰ সভাপতি মহোদয় দুৰ্গাধৰ নেওগ আৰু সুৰ বাহিনী গোলাঘাট ৰ উপদেষ্টা ৰহিম উদ্দিন আহমেদ, বিশ্বদীপ নেওগ আৰু ৰাণা শৰ্মাই বক্তব্য আগবঢ়োৱাৰ লগতে আই-মাতৃসকলৰ হৈ মণ্টি বাগ আইতাই হৈ যোৱা অনুষ্ঠানটিৰ বিষয়ে চমুকৈ মন্তব্য আগবঢ়ায়। অনাগত দিনত পুনৰ সুৰ বাহিনী গোলাঘাট আৰু 'অক্টেভ'ৰ পৰিয়ালৰ সৈতে এনেধৰণৰ অনুষ্ঠান কৰি যোৱাৰ আশা প্ৰকাশ কৰি সুৰ বাহিনী গোলাঘাটৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উপলক্ষে পৰিয়ালটি তথা শুভাকাংক্ষীলৈ শুভেচ্ছা তথা কৃতজ্ঞতা জ্ঞাপন কৰে আৰু পুনৰ এনে অনুষ্ঠান আয়োজন কৰিবলৈ আহ্বান জনায়। যিসকলৰ সহায়ত এই অনুষ্ঠানটি সুন্দৰকৈ অনুষ্ঠিত কৰাত সহায় কৰিলে আৰু সুৰ বাহিনী গোলাঘাটৰ কাৰ্যকৰী সভাপতি প্ৰিয়ংকা শইকীয়া দাসলৈ বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে আয়োজকসকলেউৎসাহজনক পৰিয়ালৰ সদস্য-সদস্যাৰ বিভিন্ন ধৰণৰ সহায়-সহযোগিতাৰে সুৰ বাহিনী গোলাঘাটৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসটিৰ সফল সমাপ্তিয়ে গোলাঘাট জিলাত সাংস্কৃতিক জাগৰণ অধিক শক্তিশালী কৰি তুলিব বুলি আয়োজকসকলে আশা প্ৰকাশ কৰে।

## কলগাছিয়াত আৰক্ষীৰ অভিযানত ১২.৬৪ গ্ৰাম ড্ৰাগছসহ এজনক আটক

**অসম বাৰ্তা, কুমুল্লী পাৰা, ২৪ ছেপ্টেম্বৰ ঃ** ড্ৰাগছৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তোলা কলগাছিয়া আৰক্ষীয়ে বামুণটাৰী অঞ্চলত অভিযান চলাই ৰাজু খান নামৰ এজন লোকক আটক কৰিবলৈ সক্ষম হৈছে। আৰক্ষীৰ অভিযানকালত আটকাধীন লোকজনৰ পৰা ১২.৬৪ গ্ৰাম সন্দেহযুক্ত ড্ৰাগছ, এটা মোবাইল ফোন আৰু এখন বাহন উদ্ধাৰ কৰা হয়। আৰক্ষীৰ প্ৰাথমিক তথ্য অনুসৰি, আটকাধীন ৰাজু খান ড্ৰাগছ সৰবৰাহৰ সৈতে জড়িত বুলি সন্দেহ কৰা হৈছে। উদ্ধাৰ হোৱা সামগ্ৰীসমূহ জব্দ কৰি ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। ঘটনাটোক কেন্দ্ৰ কৰি অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। ড্ৰাগছৰ সৰবৰাহ আৰু ব্যৱহাৰৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত থাকিব বুলি জানিব পৰা গৈছে।

## বৰপেটা আৰক্ষীৰ অভিযানত বৃহৎ পৰিমাণৰ অবৈধ সুৰা জব্দ

**অসম বাৰ্তা, কুমুল্লী পাৰা, ২৪ ছেপ্টেম্বৰ ঃ** অবৈধভাৱে মজুত কৰি ৰখা সুৰাৰ বিৰুদ্ধে বৰপেটা আৰক্ষীয়ে চলোৱা অভিযানত বালিকুৰি, সৰভোগ আৰু বৰপেটাৰোড অঞ্চলৰ পৰা বৃহৎ পৰিমাণৰ সুৰা জব্দ কৰিবলৈ সক্ষম হৈছে। আৰক্ষীৰ তথ্য অনুসৰি, সংশ্লিষ্ট অঞ্চলসমূহত অবৈধভাৱে সুৰা মজুত কৰি ৰখাৰ বিষয়ে লাভ কৰা তথ্যৰ ভিত্তিত অভিযান চলোৱা হয়। অভিযানকালত বিভিন্ন স্থানত মজুত কৰি ৰখা বৃহৎ পৰিমাণৰ সুৰা উদ্ধাৰ কৰি জব্দ কৰে আৰক্ষীয়ে। জব্দ কৰা সুৰাখিনিৰ আনুমানিক পৰিমাণ আৰু বজাৰমূল্য সম্পৰ্কে আৰক্ষীৰ তৰফৰ পৰা অধিক তথ্য প্ৰকাশ কৰা হোৱা নাই। ঘটনাৰ সৈতে জড়িত লোকসকলৰ বিৰুদ্ধে প্ৰচলিত আইন অনুসৰি পৰৱৰ্তী ব্যৱস্থা গ্ৰহণৰ প্ৰক্ৰিয়া চলি আছে। অবৈধ সুৰাৰ বিৰুদ্ধে আৰক্ষীৰ এই অভিযানক কেন্দ্ৰ কৰি অঞ্চলটোত ব্যাপক চৰ্চাৰ সৃষ্টি হৈছে।

## SIRৰ জৰিয়তে ১৩ কোটি ভোট কৰ্তন

নিৰ্বাচন আয়োগে সামূহিক সংস্থা হিচাপে কাম কৰে আৰু সকলো সিদ্ধান্ততে মুখ্য নিৰ্বাচন আয়ুক্ত আৰু নিৰ্বাচন আয়ুক্ত দুজনৰ স্বাক্ষৰ থাকে। "নিৰ্বাচন আয়োগৰ নিয়ম জনাসকলে এনে অভিযোগ উত্থাপন নকৰে। মোৰ দৃষ্টিত মুখ্য নিৰ্বাচন আয়ুক্ত বা নিৰ্বাচন আয়ুক্ত সংখ্যালঘু হ'লে নিৰ্বাচন আয়োগে কোনো সিদ্ধান্ত ল'ব নোৱাৰে। নিৰ্বাচন আয়োগৰ সকলো সিদ্ধান্ত সামূহিক সংস্থা হিচাপে বা সংখ্যাগৰিষ্ঠতাৰে গ্ৰহণ কৰিব লাগে।" - সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী শৰ্মাই কয়। তেওঁ লগতে কয়, "মুখ্য নিৰ্বাচন আয়ুক্তই একপক্ষীয়ভাৱে সিদ্ধান্ত লৈছিল বুলি সমগ্ৰ দেশতে বাৰ্তা প্ৰেৰণ কৰাটো সঠিকভাৱে খাপ নাখায়। যিকোনো সিদ্ধান্তৰ বাবে তিনিটা ভোটৰ প্ৰয়োজন হয়, আৰু যদি দুয়োজন নিৰ্বাচন আয়ুক্তই মুখ্য নিৰ্বাচন আয়ুক্তৰ বিৰোধী হ'লহেঁতেন, তেন্তে তেওঁ ১-২ ভোটত পৰাস্ত হ'লহেঁতেন।" তেওঁ আৰু উল্লেখ কৰে যে সিদ্ধান্ত গ্ৰহণৰ পূৰ্বে আলোচনাত মতামত বেলেগ বেলেগ হ'ব পাৰে, কিন্তু সকলো সিদ্ধান্ততে নিৰ্বাচন আয়োগৰ পেনেলত তিনিওৰে স্বাক্ষৰ থকাটো প্ৰয়োজন। মতানৈক্যৰ প্ৰতিবেদনক চাঞ্চল্য সৃষ্টিৰ প্ৰয়াস বুলি কটাক্ষ কৰি মুখ্যমন্ত্ৰীয়ে কয়, "মুখ্য নিৰ্বাচন আয়ুক্তক লক্ষ্য কৰি লোৱাটো এটা ৰাজনৈতিক প্ৰচাৰ, আৰু মই নাভাবো যে মুখ্য নিৰ্বাচন আয়ুক্তই নিৰ্বাচন আয়ুক্তৰ পৰামৰ্শ নোলোৱাকৈ সিদ্ধান্ত ল'ব পাৰে। এই প্ৰচাৰে বিৰোধী আৰু ডিমাগী নক্সালৰ হতাশা প্ৰকাশ কৰিছে।" "নিৰ্বাচন আয়োগেও স্পষ্টীকৰণ জাৰি কৰিছে, আৰু ইয়াত আৰু বিশেষ কিবা আছে বুলি মই নাভাবো।" -শৰ্মাই লগতে কয়। উল্লেখ্য, বুধবাৰে "ইণ্ডিয়ান এক্সপ্ৰেছ"ৰ প্ৰতিবেদন প্ৰকাশৰ পাছতেই নিৰ্বাচন আয়োগে স্পষ্ট কৰি দিয়ে যে এছআইআৰ (বিশেষ নিবিড় পুনৰীক্ষণ) সম্পৰ্কীয় সিদ্ধান্ত তিনিওজন আয়ুক্তৰ অনুমোদন সাপেক্ষে সৰ্বসন্মতিক্ৰমে লোৱা হৈছিল।

## জ্ঞানেশ কুমাৰক পদত্যাগৰ বাবে

ককৰোচ জনতা পাৰ্টীৰ নেতা অভিজিত দীপক, সৌৰভ দাস আৰু আশুতোষে এক সংবাদমেল সম্বোধন কৰি অভিযোগ কৰে যে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে দেশৰ গণতান্ত্ৰিক ব্যৱস্থাক ভেঙুচালি কৰাৰ লগতে ভোটাৰ তালিকাত বৃহৎ পৰিসৰত হেতালি খেলিছে। তেওঁলোকে সকীয়নি দিয়ে যে আগন্তুক ৪৮ ঘণ্টাৰ ভিতৰত মুখ্য নিৰ্বাচন আয়ুক্তই পদত্যাগ নকৰিলে দিল্লীৰ পৰা দেশজুৰি আন্দোলন আৰম্ভ কৰা হ'ব। ককৰোচ জনতা পাৰ্টীৰ প্ৰতিষ্ঠাপক অভিজিত দীপকে কয়, "২০২৪ চনৰ নিৰ্বাচনত বিজেপিয়ে সংখ্যাগৰিষ্ঠতা লাভ কৰিব নোৱাৰিলে। সংখ্যাগৰিষ্ঠতা নোপোৱাত তেওঁলোকে আতংকৰ বুটাম টিপিলে। বিজেপিয়ে ৪০০ৰ উৰ্ধৰ শ্ল'গান উত্থাপন কৰি ২৪০খন আসনলৈ নামি আহিছিল। ইয়াৰ পিছত তেওঁলোকে উপলব্ধি কৰিলে যে দেশৰ আৱেগ সলনি হৈ আহিছে আৰু আঞ্চলিক শক্তিবোৰে অতি শক্তিশালীভাৱে আত্মপ্ৰকাশ কৰিছে। মহাৰাষ্ট্ৰৰ উদ্ধৱ থাকৰে হওক, এনচিপি হওক, এম. কে. ষ্টালিন হওক, পিনাৰায়ী বিজয়ন হওক, অৰবিন্দ কেজৰিৱাল হওক বা মমতা বেনাৰ্জী হওক-এই আটাইকেইজন মুখ্যমন্ত্ৰী এজন এজনকৈ পৰাজিত হৈছে। এইটো কাকতলীয় হ'ব নোৱাৰে। এটা আৰ্হি দেখা যায়। এই সকলো মুখ্যমন্ত্ৰীয়ে একত্ৰিত হৈ ২০২৪ চনত ঐক্যবদ্ধভাৱে প্ৰচাৰ চলাইছিল। এতিয়া এজন এজনকৈ তেওঁলোকক কেনেকৈ নিৰ্মূল কৰা হৈছে? পশ্চিম বংগত মমতা বেনাৰ্জীৰ আসনৰ পৰা ৫০ হাজাৰ ভোট বাদ দিয়া হয় আৰু তেওঁ প্ৰায় ১৫ হাজাৰ ভোটত পৰাস্ত হয়। এম. কে. ষ্টালিনৰ আসনৰ পৰা এক লাখ ভোট বাদ দিয়া হয় আৰু তেওঁ প্ৰায় ৪৫ হাজাৰ ভোটত পৰাস্ত হয়। দিল্লীত অৰবিন্দ কেজৰিৱালৰ আসনৰ পৰা ৪০ হাজাৰ ভোট বাদ দিয়া হয় আৰু তেওঁ প্ৰায় 4, 000– 5, 000 ভোটত পৰাস্ত হয়।" সংবাদমেলত অভিজিতে আৰু কয় যে নিৰ্বাচন আয়োগৰ কাম-কাজ সম্পৰ্কত শেহতীয়া গণমাধ্যমৰ প্ৰতিবেদনে প্ৰমাণ কৰিছে যে ন্যায্য নিৰ্বাচন এক বৃহৎ প্ৰতাৰণাত পৰিণত হৈছে। ককৰোচ জনতা পাৰ্টীয়ে দাবী কৰে যে মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ, পশ্চিম বংগ, দিল্লী, কেৰালা, তামিলনাডু, কৰ্ণাটক, তেলেংগানাৰ দৰে ৰাজ্যৰ লাখ লাখ বৈধ ভোটাৰৰ নাম পদ্ধতিগতভাৱে ভোটাৰ তালিকাৰ পৰা আঁতৰাই দিয়া হৈছে। অভিজিতে কয় যে জ্ঞানেশ কুমাৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা দেশত ৰাজহুৱা চৰকাৰ বাছনিৰ পৰম্পৰা প্ৰভাৱিত হৈছে। পৰিসংখ্যাৰ উদ্ধৃতি দি তেওঁ কয় যে ভোটৰ সামান্য ব্যৱধান থকা নিৰ্বাচনী ৰাজ্যসমূহত এনে বৃহৎ পৰিসৰত নাম বাদ পৰাটো আঞ্চলিক দল আৰু বিৰোধীৰ শক্তিশালী মুখ দুৰ্বল কৰাৰ এক সুপৰিকল্পিত ৰাজনৈতিক কৌশলৰ অংশ। সংবাদমেলত সৌৰভে উল্লেখ কৰে যে নিৰ্বাচন আয়োগৰ আন সদস্যসকলেও কেইবাটাও সিদ্ধান্ত আৰু এছআইআৰ প্ৰক্ৰিয়াৰ ওপৰত মতানৈক্য আৰু আপত্তি প্ৰকাশ কৰিছিল যদিও সেইবোৰক আওকাণ কৰা হৈছিল। তেওঁ অভিযোগ কৰে যে স্থানীয় বিষয়াসকলৰ-ইআৰঅ' এছডিএম-ক্ষমতা সীমিত, আৰু সকলো নিয়ন্ত্ৰণ কেন্দ্ৰীয় ছফটৱেৰৰ জৰিয়তে দিল্লী পৰ্যায়ত কেন্দ্ৰীভূত কৰা হৈছে। ককৰোচ জনতা পাৰ্টীৰ মূল দাবীসমূহৰ ভিতৰত আছে-মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে ততালিকে পদত্যাগ কৰি তেওঁৰ বিৰুদ্ধে অপৰাধমূলক আৰু ৰাষ্ট্ৰদ্ৰোহৰ অভিযোগত নিৰপেক্ষ তদন্ত আৰম্ভ কৰিব লাগে; এই সিদ্ধান্তসমূহৰ আঁৰত কাৰ নিৰ্দেশনা আছিল, সেয়াও স্পষ্ট কৰা উচিত। আগন্তুক নিৰ্বাচনৰ পূৰ্বে এছআইআৰ প্ৰক্ৰিয়া স্থগিত ৰাখিব লাগে, ২০২৫ চনৰ জানুৱাৰী মাহৰ ভোটাৰ তালিকা পুনৰুদ্ধাৰ কৰিব লাগে, আৰু স্বতন্ত্ৰ ন্যায়িক তদন্ত আয়োগ গঠন কৰিব লাগে। নিৰ্বাচন আয়ুক্ত নিযুক্তি নিয়ন্ত্ৰণ কৰা ২০২৩ চনৰ আইনখন সংশোধন কৰি নাগৰিক সমাজৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰিব লাগে। সংবাদমেলৰ শেষত তেওঁলোকে সকীয়নি দিয়ে যে যদি দাবী পূৰণ নহয়, তেন্তে দেশৰ যুৱক-যুৱতী আৰু নাগৰিকসকলক লগত লৈ ৰাজধানী দিল্লীত এক বৃহৎ প্ৰতিবাদৰ আয়োজন কৰা হ'ব।

## বিশ্ব সামুদ্ৰিক দিৱসত সাগৰীয়

উপলক্ষে প্ৰথমবাৰৰ বাবে এই দিৱস উদযাপন কৰা হৈছিল। এইবাৰ বিশ্ব সামুদ্ৰিক দিৱস ২৪ ছেপ্টেম্বৰত পালন কৰা হৈছে। ২০২৬ আৰু ২০২৭ চনৰ বাবে IMOৰ বিশ্ব সামুদ্ৰিক দিৱসৰ বিষয়বস্তু হৈছে "From Policy to Practice: Powering Maritime Excellence।" প্ৰথমবাৰৰ বাবে এই বিষয়বস্তু দুবছৰ ধৰি কাৰ্যকৰী কৰা হ'ব। ইয়াৰ জৰিয়তে ঢত্তখৰ নীতিসমূহ বাস্তৱত ৰূপায়ণ কৰাৰ প্ৰতিশ্ৰুতি কাৰিকৰী সহায়, প্ৰশিক্ষণ আৰু অন্যান্য প্ৰয়োজনীয় সেৱাৰ জৰিয়তে স্পষ্ট কৰি তোলা হ'ব। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিশ্ব সামুদ্ৰিক দিৱস উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰি সমুদ্ৰ ক্ষেত্ৰত ভাৰতৰ বিকাশৰ ৰূপৰেখা প্ৰকাশ কৰিছে। এক্স হেণ্ডেলত শ্বেয়াৰ কৰা পোষ্টত তেওঁ উল্লেখ কৰিছে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে সাগৰীয় ক্ষেত্ৰতো বিকাশৰ ধ্বজা উৰুৱাবলৈ সক্ষম হৈছে। তেওঁ লিখিছে, "বিশ্ব সামুদ্ৰিক দিৱসত ভাৰতৰ বিকাশৰ অন্যতম ৰোমাঞ্চকৰ কাহিনী চৰ্চাৰ যোগ্য। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী জীৰ দৃষ্টিভংগীৰ নেতৃত্বত ভাৰতৰ বন্দৰসমূহ এতিয়া দ্ৰুতগতিত আগবাঢ়িছে, জাহাজ পৰিবহণ বিশ্বজুৰি সম্প্ৰসাৰিত হৈছে আৰু অন্তৰ্দেশীয় জলপথসমূহেৰে পুনৰ ব্যৱসায় আৰম্ভ হৈছে।" সোণোৱালে জনোৱা অনুসৰি, ভাৰতৰ তিনিখন বন্দৰ বৰ্তমান বিশ্বৰ শীৰ্ষ ৩০খন বন্দৰৰ ভিতৰত আছে। সেইকেইখন হৈছে-মহাৰাষ্ট্ৰৰ জৱাহৰলাল নেহৰু বন্দৰ, গুজৰাটৰ মুন্দ্ৰা বন্দৰ আৰু অন্ধ্ৰ প্ৰদেশৰ বিশাখাপট্টনম বন্দৰ। ২০১৪-১৫ চনৰ তুলনাত বৰ্তমান বন্দৰৰ ক্ষমতা প্ৰায় ৮০ শতাংশ বৃদ্ধি পাইছে। মালবাহী জাহাজ পৰিচালনাৰ হাৰ ২০১৪-১৫ চনৰ তুলনাত ৫৯ শতাংশ বৃদ্ধি পাইছে। মুখ্য বন্দৰত টাৰ্ণএৰাউণ্ড সময় ৪৯ শতাংশ হ্ৰাস পাইছে। মধ্যপ্ৰাচ্যৰ ভূ-ৰাজনৈতিক উত্তেজনাই লজিষ্টিক নেটৱৰ্কৰ কিছু অংশ বিঘ্নিত কৰাৰ পাছতো ২০২৬ চনৰ আগষ্ট মাহত ভাৰতৰ বন্দৰৰ পৰিমাণ ৭ শতাংশ বৃদ্ধি পাইছে। জেফ্ৰিজৰ মতে, ডাঙৰ আৰু অপ্ৰধান-দুয়ো ধৰণৰ বন্দৰতে কাৰ্যকলাপ অধিক হোৱাৰ বাবেই এই বৃদ্ধি পৰিলক্ষিত হৈছে। জেফ্ৰিজ গ্ৰুপ আমেৰিকা যুক্তৰাষ্ট্ৰৰ এক বহুজাতিক স্বতন্ত্ৰ বিনিয়োগ বেংক আৰু বিত্তীয় সেৱা প্ৰতিষ্ঠান। চৰকাৰী মালিকানাধীন মুখ্য বন্দৰসমূহে বছৰি ১০ শতাংশ বৃদ্ধি পোৱাৰ বিপৰীতে অ-মুখ্য বন্দৰসমূহে ১১ শতাংশ বৃদ্ধিৰ তথ্য দিছে। জেফ্ৰিজে কয় যে শক্তিশালী বাণিজ্যিক প্ৰবাহ আৰু কণ্টেইনাৰ কাৰ্যকলাপে সামগ্ৰিক প্ৰদৰ্শনক সমৰ্থন কৰিছে। ট্ৰেন্সশ্বিপমেণ্টৰ পৰিমাণে বাহ্যিক ব্যাঘাতৰ মাজতো ভাৰতীয় বন্দৰসমূহক বিকাশ বজাই ৰখাত সহায় কৰিছে। যোৱা ফেব্ৰুৱাৰী মাহৰ তুলনাত বিশ্বব্যাপী কণ্টেইনাৰ মালবাহীৰ হাৰ ৰূচ শতাংশ বৃদ্ধি পাইছে। ই আন্তঃৰাষ্ট্ৰীয় জাহাজ পথসমূহৰ ওপৰত হেঁচা প্ৰতিফলিত কৰিছে। জেফ্ৰিজে এই বৃদ্ধিৰ কাৰণ মধ্যপ্ৰাচ্যত উত্তেজনা অব্যাহত থকা, মৌচুমীৰ আৰম্ভণিতে চালান আৰু চীনৰ সোণালী সপ্তাহৰ পূৰ্বে মালবাহী সামগ্ৰীৰ ফ্ৰণ্ট লোডিং বুলি উল্লেখ কৰিছে। ভাৰতীয় বন্দৰসমূহত কণ্টেইনাৰৰ পৰিমাণ বৃদ্ধিৰ সমান্তৰালভাৱে মালবাহী হাৰ বৃদ্ধিৰ কথাও প্ৰকাশ পাইছে। আগষ্ট মাহত কণ্টেইনাৰৰ পৰিমাণ ১০ শতাংশ বৃদ্ধি পাইছে। আঞ্চলিক বাণিজ্য আৰু লজিষ্টিকক প্ৰভাৱিত কৰা ভূ-ৰাজনৈতিক উত্তেজনাৰ ফলত হোৱা ব্যাঘাতৰ মাজতো সামগ্ৰিকভাৱে বন্দৰ কাৰ্যকলাপৰ সম্প্ৰসাৰণ অব্যাহত আছে। সৰ্বানন্দ সোণোৱালে এক্সত প্ৰকাশ কৰা অনুসৰি উপকূলীয় মালবাহীৰ পৰিমাণ প্ৰায় তিনিগুণ বৃদ্ধি পাই ৭৪ মিলিয়ন মেট্ৰিক টনৰ পৰা ২১৫.২৯ মিলিয়ন মেট্ৰিক টন হৈছে। জাহাজৰ পুনঃব্যৱহাৰৰ ক্ষেত্ৰতো ভাৰতে বিশ্বৰ ভিতৰতে অগ্ৰগতি লাভ কৰিছে। আনহাতে, অন্তৰ্দেশীয় জলপথতো ব্যৱসায় পুনৰ আৰম্ভ হোৱাৰ কথা কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে জানিবলৈ দিছে। তেওঁ উল্লেখ কৰা অনুসৰি অভ্যন্তৰীণ জল পৰিবহণৰ জৰিয়তে কাৰ্গো পৰিচালনা প্ৰায় ৭.৫ গুণ বৃদ্ধি পাই ২৯ মিলিয়ন মেট্ৰিক টনৰ পৰা ২১৮ মিলিয়ন মেট্ৰিক টন হৈছে। ৰাষ্ট্ৰীয় জলপথ নেটৱৰ্ক ২২ গুণ বৃদ্ধি কৰি ৩১ পৰা ১১১লৈ সম্প্ৰসাৰণ কৰা হৈছে। বৰ্তমানলৈকে ৩২টা ৰাষ্ট্ৰীয় জলপথ কাৰ্যকৰী হৈ থকা বুলি তেওঁ জানিবলৈ দিছে।

## চাৰি বছৰত অসমৰ ১০খন

আৰু ৰোগ নিৰ্ণয়ৰ পৰা আৰম্ভ কৰি কেমোথেৰাপী, ৰেডিঅ'থেৰাপী আৰু অস্ত্ৰোপচাৰলৈকে-এই সেৱাই অসমৰ জনসাধাৰণক নিজৰ ৰাজ্যতে গুণগত কৰ্কট চিকিৎসা লাভৰ সুযোগ দিছে। মুখ্যমন্ত্ৰীয়ে কয় যে এই সংখ্যাৰ আঁৰত অসংখ্য পৰিয়ালৰ আশা আৰু স্বস্তিৰ নিশ্বাস লুকাই আছে। কেইবছৰমান আগলৈকে উন্নত চিকিৎসাৰ বাবে অসমৰ বাহিৰলৈ যাবলগীয়া হোৱা বহু লোক এতিয়া নিজৰ ঘৰৰ ওচৰতে চিকিৎসা লাভ কৰিছে। এই সেৱাৰ পৰিসৰ আৰু অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে আজি ধুবুৰী, নলবাৰী, নগাঁও আৰু শিৱসাগৰত নতুন কৰ্কট চিকিৎসা কেন্দ্ৰৰ নিৰ্মাণকাৰ্য ক্ষিপ্ৰ কৰাৰ বাবে বিষয়াসকলক নিৰ্দেশনা প্ৰদান কৰা হৈছে। অসমৰ কোনো ৰোগীয়েই যাতে কৰ্কট চিকিৎসাৰ বাবে ৰাজ্যৰ বাহিৰলৈ যাবলগীয়া নহয়, এই লক্ষ্যত ৰাজ্য চৰকাৰ দৃঢ়ভাৱে আগবাঢ়িছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

## গুৱাহাটীৰ ২৩, ৩৬ নম্বৰ পথত

'সেউজ পথ' হিচাপে গঢ়ি তোলাৰ লগতে এই পথ দুটাত ডিজেল চালিত চিটী বাছৰ চলাচল সম্পূৰ্ণৰূপে বন্ধ কৰাৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তত ন্যায়ালয়ে সন্মতি প্ৰদান কৰিছে। কামৰূপ মহানগৰ জিলাৰ আঞ্চলিক পৰিবহণ কৰ্তৃপক্ষ (RTA)ই এই নিৰ্দিষ্ট পথ দুটাৰ পৰা ডিজেল বাছ প্ৰত্যাহাৰ কৰা আৰু বৰ্তমানৰ বাছসমূহ অন্য পথলৈ স্থানান্তৰিত কৰাৰ সিদ্ধান্ত লৈছিল। এই সিদ্ধান্তক প্ৰত্যাহ্বান জনাই গুৱাহাটীৰ মেট্ৰ'পলিটান ট্ৰেন্সপৰ্ট এছ'চিয়েচনে দাখিল কৰা ৰিট আবেদনসমূহ ন্যায়াধীশ সঞ্জয় কুমাৰ মেধিৰ বিচাৰপীঠে খাৰিজ কৰে। ন্যায়ালয়ে স্পষ্ট কৰি দিয়ে যে গুৱাহাটীক কাৰ্বন নিৰ্গমনৰ পৰা মুক্ত কৰাৰ লক্ষ্যৰে ২০২১ চনৰ ২০ আগষ্টত ৰাজ্যিক কেবিনেটে লোৱা সিদ্ধান্তৰ আধাৰতেই RTA-এ এই পদক্ষেপ গ্ৰহণ কৰিছে। সেয়েহে, কৰ্তৃপক্ষৰ এই সিদ্ধান্ত লোৱাৰ কোনো আইনী অধিকাৰ বা অধিকাৰক্ষেত্ৰ নাই বুলি আবেদনকাৰীয়ে কৰা দাবী ন্যায়ালয়ে নাকচ কৰে। বাছ মালিকসকলে যুক্তি দৰ্শাইছিল যে তেওঁলোকৰ বাহনসমূহৰ বৈধ পাৰ্মিট আছে আৰু মটৰ বাহন আইন, ১৯৮৮-ৰ বিধিগত প্ৰক্ৰিয়া অনুসৰণ নকৰাকৈ RTA-এ তেওঁলোকক অনুমোদিত পথত চলাচল কৰাত বাধা দিব নোৱাৰে বা আন পথলৈ যাবলৈ বাধ্য কৰিব নোৱাৰে। আনহাতে, চৰকাৰে ন্যায়ালয়ক অৱগত কৰে যে কাৰ্বন নিৰ্গমন হ্ৰাস কৰাৰ প্ৰচেষ্টাৰ অংশ হিচাপেই চৰকাৰে এই 'সেউজ পথ' (Green Route) নীতি প্ৰৱৰ্তন কৰিছে। চৰকাৰে বাছ মালিকসকলক দুটা বিকল্প দিছিল- হয় তেওঁলোকৰ বাহনসমূহ CNG বা বৈদ্যুতিক বাহন (EV)লৈ ৰূপান্তৰ কৰক, নতুবা চৰকাৰে নিৰ্ধাৰণ কৰা ১০টা বিকল্প পথৰ যিকোনো এটালৈ স্থানান্তৰিত হওক। চৰকাৰৰ তথ্য অনুসৰি, এই পথ দুটাত চলি থকা ডেৰশৰো অধিক বাছৰ ভিতৰত প্ৰায় ১০০খন বাছে ইতিমধ্যে বিকল্প পথ বাছি লৈছে।

## দুৰ্গা পূজা উপলক্ষে ১৭ অক্টোবৰত

কৰিব পৰাকৈ এই পদক্ষেপ লোৱা হৈছে। কৃষি ক্ষেত্ৰত ৰাজ্য চৰকাৰে অসমৰ কৃষকসকলে লোৱা ঋণৰ ক্ষেত্ৰত ৫ শতাংশ ৰেহাই দিব। কৃষি সংগঠনৰ ঋণৰ ক্ষেত্ৰত ১০ শতাংশ ৰেহাইৰ ব্যৱস্থা কৰা হ'ব। কৃষি আন্তঃগাঁথনি উন্নয়নৰ ঋণৰ ক্ষেত্ৰত এই বিশেষ ব্যৱস্থা প্ৰযোজ্য হ'ব। সুলভ মূল্যৰ দোকানত এতিয়া ১০০ টকাত চেনি আৰু দাইল পোৱা যাব। ইয়াৰ পূৰ্বে চৰকাৰে ইয়াৰ মূল্য ১০৫ টকা নিৰ্ধাৰণ কৰিছিল। চেনিৰ দাম হ্ৰাস পোৱাৰ বাবেই ৰাজ্য চৰকাৰে এই সিদ্ধান্ত লৈছে। সুলভ মূল্যৰ দোকানীয়ে অতিৰিক্তভাৱে ৫ টকা ল'ব নোৱাৰিব। শিক্ষা ক্ষেত্ৰত ১৬৬ গৰাকী মাষ্টাৰৰোলৰ শিক্ষকক পে স্কেলৰ অন্তৰ্ভুক্ত কৰা হ'ল। আধাৰ কাৰ্ডৰ ক্ষেত্ৰত আত্মসহায়ক গোটৰ মহিলাসকলে,ৰ মাৰ্চলৈকে আবেদন কৰিব পাৰিব। ১৬ বছৰৰ ওপৰৰ লোকে আধাৰ কাৰ্ডৰ বাবে আবেদন কৰিব নোৱাৰাৰ নিৰ্দেশনা আগতে জাৰি কৰা হৈছিল। উদ্যোগ ক্ষেত্ৰত JK লক্ষ্মী চিমেণ্টৰ ১১, ০০০ কোটি টকাৰ বিনিয়োগক অনুমোদন দিয়া হ'ল। JK লক্ষ্মীয়ে উমৰাংছুকে ধৰি আন চাৰি স্থানত চিমেণ্ট ফেক্টৰী স্থাপন কৰিব। চৰকাৰে প্ৰায় ৫০টা উদ্যোগৰ বাবে বিশেষ পুঁজিৰ যোগান ধৰিব। ইয়াৰ উপৰি পাথাৰকান্দিত কৃষি মহাবিদ্যালয়ৰ বাবে ২৫৬ বিঘা ভূমি আবণ্টন কৰা হ'ল। বিবাহ পঞ্জীয়নৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইছলাম ধৰ্মাৱলম্বী লোকসকলে সাধাৰণভাৱেই বৈবাহিক পঞ্জীয়ন কৰিব পাৰিব। অসম মুছলিম মেৰিয়েজ ৰেজিষ্ট্ৰেচন কম্পালচন ৰুলত অনুমোদন জনোৱা হ'ল। পূজাৰ বিশেষ উপহাৰ হিচাপে মহিলাসকলৰ বাবে অৰুণোদয়ৰ ঘোষণা কৰা হয়। অক্টোবৰ মাহত ১৫০০ টকাকৈ দিয়া হ'ব অৰুণোদয়। বিহুৰ সময়তো অৰুণোদয় হিতাধিকাৰীক অতিৰিক্ত ধন দিয়া হ'ব। বহু অৰুণোদয় হিতাধিকাৰীৰ একাউণ্টত ধন নোসোমোৱাক লৈ মুখ্যমন্ত্ৰীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁ কয়, "মই নকটালৈকে হিতাধিকাৰীৰ নাম কোনেও কাটিব নোৱাৰে।" কিন্তু ভুল তথ্য দি অৰুণোদয় লোৱাসকলৰ নাম কটা যাব পাৰে। শেষত চাহ বাগিচাৰ বিষয়েও তথ্য প্ৰকাশ কৰা হয়। ৫৪৮খন চাহ বাগিচাৰ মালিকে ২০ শতাংশ ব'নাচ ঘোষণা কৰিছে। ২৫৯খন চাহ বাগিচাৰ মালিকে এতিয়াও চাহ শ্ৰমিকৰ ব'নাচ ঘোষণা কৰা নাই। ইপিনে, পূজা উপলক্ষে ১৭ অক্টোবৰত অতিৰিক্তভাৱে এদিন বন্ধ ঘোষণা কৰিছে চৰকাৰে।

## ঔদ্যোগিকীকৰণত অসমৰ সৰ্বোত্তম

বিত্ত মন্ত্ৰীগৰাকীয়ে এই মন্তব্য আগবঢ়ায়। অনুষ্ঠানত অসমৰ বিশেষ আকৰ্ষণ বা ইউএছপি সম্পৰ্কে সোধা এক প্ৰশ্নৰ উত্তৰত তেওঁ এই কথা কয়। মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই এক্সত পোষ্ট কৰি লিখিছে, "দশক দশক ধৰি এই প্ৰশ্নৰ স্পষ্ট উত্তৰ আছিল চাহ আৰু তেল। কিন্তু আজি অসমৰ শক্তি হৈছে পৰম্পৰাগত খণ্ডসমূহক কোনো ধৰণৰ ক্ষতি নকৰাকৈ তাৰ বাহিৰলৈ গৈ অৰ্থনীতিৰ বৈচিত্ৰ্যকৰণ কৰা। ইয়াৰ আঁৰত আছে এক বিশ্বাসযোগ্য আৰু সক্ষম মানৱ সম্পদৰ ভেটি।" মন্ত্ৰীগৰাকীয়ে কয় যে অসমে ছেমিকণ্ডাক্টৰকে ধৰি নতুন নতুন খণ্ডৰ বাবে দুৱাৰ মুকলি কৰিছে। লগতে ৰাজ্যখনত ষ্টাৰ্টআপৰ পৰিৱেশো ক্ৰমাৎ শক্তিশালী হৈ উঠিছে। ব্যৱসায়ৰ অনুকূল সংস্কাৰ আৰু ছিংগল-উইণ্ড' ক্লিয়াৰেন্স ব্যৱস্থাৰ কথাও তেওঁ উল্লেখ কৰে। তেওঁ কয়, "ঔদ্যোগিকীকৰণৰ বাবে অসমৰ আটাইতকৈ ডাঙৰ সম্পদ হৈছে মানৱ সম্পদ। ইয়াৰ বাবেই বৰ্তমান বিনিয়োগৰ বাবে অসম এক শ্ৰেষ্ঠ গন্তব্যস্থান।" উদ্যোগ আৰু বিনিয়োগৰ অনুকূল পৰিৱেশ সৃষ্টি কৰাত ৰাজ্য চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলিও তেওঁ জানিবলৈ দিয়ে। বিত্তমন্ত্ৰীগৰাকীয়ে লগতে কয়, "এতিয়া লক্ষ্য স্পষ্ট-উদ্যোগ আৰু বিনিয়োগৰ বাবে সঠিক পৰিৱেশ সৃষ্টি কৰা। এই অগ্ৰাধিকাৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ '#ViksitAssam' দৃষ্টিভংগীৰ কেন্দ্ৰবিন্দু হৈ আহিছে।" উল্লেখ্য, বিত্তমন্ত্ৰী জয়ন্ত মল্ল বৰুৱা বৰ্তমান মুম্বাইত এছবিআই কনক্লেভত অংশগ্ৰহণৰ বাবে উপস্থিত আছে। এই সন্মিলনত বেংকিং, অৰ্থনীতি আৰু ব্যৱসায় খণ্ডৰ বিভিন্ন অংশীদাৰ একত্ৰিত হৈছে।

## দিব্যাংগজনসকল কৃপাৰ পাত্ৰ নহয়

সংবেদনশীল আৰু অন্তৰ্ভুক্তিমূলক সমাজ গঢ়ি তুলিবলৈ দিব্যাংগজনসকলক সমাজৰ মূলসূতিৰ সৈতে সমান সুযোগ আৰু মৰ্যাদাৰে আগুৱাই নিয়াটো অতি প্ৰয়োজনীয়। বিশেষভাৱে সক্ষম ব্যক্তিসকলে যাতে কোনো ক্ষেত্ৰতে তেওঁলোকৰ প্ৰাপ্য অধিকাৰ আৰু চৰকাৰী সুবিধাৰ পৰা বঞ্চিত হ'বলগীয়া নহয়, সেই দিশত ৰাজ্য চৰকাৰ সদায় সজাগ আৰু দায়বদ্ধ বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে, "দিব্যাংগজনসকলৰ কল্যাণ কেৱল এখন চৰকাৰী আঁচনিৰ বিষয় নহয়; ই আমাৰ সামাজিক দায়িত্ব আৰু মানৱীয় দায়বদ্ধতাৰ এক অন্যতম অংশ। তেওঁলোকৰ সমস্যাৰ স্থায়ী সমাধানৰ বাবে চৰকাৰ আৰু সংশ্লিষ্ট সংগঠনসমূহে সন্মিলিতভাৱে কাম কৰিব লাগিব।" চৰকাৰে সংগঠনসমূহৰ প্ৰতিনিধিসকলৰ বহুমূলীয়া মতামত আৰু পৰামৰ্শসমূহ গুৰুত্বসহকাৰে গ্ৰহণ কৰি বিষয়সমূহ পৰ্যালোচনা কৰাৰ পাছত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব বুলিও তেওঁ আশ্বাস প্ৰদান কৰে। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে ড° অৰূপ জ্যোতি কলিতাৰ নেতৃত্বত অহা 'সক্ষম উত্তৰ-পূব প্ৰান্ত'ৰ বিষয়ববীয়াসকলৰ সৈতেও এক সুকীয়া আলোচনাত মিলিত হয়। এই আলোচনাত ৰাজ্যৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ দিব্যাংগজনসকলৰ সামগ্ৰিক উন্নয়ন, সবলীকৰণ আৰু অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰ, সামাজিক সংগঠন আৰু সংশ্লিষ্ট প্ৰতিষ্ঠানসমূহে কেনেদৰে সমন্বিতভাৱে কাম কৰি আগবাঢ়িব পাৰে, সেই সম্পৰ্কে ফলপ্ৰসূ মত-বিনিময় কৰা হয়। আলোচনাৰ সামৰণিত মন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰি দিয়ে যে দিব্যাংগজনসকলক কৃপা বা সহায়ৰ পাত্ৰ হিচাপে নহয়, বৰং সমান অধিকাৰ, সম-সুযোগ আৰু সম-মৰ্যাদাৰ অধিকাৰী স্বাধীন নাগৰিক হিচাপে প্ৰতিষ্ঠা কৰাই চৰকাৰৰ মূল লক্ষ্য। এই লক্ষ্য প্ৰাপ্তিৰ বাবে সকলো পক্ষৰ সহযোগিতা আৰু সক্ৰিয় অংশগ্ৰহণে এখন অধিক সাম্য আৰু সংবেদনশীল সমাজ নিৰ্মাণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

## বোকাখাতত অৱস্থান ধৰ্মঘটস্থলীৰ

ধৰ্মঘটস্থলীৰ পৰাই আৰক্ষীয়ে গীতা গোৱালাসহ ১০ গৰাকী ধৰ্মঘটকাৰীক আটক কৰে। দিনজোৱা কাৰ্যসূচীৰে আয়োজন কৰা এই অৱস্থান ধৰ্মঘটৰ মাজতে আৰক্ষীয়ে ধৰ্মঘটস্থলীত উপস্থিত হৈ প্ৰতিবাদকাৰীসকলক আটক কৰাৰ ফলত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। প্ৰণৱ দলে মুক্তি দাবী সমিতি, বৃহত্তৰ কাজিৰঙা ভূমি আৰু মানৱ অধিকাৰ সুৰক্ষা সমিতি তথা কৃষক সভা, অসমৰ আহ্বানত আজি বোকাখাতত এই অৱস্থান ধৰ্মঘট কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। প্ৰণৱ দলেৰ মুক্তিৰ লগতে খিলঞ্জীয়া কৃষক-শ্ৰমিক পৰিয়ালৰ ভূমি অধিকাৰ সুৰক্ষাৰ দাবী উত্থাপন কৰি ধৰ্মঘটকাৰীসকলে চৰকাৰৰ দৃষ্টি আকৰ্ষণৰ চেষ্টা কৰে। ধৰ্মঘট চলি থকাৰ সময়তে আৰক্ষীয়ে ধৰ্মঘটস্থলীত উপস্থিত হৈ গীতা গোৱালাসহ মুঠ ১০ গৰাকী প্ৰতিবাদকাৰীক আটক কৰি থানালৈ লৈ যায়। আৰক্ষীৰ এই পদক্ষেপক লৈ ধৰ্মঘটস্থলীত উপস্থিত প্ৰতিবাদকাৰী আৰু সমৰ্থকসকলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। উল্লেখ্য, প্ৰণৱ দলেৰ গ্ৰেপ্তাৰৰ পিছত তেওঁৰ মুক্তিৰ দাবীক কেন্দ্ৰ কৰি বিগত কিছুদিন ধৰি বোকাখাতত ধাৰাবাহিকভাৱে প্ৰতিবাদী কাৰ্যসূচী অনুষ্ঠিত হৈ আহিছে। আজি অনুষ্ঠিত অৱস্থান ধৰ্মঘটৰ জৰিয়তে সংগঠনকেইটাই প্ৰণৱ দলেৰ মুক্তি আৰু ভূমি অধিকাৰৰ দাবী পুনৰ উত্থাপন কৰে।

## জ্ঞানেশ কুমাৰক দেশদ্ৰোহী

হৈছে। তেওঁ কয়, "আমাৰ চকুৰ আগতেই ভাৰতৰ গণতন্ত্ৰ ধ্বংস হোৱা দেখা গৈছে, গতিকে কংগ্ৰেছ বহি নাথাকে।" লগতে তেওঁ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক দেশদ্ৰোহী বুলি অভিহিত কৰি তেওঁৰ পদত্যাগৰ দাবী জনায়। সংবাদমেলত কংগ্ৰেছ নেতাগৰাকীয়ে দেশৰ নিৰ্বাচন আয়োগৰ ভূমিকা আৰু শাসকীয় দলৰ নিৰ্বাচনী সফলতা সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰে। তেওঁ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ ইতিহাসৰ উল্লেখ কৰি কয়, "১৯৭১ চনৰ বাংলাদেশ যুদ্ধত ঐতিহাসিক বিজয়ৰ পিছত যেতিয়া ইন্দিৰা গান্ধী জনপ্ৰিয়তাৰ শীৰ্ষত আছিল, তেতিয়া তেওঁৰো দুবছৰমানৰ ভিতৰতে তীব্ৰ প্ৰতিষ্ঠাবিৰোধী আৱেগ আৰু গণৰোষৰ সন্মুখীন হ'বলগীয়া হৈছিল। কিন্তু ৰহস্যজনক কাৰণত প্ৰধানমন্ত্ৰী মোদী, অমিত শাহ বা বিজেপিৰ ক্ষেত্ৰত সেই নিয়ম বৰ্তমান সময়ত প্ৰযোজ্য নহয়।"

## চৰকাৰী বিজ্ঞাপনত বৈষম্য

যোৱা ১২ জুনত নিৰ্বাচনী আচৰণ বিধি সামৰণি পৰাৰ পাছতো তথ্য আৰু জনসংযোগ বিভাগৰ সঞ্চালকে অসম চৰকাৰৰ 'Advertising Policy of Government of Assam, 2008' আৰু দেশৰ মহামান্য উচ্চতম ন্যায়ালয়ৰ WP(C) No.197 of 2004 তথা WP(C) No.302 সম্পৰ্কত ২০১৫ চনৰ ১৩ মে'ত দিয়া স্পষ্ট নিৰ্দেশনাক সম্পূৰ্ণৰূপে অৱমাননা কৰিছে। সকলো নীতি-নিয়ম জলাঞ্জলি দি সঞ্চালকে কেৱল মুষ্টিমেয় কেইখনমান বৃহৎ দৈনিক কাকতকহে নিয়মীয়াকৈ বিজ্ঞাপন যোগান ধৰি আহিছে। বিজ্ঞপ্তিত সম্পাদকদ্বয়ে উল্লেখ কৰে যে অসমৰ সংবাদ মাধ্যমৰ ২০০ বছৰীয়া ইতিহাসত তথ্য আৰু জনসংযোগ বিভাগৰ এই কাৰ্য এক 'কলা অধ্যায়' হিচাপে চিহ্নিত হৈ থাকিব। বিভাগীয় সঞ্চালকৰ একপক্ষীয় সিদ্ধান্তৰ বাবে বিগত প্ৰায় ৬ মাহ ধৰি ধাৰাবাহিকভাৱে চৰকাৰী বিজ্ঞাপনৰ পৰা বঞ্চিত হৈ পৰিছে বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা প্ৰকাশিত বহুসংখ্যক ক্ষুদ্ৰ আৰু মজলীয়া বাতৰি কাকত। ইয়াৰ ফলত এই কাকতসমূহত কৰ্মৰত প্ৰায় ১৫০০ গৰাকী সাংবাদিক আৰু সংবাদকৰ্মীৰ পৰিয়ালৰ ভৰণ-পোষণ তথা জীৱন-জীৱিকালৈ তীব্ৰ ভাবুকি আহি পৰিছে। সংগঠনটোৱে কয় যে মফচলীয় তথা গ্ৰামাঞ্চলত নতুন নতুন লেখক-লেখিকা, কবি-সাহিত্যিক সৃষ্টি কৰাৰ লগতে থলুৱা ভাষা-সংস্কৃতিৰ বিকাশ আৰু সম্প্ৰসাৰণত এই ক্ষুদ্ৰ আৰু মজলীয়া বাতৰি কাকতসমূহৰ লগতে মাহেকীয়া আলোচনীবোৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তদুপৰি, চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনিসমূহ গ্ৰামাঞ্চলৰ সাধাৰণ ৰাইজৰ ওচৰলৈ লৈ যোৱাত এই সংবাদ মাধ্যমসমূহে অগ্ৰণী ভূমিকা লৈ আহিছে। লগতে উল্লেখ কৰে যে অসমৰ দৰে উদ্যোগিকভাৱে পিছপৰা ৰাজ্যখনত ব্যক্তিগত বা ব্যৱসায়িক প্ৰতিষ্ঠানৰ বিজ্ঞাপনৰ পৰিমাণ অতি সীমিত। এনে পৰিস্থিতিত চৰকাৰী বিজ্ঞাপন আৰু সহযোগিতা অবিহনে কোনো এখন বাতৰি কাকত বা আলোচনী চলাই ৰখা প্ৰায় অসম্ভৱ। বিশেষকৈ কভিড মহামাৰীৰ সময়ৰ পৰাই চৰম ক্ষতিৰ সন্মুখীন হোৱা এই সংবাদ পত্ৰসমূহক পুনৰ উজ্জীৱিত কৰাৰ পৰিৱৰ্তে চৰকাৰী বৈষম্যই ইহঁতক ধ্বংসৰ মুখলৈ ঠেলি দিছে। পৰিস্থিতিৰ গম্ভীৰতালৈ লক্ষ্য ৰাখি IFSMNৰ অসম ৰাজ্যিক সমিতিয়ে ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ জৰুৰী হস্তক্ষেপ দাবী কৰে। লগতে সংবাদকৰ্মীসকলৰ জীৱিকা সুৰক্ষিত কৰাৰ স্বাৰ্থত আৰ্থিক সংকটত ভোগা ক্ষুদ্ৰ, মজলীয়া বাতৰি কাকত আৰু মাহেকীয়া আলোচনীসমূহক পূৰ্বৰ দৰে অতি শীঘ্ৰেই নিয়মীয়াকৈ চৰকাৰী বিজ্ঞাপন প্ৰদান কৰিবলৈ চৰকাৰক ব্যৱস্থা গ্ৰহণৰ দাবী জনায়।

## "জুবিন যে মহান শিল্পী আছিল, সেই

পাছতহে তেওঁ জুবিনৰ বিষয়ে জানিবলৈ পাইছিল। জুবিনৰ মৃত্যুৰ পাছতহে তেওঁ গম পাইছিল যে জুবিন গাৰ্গে ৪০ হাজাৰ গান গাইছিল। জুবিনৰ স্বাস্থ্যৰ অৱস্থাৰ বিষয়েও তেওঁ অজ্ঞ আছিল বুলি অভিমন্যু তালুকদাৰে উল্লেখ কৰে। অসমত মাত্ৰ দুবছৰ থকা অভিমন্যুৱে জিতুল সোণোৱালকহে শিল্পী হিচাপে জানিছিল বুলি জনায়। য়ট পাৰ্টী সম্পৰ্কত মন্তব্য কৰি তেওঁ কয় যে য়ট পাৰ্টীৰ আয়োজক আছিল তন্ময় ফুকন। জুবিনে দ্বিতীয়বাৰ সাগৰত নামোতে লাইফ জেকেট পৰিধান কৰা নাছিল। ছিংগাপুৰৰ প্ৰতীম নামৰ এজন জুবিনৰ সৈতে পানীত নামি গৈছিল বুলিও অভিমন্যু তালুকদাৰে উল্লেখ কৰে। শেষ মুহূৰ্তত জুবিনক কেনেকৈ পাইছিল, সেই কথা অভিমন্যু তালুকদাৰে স্পষ্টকৈ নকয়। চালে-বেৰে কথা কৈ নিজক নিৰ্দোষী সজোৱাৰ চেষ্টা কৰা দেখা যায়। য়ট পাৰ্টীত যোৱাৰ সময়ত জুবিনৰ সৈতে তেওঁৰ কথা-বাৰ্তা হৈছিল বুলি অভিমন্যুৱে কয়। তাত অসমৰ ইতিহাস, কলা-সংস্কৃতি লৈ জুবিনে বহু কথা কৈছিল বুলিও তেওঁ উল্লেখ কৰে। সংবাদ মাধ্যমৰ আগত অভিমন্যু তালুকদাৰে কয় যে জুবিন গাৰ্গ পানীত ডুব যোৱাৰ প্ৰায় ১০ মিনিটৰ ভিতৰত ট্ৰিট্মেন্ট দিয়া হৈছিল। ইয়াৰ পিছত জুবিনক মেডিকেললৈ নিবলৈ আধা ঘণ্টা সময় লাগিছিল বুলি তেওঁ উল্লেখ কৰে। ১৭ ছেপ্টেম্বৰত সুৰাৰ বটল যোগান ধৰাৰ কথা অভিমন্যু তালুকদাৰে অৱগত কৰে। তেওঁৰ মন্তব্য অনুসৰি শ্যামকানুৰ নিৰ্দেশত সুৰাৰ বটল যোগান ধৰা হৈছিল। সুৰাৰ বটলটো অভিমন্যুৱে শ্যামকানুক যোগান ধৰিছিল বুলিও তেওঁ উল্লেখ কৰে।

## মুখ্যমন্ত্ৰীৰ মুখত ৬ তাৰিখলৈকে

ভিতৰচ'ৰাত চলি থকা অনিয়ম আৰু বিতৰ্কৰ প্ৰসংগ উত্থাপন কৰি সাংসদ হুছেইনে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক পদৰ পৰা নিলম্বন কৰাৰ লগতে গ্ৰেপ্তাৰ কৰাৰ জোৰদাৰ দাবী জনায়। নিৰ্বাচনী ব্যৱস্থাৰ স্বচ্ছতা সম্পৰ্কে প্ৰশ্ন তুলি তেওঁ আয়োগৰ ভূমিকা সংকটৰ আৱৰ্তত পৰিছে বুলি অভিযোগ কৰে। আনহাতে, চামগুৰি সমষ্টিৰ এজন বিজেপি নেতাৰ ভাইৰ ভাইৰেল ফোন ৰেকৰ্ডিঙক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ৰকিবুল হুছেইনে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক পোনপটীয়া সমালোচনা কৰে। তেওঁ কয়, "হিমন্ত বিশ্ব শৰ্মাই দূৰৰ পৰা ৰং চাই আছে, তেওঁৰ মহিমা অপাৰ।" 'মিঞা' ৰাজনীতিক লৈ মুখ্যমন্ত্ৰীক আক্ৰমণ কৰি হুছেইনে কয় যে মুখ্যমন্ত্ৰীয়ে 'মিঞা'ক গালি পাৰি পাৰি শেষ কৰি দিলে, আৰু ৬ তাৰিখলৈকে 'মিঞা' শব্দটো সলনি হৈ 'সংখ্যালঘু' হৈ পৰিল। চামগুৰি সমষ্টিত সংঘটিত মাৰপিট আৰু হিংসাত্মক ঘটনা সম্পৰ্কত মন্তব্য কৰি সাংসদগৰাকীয়ে ৰাইজৰ দলৰ সভাপতি তথা ধিং সমষ্টিৰ বিধায়ক অখিল গগৈক তীব্ৰ ভাষাৰে সমালোচনা কৰে। তেওঁ কয় যে চামগুৰিৰ এই ঘটনাত বিজেপিৰ এজনে যিমান উপভোগ কৰা নাই, তাতকৈ ধিং সমষ্টিৰ বিধায়ক অখিল গগৈয়ে বেছি আনন্দ পাইছে। ধুবুৰী লোকসভা সমষ্টিৰ ঐতিহাসিক ৰাজনৈতিক পটভূমি উল্লেখ কৰি সাংসদ ৰকিবুল হুছেইনে এআইইউডিএফ (AIUDF) প্ৰধান বদৰুদ্দিন আজমলকো তীব্ৰ সমালোচনা কৰে। আজমলে কেৱল ধৰ্মীয় সংখ্যালঘু লোকসকলক নিজৰ ৰাজনৈতিক স্বাৰ্থৰ বাবে ব্যৱহাৰ কৰি আবেগক লৈ ৰাজনীতি কৰি অহা বুলি তেওঁ অভিযোগ উত্থাপন কৰে।

## এছিয়ান গেমছৰ মহিলাৰ ১০,০০০

প্ৰথমটো পদক, যিয়ে এই সাফল্যক অধিক বিশেষ কৰি তুলিছে। ইফালে, এই প্ৰতিযোগিতাত বাহৰেইনৰ ৱিনফ্ৰেড ইয়াভিয়েþ৩২ মিনিট ৩৯.১৮ ছেকেণ্ড সময় লৈ স্বৰ্ণ পদক নিজৰ নামত কৰে। আনহাতে, চীনৰ ইয়াংইয়াং হুয়াঙেllll ৩২ মিনিট ৪১.৫৪ ছেকেণ্ড সময় লৈ ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়। এথলেট সীমা কুমাৰীৰ এই চমকপ্ৰদ সাফল্যই এছিয়ান গেমছ ২০২৬ৰ এথলেটিকছত ভাৰতৰ পদক তালিকাত এক নতুন ইতিবাচক সংযোজন ঘটাইছে। তেওঁৰ এই ঐতিহাসিক জয়ত সমগ্ৰ ক্ৰীড়াজগতৰ লগতে সমগ্ৰ দেশবাসীয়ে আনন্দ প্ৰকাশ কৰি তেওঁলৈ অভিনন্দন জ্ঞাপন কৰিছে।

## শিলচৰ পৌৰ নিগম নিৰ্বাচনত

শইকীয়াই বিভিন্ন ৱাৰ্ডত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে সাংগঠনিক সভাত অংশগ্ৰহণ কৰিব। শিলচৰ পৌৰ নিগমৰ প্ৰথম নিৰ্বাচনখনৰ প্ৰতি লক্ষ্য ৰাখি বিজেপিয়ে ইতিমধ্যে ৪২টা ৱাৰ্ডক কেন্দ্ৰ কৰি সাংগঠনিক আৰু প্ৰচাৰৰ প্ৰস্তুতি আৰম্ভ কৰিছে। দলটোৱে ৩৮টা ৱাৰ্ডত প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ লগতে দুটা ৱাৰ্ডত বিনা প্ৰতিদ্বন্দ্বিতাত জয়লাভ কৰিছে। দলীয় সূত্ৰই জনোৱা মতে, এই মাহৰ শেষৰ ফালে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা শিলচৰত উপস্থিত হোৱাৰ কথা আছে।

### সন্তান জন্মৰ পাছত প্ৰকৃত পৰিচয় পোহৰলৈ; ন্যায়ৰ আশাত মাজুলীৰ যুৱতী

## হিন্দু পৰিচয়েৰে দুবছৰ লিভ-ইনত থাকি প্ৰতাৰণা

**অসম বাৰ্তা, উজনী মাজুলী, ২২ ছেপ্টেম্বৰ ঃ** হিন্দু পৰিচয় দি প্ৰেমৰ সম্পৰ্ক গঢ়ি তুলি দুবছৰ ধৰি লিভ-ইনত থকাৰ পিছত এগৰাকী মাজুলীৰ যুৱতীক প্ৰতাৰণা কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে এজন মুছলমান যুৱকৰ বিৰুদ্ধে। যুৱতীগৰাকীৰ অভিযোগ অনুসৰি, "ৰাহুল দাস" নামেৰে নিজকে চিনাকি দিয়া যুৱকজনৰ প্ৰকৃত নাম খুৰচিদ আলি। তেওঁৰ প্ৰকৃত পৰিচয় গোপন ৰাখিয়েই যুৱতীগৰাকীৰ সৈতে সম্পৰ্ক স্থাপন কৰিছিল। যুৱতীগৰাকীৰ দাবী অনুসৰি, লিভ-ইনত থকাৰ সময়ছোৱাত তেওঁ সন্তানসম্ভৱা হোৱাৰ পিছতহে যুৱকজনৰ প্ৰকৃত পৰিচয় জানিব পাৰে। এই কথা জানিব পাৰি সম্পৰ্কৰ পৰা আঁতৰি আহিবলৈ চেষ্টা কৰোঁতেই তেওঁৰ ওপৰত শাৰীৰিক আৰু মানসিক নিৰ্যাতন চলোৱা হৈছিল বুলি অভিযোগ কৰিছে। আনকি পাঁচ মাহৰ গৰ্ভৱতী অৱস্থাত গাৰুৰে প্ৰহাৰ কৰি হত্যা কৰাৰো চেষ্টা চলোৱা হৈছিল বুলি যুৱতীগৰাকীয়ে অভিযোগ উত্থাপন কৰিছে। ইয়াৰ পিছতো গৰ্ভস্থ সন্তানৰ ভৱিষ্যতৰ কথা চিন্তা কৰি যুৱতীগৰাকীয়ে সম্পৰ্কটো জীয়াই ৰাখিবলৈ চেষ্টা কৰিছিল। কিন্তু সন্তান জন্মৰ পিছত খুৰচিদ আলিয়ে ধন দাবী কৰি পুনৰ মানসিক নিৰ্যাতন চলোৱা বুলি তেওঁ অভিযোগ কৰিছে। পিছত তেওঁক মাজুলীৰ নিজ ঘৰলৈ আনি এৰি থৈ গুচি যায় বুলিও জানিবলৈ দিয়ে। যুৱতীগৰাকীৰ অভিযোগ অনুসৰি, পিছত ফোনযোগে যোগাযোগ কৰাৰ সময়তো খুৰচিদ আলিয়ে অপমানজনক মন্তব্য কৰি, "মুছলমানে কেৱল হিন্দু যুৱতীক ব্যৱহাৰহে কৰে, সংসাৰ কৰিবলৈ বিয়া নকৰে" বুলি কৈছিল। বৰ্তমান কণমানি সন্তানক বুকুত বান্ধি ন্যায়ৰ আশাত দিন কটাইছে যুৱতীগৰাকী। এই ঘটনাৰ উচিত তদন্ত কৰি দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে ন্যায় বিচাৰি তেওঁ মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ কামনা কৰিছে। ইফালে, যুৱতীগৰাকীয়ে জানিবলৈ দিয়া অনুসৰি, অভিযুক্ত খুৰচিদ আলিৰ ঘৰ গুৱাহাটীৰ জালুকবাৰীত।

# ডিব্ৰুগড়ৰ চিৰিংচাপৰি নামঘৰৰ সোণালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানত অৱসৰী অধ্যক্ষ ড° জয়কৃষ্ণ মহন্ত

## ডেৰ শতাধিক ভকত-বৈষ্ণৱৰ উপস্থিতি



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৪ ছেপ্টেম্বৰ ঃ** সকলোৱে এৰি দিলেও মৃত্যুৰ পিছতো মানুহক এৰি নিদিয়া অনুষ্ঠানটোৱেই হৈছেনামঘৰ। এই নামঘৰতেই ভুলে-শুদ্ধই কায়মনোবাক্যে ধৰ্মপুথি পঢ়িলেই ভগৱন্তৰ নাম লোৱা হয়। সেয়ে গুৰুজনা শ্ৰীমন্ত শংকৰদেৱসৃষ্ট নামঘৰ অসমীয়া সমাজৰ এক পৱিত্ৰ সমাজিক আৰু ধৰ্মীয় অনুষ্ঠান। এই বক্তব্য বৈষ্ণৱ পণ্ডিত, লেখক তথা ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ ড° জয়কৃষ্ণ মহন্তৰ। ১৯৭৫ চনৰ ৩০ আগষ্টত প্ৰতিষ্ঠা লাভ কৰা ডিব্ৰুগড়ৰ চিৰিংচাপৰিৰ বিশ্ববিদ্যালয় সংযোগী পথত অৱস্থিত চিৰিংচাপৰি নামঘৰটোৰ সোণালী জয়ন্তী বৰ্ষৰ কাৰ্যসূচীত অনুষ্ঠিত সামৰণি অনুষ্ঠানৰ মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি এইদৰে কয় ড° মহন্তই। ভাষণ প্ৰসংগত তেখেতে অসমীয়া সমাজত নামঘৰৰ ঐতিহ্য আৰু ধৰ্মীয় গ্ৰন্থ পঠন আৰু গায়নৰ জৰিয়তে হোৱা ভক্তিৰস আৰু ভক্তিধৰ্মৰ ভিন্ন দিশৰ সম্পৰ্কত বিস্তৃতভাৱে আলোকপাত কৰি তাত্বিক বক্তব্য আগবঢ়ায়। ইয়াৰ লগতে ড° মহন্তই বিশিষ্ট লেখিকা ৰেণু ফুকনৰ 'শংকৰদেৱ' নামৰ গ্ৰন্থখনিও উন্মোচন কৰে। চিৰিংচাপৰি ৰামেশ্বৰ শৰ্মা শংকৰদেৱ বিদ্যা নিকেতনত নামঘৰ পৰিচালনা সমিতিৰ উপসভাপতি অনি বালা বৰ্মনৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত সোণালী জয়ন্তী উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ 'তত্বপথ' উন্মোচন কৰি সাহিত্যাচাৰ্য তথা বিশিষ্ট কবি ড° কৰবী ডেকা হাজৰিকাই কয় যে এই গ্ৰন্থখনে কেৱল নামঘৰটোৰেই নহয় বৈষ্ণৱী সাহিত্যৰ এক কলা হিচাপেও স্বাক্ষৰ বহন কৰিছে। প্ৰসংগক্ৰমে সাহিত্যিক গৰাকীয়ে কয় যে আমাৰ মনত শংকৰদেৱৰ চিন্তা, আদৰ্শ সদাবিদ্যমান। অনুষ্ঠানত স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ যুটীয়া সম্পাদক আৰাধনা দত্ত আৰু ৰেণু ফুকনেও গ্ৰন্থ দুখনিৰ সম্পৰ্কত নিজৰ অনুভৱ ব্যক্ত কৰে। সভাত সোণালী জয়ন্তী উপলক্ষে আয়োজন কৰা চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগী সকলক পুৰস্কাৰ বিতৰণ কৰে বিশিষ্ট লেখিকা ড° ভাৰতী দত্ত আৰু জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকাই। ডেৰ শতাধিক ভকত-বৈষ্ণৱৰ উপস্থিতিত উদ্‌যাপন সমিতিৰ সাংস্কৃতিক সম্পাদক পদুমপোনা বৰুৱাই আঁতধৰা আৰু সম্পাদক ত্ৰৈলোক্য গগৈয়ে আদৰণি ভাষণ প্ৰদান কৰা সভাৰ আৰম্ভণি হয় অংকিতা বৰাৰ বৰগীত পৰিৱেশনেৰে। সভাত আয়ুসী বৰগোহাঁইৰ একক আৰু উৰ্মিমালা দুৱৰা আৰু অৰ্চিতা ফুকনৰ দ্বৈত সত্ৰীয়া নৃত্যৰ লগতে প্ৰস্তুতি বৰদলৈৰ পৰিচালিত দলীয় দশাৱতাৰ নৃত্য আৰু দিপ্তী কাকতিৰ পৰিচালনাত আয়তীসকলৰ দিহানামেৰে সভাখনিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত ভকত-বৈষ্ণৱ আৰু আয়তীসকলৰ দ্বাৰা এক আকৰ্ষণীয় ধৰ্মীয় শোভাযাত্ৰা মুকলি কৰে প্ৰদীপ কোঁৱৰে। উল্লেখযোগ্য যে দুদিনীয়াকৈ অনুষ্ঠিত সোণালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানত নাম-প্ৰসংগৰে আৰম্ভ কৰি ঘোষাৰ ব্যাখ্যা কৰে নীপকোৰ অৱসৰী মুখ্য মহাপ্ৰবন্ধক হৰিকৃষ্ণ চাংমায়ে। ইয়াৰ পিছতে নামঘৰৰ বহুকেইগৰাকী বয়োজ্যেষ্ঠ ভকত-বৈষ্ণৱক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

# গোলাঘাটত ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সামৰণি অনুষ্ঠান

## ভূপেন্দ্ৰ সংগীত আৰু বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২৪ ছেপ্টেম্বৰ ঃ** উত্তৰ-পূৰ্বাঞ্চলীয় সাংস্কৃতিক গোষ্ঠী আৰু সমন্বয়, গোলাঘাটৰ যৌথ উদ্যোগত তথা প্ৰবীণ শিল্পী মঞ্চ, গোলাঘাটৰ সহযোগত অহা ২৩ আৰু ২৪ অক্টোবৰত ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সামৰণি অনুষ্ঠানৰ আয়োজন কৰিছে। শতবৰ্ষৰ সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠানকেইটিয়ে গোলাঘাট এমেচাৰ থিয়েটাৰ ছ'চাইটিৰ প্ৰেক্ষাগৃহত আয়োজন কৰিছে অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত আৰু বক্তৃতা প্ৰতিযগিতাৰ। প্ৰথম দিনা ২৩ অক্টোবৰত পুৱা পতাকা উত্তোলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পিছতে অনুষ্ঠিত হ'ব ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা। অসম ভিত্তিত আয়োজন কৰা ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাত ড° ভূপেন হাজৰিকাৰ ২০টা নিৰ্ধাৰিত গীতৰ মাজতহে প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আয়োজক সমিতিয়ে নিৰ্ধাৰিত কৰি দিয়া গীতসমূহ 'মহাবাহু ব্ৰহ্মপুত্ৰ', 'বুকু হম হম কৰে', 'শাৰদী ৰাণী', 'সাগৰ সঙ্গমত', 'জোনাকৰে ৰাতি', 'সময়ৰ অগ্ৰগতি', 'কঁহুৱা বন মোৰ', 'ব্ৰহ্মপুত্ৰৰ দুটি পাৰ', 'জিক্ মিক্ দেৱালীৰ', 'ঘৰ আমাৰ মাটি হয়', 'সেন্দুৰ সেন্দুৰ ফোঁটটিয়ে', 'কপিলী কপিলী', 'স্নেহে আমাৰ', 'নতুন নিমাতী নিয়ৰে', 'বজালি যে পেঁপাটি', 'শ্বিলঙৰে গধূলি', 'নতুন নতুন সাহ', 'অ' মোৰ ধৰিত্ৰী আই', 'মানুহে মানুহৰ বাবে' আৰু 'দোলা দোলা'। প্ৰতিযোগিতাসমূহ দুটা শাখাত অনুষ্ঠিত হ'ব। দুটা শাখাত আয়োজন কৰা এই প্ৰতিযগিতাত নিম্ন শাখাত ৭ বছৰৰ পৰা ১৬ বছৰলৈ আৰু উচ্চশাখাত ১৬ বছৰৰ পৰা ওপৰৰ পৰতিযোগীয়ে অংশ গ্ৰহণ কৰিব পাৰিব। গীত প্ৰতিযোগিতাৰ বাবে বাদ্যযন্ত্ৰ প্ৰতিযোগীয়ে লগত আনিব লাগিব আৰু চাৰিজন সংগতকাৰীকহে অনুমোদন দিয়া হ'ব। কোনো ইলেক্ট্ৰনিক বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰিব নোৱাৰিব। প্ৰতিযোগীসকলে বয়সৰ প্ৰমাণ পত্ৰ লগত আনিব লাগিব। গীত প্ৰতিযোগিতাৰ অংশ গ্ৰহণৰ মাচুল উচ্চ শাখাৰ বাবে ৪০০ টকা আৰু নিম্ন শাখাৰ বাবে ৩০০ টকা ধাৰ্য কৰা হৈছে। সেইদৰে বক্তৃতা প্ৰতিযোগিতাৰ বাবে অংশ গ্ৰহণৰ মাচুল উচ্চশাখাৰ বাবে ২০০ টকা আৰু নিম্ন শাখাৰ বাবে ১০০ টকা ধাৰ্য কৰা হৈছে। গোলাঘাট জিলা ভিত্তিত বক্তৃতা প্ৰতিযোগিতাত নিম্ন শাখাৰ বাবে ভাৰতৰত্ন ড° ভূপেন হাজৰিকাদেৱৰ জীৱন আৰু সাংস্কৃতিক অৱদান। সময় ৫ মিনিট নিৰ্ধাৰণ কৰা হৈছে। উচ্চ শাখাৰ বাবে সুধাকণ্ঠৰ গীতৰ প্ৰতিযোগিতাৰ বাবে নিৰ্বাচিত কৰা যি কোনো এটা গীতৰ ওপৰত বক্তৃতা। সংগীত আৰু বক্তৃতা প্ৰতিযোগিতাৰ পুৰস্কাৰ হিচাপে নগদ ধন আৰু মানপত্ৰ আগবঢ়োৱা হ'ব। দূৰণি-বটীয়া প্ৰতিযোগী সকলৰ যাতায়ত আৰু থকা-খোৱা নিজাববীয়া। প্ৰতিযোগিতাৰ বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত বুলি গণ্য কৰা হ'ব। প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ হৈছে। গীতৰ প্ৰতিযোগিতা নিম্ন শাখাৰ প্ৰথম পুৰস্কাৰ ৭,০০০ টকা, দ্বিতীয় পুৰস্কাৰ ৫,০০০ টকা, তৃতীয় পুৰস্কাৰ, ৩,০০০ টকা উচ্চড শাখাৰ প্ৰথম পুৰস্কাৰ ১০,০০০ টকা, দ্বিতীয় পুৰস্কাৰ, ৭,০০০টকা, তৃতীয় পুৰস্কাৰ, ৫,০০০ টকা। সেইদৰে বক্তৃতা প্ৰতিযোগিতাৰ নিম্ন শাখা প্ৰথম পুৰস্কাৰ ৩,০০০ টকা, দ্বিতীয় পুৰস্কাৰ ২,০০০ টকা, তৃতীয় পুৰস্কাৰ ১,০০০ টকা। উচ্চ শাখাত প্ৰথম পুৰস্কাৰ ৫, ০০০টকা, দ্বিতীয় পুৰস্কাৰ ৩,০০০টকা আৰু তৃতীয় পুৰস্কাৰ ২,০০০ টকা। ইচ্ছুক প্ৰতিযোগী সকলে ৯৮৫৪৪৩৪১৩৮, ৬০০০৮৭৬২৮২, ৮৬৩৮৫১৮৮৬৯ আৰু ৯৪৩৫৬১৫১৩৬ নম্বৰত যোগাযোগ কৰিব পাৰিব। সামৰণি অনুষ্ঠানৰ উদ্‌যাপন সমিতিৰ সভাপতি শান্তনু গগৈ, কাৰ্যকৰী সভাপতি কুমুদ শইকীয়া আৰু যুটীয়া সম্পাদকদ্বয় প্ৰাঞ্জল হাজৰিকা আৰু বিশ্বদীপ নেওগে এক প্ৰেছ বাৰ্তাৰ জৰিয়তে প্ৰতিযোগিতাখনৰ বিষয়ে সদৰি কৰিছে।

# সত্ৰীয়া সংস্কৃতিৰ প্ৰবাদপ্ৰতিম সাধক, মধ্য মাজুলী কমলাবাৰী সত্ৰৰ বুঢ়াভকত লোকনাথ বৰগায়ন বুঢ়াভকতৰ দেহাৱসান

## মাজুলীত শোকৰ ছাঁ; সত্ৰ সমাজৰ অপূৰণীয় ক্ষতি



**অসম বাৰ্তা, উজনী মাজুলী, ২৪ ছেপ্টেম্বৰ ঃ** সত্ৰীয়া সংস্কৃতিৰ কৌমাৰ্যব্ৰতী সাধক, ত্যাগী, গুণী, তত্বজ্ঞ, সৰবৰহী, হাস্যবদনা নামাঞ্জনীয়া বুঢ়াভকত, অসম চৰকাৰৰ মুক্তিযোদ্ধা পেঞ্চনাৰ তথা মধ্য মাজুলী শ্ৰীশ্ৰী কমলাবাৰী সত্ৰৰ বুঢ়াভকত লোকনাথ বৰগায়ন বুঢ়াভকতৰ (পোনা আতৈ) আজি পুৱা ৮.১৫ বজাত বাৰ্ধক্যজনিত কাৰণত ৯৮ বছৰ বয়সত বৈকুণ্ঠগামী হয়। তেওঁৰ বৈকুণ্ঠগমনত সমগ্ৰ সত্ৰ সমাজ আৰু মাজুলীত গভীৰ শোকৰ ছাঁ পৰে। ১৯২৮ চনৰ ১ মাৰ্চত পূৱ মাজুলী অঞ্চলত জন্মগ্ৰহণ কৰা লোকনাথ বৰগায়ন বুঢ়াভকতৰ পিতৃ আছিল প্ৰয়াত ভুগিৰাম শইকীয়া আৰু মাতৃ প্ৰয়াত দশমী শইকীয়া। শৈশৱৰে পৰা সত্ৰীয়া আদৰ্শত দীক্ষিত হৈ তেওঁ আজীৱন বৈষ্ণৱ ধৰ্ম, সত্ৰীয়া সংস্কৃতি আৰু সমাজসেৱাৰ বাবে নিজকে উৎসৰ্গা কৰিছিল। লোকনাথ বৰগায়ন বুঢ়াভকত আছিল সত্ৰীয়া ওজাপালি, গায়ন-বায়ন, খোলবাদন, বৰগীত, অংকীয়া নাটৰ গীত, মেলা ৰাগ, বন্ধা ৰাগ, নাম-প্ৰসংগ, ঘোষা-কীৰ্তন, ভাগৱত পাঠ, সত্ৰীয়া অভিনয়, ভাওনা, সত্ৰীয়া নৃত্য, সত্ৰীয়া শিল্প, চিমেণ্ট এম্বছ শিল্প, পোছাক আৰু অলংকাৰ নিৰ্মাণ আদি বহু ক্ষেত্ৰৰ এজন সিদ্ধহস্ত সাধক। তেওঁ একাধাৰে নামলগোৱা, পাঠক, গায়ন, আশীৰ্বাদীয়া আৰু ধৰ্মগুৰু হিচাপে বিশেষ সুনাম অৰ্জন কৰিছিল। মাত্ৰ তিনি বছৰ বয়সতে সত্ৰত কৌমাৰ্যব্ৰতী ভকত হিচাপে প্ৰৱেশ কৰি গুৰুসকলৰ তত্বাৱধানত কঠোৰ সাধনা আৰু প্ৰশিক্ষণ গ্ৰহণ কৰা পোনা আতৈয়ে প্ৰায় ৭৫ বছৰ ধৰি সত্ৰীয়া সংস্কৃতি সংৰক্ষণ, চৰ্চা আৰু প্ৰচাৰত অনবদ্য ভূমিকা পালন কৰে। ১৯৭৪ চনত তেওঁৰ একক প্ৰচেষ্টা, ত্যাগ আৰু নিষ্ঠাৰ ফলতেই মধ্য মাজুলী শ্ৰীশ্ৰী কমলাবাৰী সত্ৰ প্ৰতিষ্ঠা লাভ কৰে। অসম চৰকাৰে প্ৰদান কৰা ৩২ বিঘা ভূমিত গঢ়ি তোলা এই উদাসীন সত্ৰখনক তেওঁ পূৰ্ণাংগ সত্ৰ হিচাপে বিকশিত কৰি বৈষ্ণৱ ধৰ্ম আৰু সত্ৰীয়া সংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰলৈ ৰূপান্তৰিত কৰে। সত্ৰখনত নিয়মীয়া ধৰ্মীয় কাৰ্যসূচীৰ উপৰি নতুন প্ৰজন্মক সত্ৰীয়া আদৰ্শ, গায়ন-বায়ন, নৃত্য-নাট্য আৰু অন্যান্য সাংস্কৃতিক দিশত শিক্ষা প্ৰদানৰ ব্যৱস্থা গঢ়ি তোলে। তেওঁৰ শিল্পীজীৱনো আছিল বৰ্ণাঢ্য। ডিব্ৰুগড় আকাশবাণীত বৰগীত পৰিৱেশন কৰাৰ উপৰি ডিব্ৰুগড়, ডুমডুমা, গোলাঘাট, গুৱাহাটী, কলকাতা, দিল্লী, শিলচৰ আদি স্থানত গায়ন-বায়ন, অংকীয়া ভাওনা, সত্ৰীয়া নৃত্য আৰু বৰগীত পৰিৱেশন কৰি ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত সত্ৰীয়া সংস্কৃতিক উজলাই তুলিছিল। সত্ৰীয়া সংস্কৃতিৰ মৌলিক বৈশিষ্ট্য অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত তেওঁ সদায় আপোচহীন আছিল। একে সময়তে সমাজত প্ৰেম, সম্প্ৰীতি, সহমৰ্মিতা আৰু মানৱীয় মূল্যবোধ প্ৰচাৰৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। তেওঁৰ তত্বাৱধানত বিভিন্ন জনগোষ্ঠীৰ হাজাৰ হাজাৰ শিক্ষাৰ্থীয়ে সত্ৰীয়া সংস্কৃতিৰ শিক্ষা লাভ কৰি দেশ-বিদেশত এই ঐতিহ্য বহন কৰি আহিছে। তেওঁৰ বৈকুণ্ঠগমনৰ খবৰ পোৱাৰ লগে লগে মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক সত্ৰত উপস্থিত হৈ নশ্বৰ দেহত পুষ্পাঞ্জলি অৰ্পণ কৰি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বিভিন্ন সত্ৰৰ সত্ৰাধিকাৰ, বিশিষ্ট ব্যক্তি, গুণমুগ্ধ আৰু অসংখ্য শিষ্য-প্ৰশিষ্য উপস্থিত হৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। তেওঁৰ শেষযাত্ৰাত অঞ্চলটোৰ বহুকেইখন গাঁৱৰ অগণন লোকে অংশগ্ৰহণ কৰে। তেওঁৰ মৃত্যুত মাজুলী জিলা আপকু, উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামী, নতুন কমলাবাৰী সত্ৰৰ ডেকাধিকাৰ সত্যজিৎ মহন্ত, ভোগপুৰ সত্ৰৰ অধিকাৰ দত্তদেৱ গোস্বামী, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, মাজুলীৰ বিধায়ক ভুবন গাম, মাজুলী মহাবিদ্যালয়, মধ্য মাজুলী পাৰিজাত উচ্চ মাধ্যমিক বিদ্যালয়, মাধৱদেৱ সাংস্কৃতিক সমাজ, নতুন দেওদিয়াআটী গাঁও উন্নয়ন সমিতি, হাজৰিকা গাঁও উন্নয়ন সমিতি, জালুকবাৰী গাঁও উন্নয়ন সমিতি, বৰুৱাবাৰী গাঁও উন্নয়ন সমিতি, পুৰণি দেওদিয়াআটী গাঁও উন্নয়ন সমিতিকে ধৰি বহু অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি তেওঁৰ বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰে। সত্ৰীয়া সংস্কৃতিৰ বিশুদ্ধ ৰূপ সংৰক্ষণ, বৈষ্ণৱ আদৰ্শৰ প্ৰচাৰ আৰু অসংখ্য শিষ্য গঢ়ি তোলাৰ ক্ষেত্ৰত লোকনাথ বৰগায়ন (পোনা আতৈ)ৰ অৱদান চিৰস্মৰণীয় হৈ ৰ'ব বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত সত্ৰৰ নিজ বহাত ৭ গৰাকী বৈষ্ণৱ পুষ্য পুত্ৰক এৰি যায়।

### অনুসন্ধান অব্যাহত, শান্তি-শৃংখলা বজাই ৰখাৰ আহ্বান প্ৰশাসনৰ

# চামগুৰিৰ হিংসাত্মক ঘটনা সন্দৰ্ভত ছজনক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, নগাঁও, ২৪ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ চামগুৰি থানাৰ অন্তৰ্গত বৰমা বজাৰ তিনিআলিত যোৱা ২১ ছেপ্টেম্বৰত সংঘটিত খণ্ডযুঁজৰ ঘটনাক কেন্দ্ৰ কৰি আৰক্ষীৰ অভিযান অব্যাহত আছে। ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত কালি নগাঁও আৰক্ষীয়ে ৬ জন লোকক গ্ৰেপ্তাৰ কৰে। বিভিন্ন উৎসৰ পৰা সংগ্ৰহ কৰা ভিডিঅ' ফুটেজৰ জৰিয়তে অভিযুক্ত সকলক চিনাক্ত কৰাৰ পাছতে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে বুলি নগাঁও জিলাৰ আয়ুক্ত তথা ৰিটাৰ্ণিং বিষয়া আৰণ্যক শইকীয়াই প্ৰকাশ কৰা এক প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰে। ঘটনাৰ সৈতে জড়িত আন লোকসকলকো চিনাক্ত কৰাৰ বাবে অনুসন্ধান অব্যাহত আছে। চামগুৰি থানাত পঞ্জীয়ন হোৱা ২৯৫/২৬নম্বৰৰ গোচৰৰ ভিত্তিত আৰক্ষীয়ে তদন্ত চলাই থকাৰ লগতে ঘটনাত জড়িত সকলোৰে বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা গ্ৰহণৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। উল্লেখ্য যে, ২১ ছেপ্টেম্বৰত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, তত্বাৱধায়ক ভূপেশ বাঘেল, সাংসদ ৰকিবুল হুছেইন আৰু দলীয় প্ৰাৰ্থী শিবামণি বৰাকে ধৰি দলীয় নেতৃত্বৰ উপস্থিতিত প্ৰায় এহেজাৰ লোকৰ এক সমদল চামগুৰি তিনিআলিৰ পৰা আৰম্ভ হৈছিল। সমদলটো আবেলি প্ৰায় ৩.৩০ বজাত বৰমা বজাৰ তিনিআলিত উপস্থিত হোৱাৰ সময়তে দুটা পক্ষৰ মাজত উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হয়। পৰিস্থিতি অধিক উত্তপ্ত হৈ পৰাত শিল, কণী আদি দলিওৱাৰ ঘটনা সংঘটিত হয়। ইয়াৰে শিলৰ আঘাত সমদলৰ এখন বাহনতো লাগে। অৱশ্যে বাহনখনত থকা কোনো লোক হতাহত হোৱা নাই। কৰ্তব্যৰত আৰক্ষী আৰু প্ৰশাসনৰ বিষয়াসকলে তৎপৰতাৰে পৰিস্থিতি নিয়ন্ত্ৰণ কৰি সমদলকাৰীসকলক নিৰাপদে সভাস্থলীলৈ লৈ যায়। ইফালে, ঘটনাৰ পাছত শান্তি-শৃংখলা অটুট ৰখাৰ উদ্দেশ্যে কালি পুৱা চামগুৰি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় চৌহদত এখন নাগৰিক সভা অনুষ্ঠিত হয়। ৰাজহ চক্ৰ বিষয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত অতিৰিক্ত আয়ুক্ত গোপাল শৰ্মা আৰু অতিৰিক্ত আৰক্ষী অধীক্ষক ৰৌজী তালুকদাৰেও অংশগ্ৰহণ কৰে। সভাত চামগুৰি ৰাজহ চক্ৰ তথা নগাঁও জিলাত চলিত লোকসভা নিৰ্বাচন শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত সকলো শ্ৰেণীৰ ৰাইজৰ সহযোগিতা কামনা কৰা হয়। সমাজত অশান্তিৰ সৃষ্টি কৰিব পৰা কোনো সন্দেহজনক কাৰ্যকলাপৰ বিষয়ে জানিব পাৰিলে তৎকালীনভাৱে আৰক্ষী বা প্ৰশাসনক অৱগত কৰিবলৈ ৰাইজক আহ্বান জনোৱা হয়। সভাত চামগুৰি বিধানসভা সমষ্টিৰ বিভিন্ন গাঁৱৰ গাঁওপ্ৰধান, গাঁওৰক্ষী বাহিনীৰ সদস্য, গণ্যমান্য ব্যক্তি, ছাত্ৰ-যুৱ সংগঠনৰ প্ৰতিনিধিকে ধৰি বহু লোক উপস্থিত থাকে।

# শিৱসাগৰৰ ৰাজাভেটা গাঁও পঞ্চায়তত যক্ষ্মা মুক্ত পঞ্চায়ত অভিযানৰ সন্দৰ্ভত সজাগতা সভা অনুষ্ঠিত

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ২৪ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ চণ্টক-বিহুবৰ অঞ্চলৰ ৰাজাভেটা গাঁও পঞ্চায়তত পঞ্চায়ত সভাপ্ৰতি মোহন সিংহ ৰাজপুতৰ সভাপ্ৰতিত্বত আৰু শিৱসাগৰ জিলাৰ যক্ষ্মা ৰোগ বিভাগৰ সহযোগত যক্ষ্মা মুক্ত পঞ্চায়ত (TB Mukt Panchayat) তথা যক্ষ্মা বিষয়ৰ ওপৰত আজি এখন ৰাজহুৱা তথা সজাগতা সভা অনুষ্ঠিত হয়। উক্ত সভাত শিৱসাগৰ যক্ষ্মা ৰোগ বিষয়া তথা জিলা এইডছ নিয়ন্ত্ৰণ বিষয়া ডাঃ দ্বিজেন কোচে যক্ষ্মা ৰোগৰ লক্ষণসমূহৰ লগতে এই ৰোগৰ চিকিৎসা ব্যৱস্থা আৰু প্ৰতিৰোধৰ বিষয়ে সজাগতা বৃদ্ধি কৰাৰ লগতে যক্ষ্মা মুক্ত পঞ্চায়ত অভিযানৰ বিষয়ে ৰাইজক বিতংভাৱে অৱগত কৰে আৰু যক্ষ্মা ৰোগৰ বিৰুদ্ধে সজাগ হৈ যুঁজ দিবলৈ ৰাইজক আহ্বান জনায়। এই সভাত উপস্থিত থাকে আমগুৰি আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী আছাৰন্তি বদ্ৰা তিৰ্কি। তেখেতৰ ভাষণ প্ৰসংগত যক্ষ্মা ৰোগৰ প্ৰতিয়েই নহয় সকলো ৰোগৰ প্ৰতি সজাগ হ'বলৈ সকলো ৰাইজক আহ্বান জনায় আৰু সকলোকে এই যক্ষ্মা মুক্ত পঞ্চায়ত অভিযানত সহযোগ কৰিবলে আহ্বান জনায়। ৰাজাভেঁটা স্বাস্থ্যকেন্দ্ৰ কমিউনিটী হেল্‌থ বিষয়া মধুস্মিতা চেতিয়া আৰু বামুণপুখুৰি চাহবাগিছা স্বাস্থ্যকেন্দ্ৰৰ ফাৰ্মাচিষ্ট উৎপল বৰদলৈয়ে নিজ নিজ বক্তব্যত যক্ষ্মা ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত ব্যক্তিগত অনুভৱবোৰ আগবঢ়ায়। যিহেতু ৰাইজৰ সহযোগৰ অবিহনে যক্ষ্মা মুক্ত পঞ্চায়ত গঢ়াটো সম্ভৱ নহয়, সেয়ে এই ক্ষেত্ৰত তেওঁলোকে ৰাইজৰ সহযোগিতা বিচাৰে। শেষত পঞ্চায়তৰ সভাপতি মোহন সিংহ ৰাজপুতে ৰাজাভেটা অঞ্চলত সজাগতা সভা অনুষ্ঠিত কৰা বাবে শিৱসাগৰ যক্ষ্মা বিভাগক শলাগ লয় আৰু তেওঁ প্ৰতিশ্ৰুতি প্ৰদান কৰে যে যক্ষ্মা মুক্ত পঞ্চায়তৰ সকলো কামত ভৱিষ্যতেও সহযোগিতা প্ৰদান কৰিব।

### ইংলেপথাৰৰ ভূমি আদিবাসী কৃষকক ঘূৰাই দিয়াৰ দাবী

# ভূমি অধিকাৰ কৰ্মী প্ৰণৱ দলেৰ মুক্তিৰ দাবীত গোলাঘাটত চিপিআইৰ প্ৰতিবাদ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২৪ ছেপ্টেম্বৰ ঃ** কমিউনিষ্ট পাৰ্টি(CPI) গোলাঘাট জিলা পৰিষদে আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সমুখত কাজিৰঙাৰ ইংলেপথাৰৰ সাধাৰণ খাটিখোৱা আদিবাসী খেতিয়কৰ খেতিমাটি কাঢ়ি চৰকাৰে বৃহৎ পুঁজিপতি গোষ্ঠীক গটোৱাৰ বিৰুদ্ধে আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা আইন (NSA)ৰ চূড়ান্ত অপপ্ৰয়োগেৰে অগণতান্ত্ৰিকভাৱে বন্দী কৰি কৰা ভূমি অধিকাৰ কৰ্মী প্ৰণৱ দলেক শীঘ্ৰে মুক্তিৰ দাবীত বৃহত্তৰ কাজিৰঙা ভূমি আৰু মানৱ অধিকাৰ সুৰক্ষা সমিতি আৰু প্ৰণৱ দলে মুক্তি দাবী সমিতিৰ সহযোগত এক অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। চিপিআই নেতা প্ৰহ্লাদ বৰাই আঁত ধৰা কাৰ্যসূচীত পাৰ্টিৰ ৰাজ্যিক সম্পাদক কনক গগৈয়ে বক্তব্য ৰাখি কয় যে বৰ্তমানৰ চৰকাৰখনে অসমৰ বিভিন্ন ঠাইত জনগণৰ ভূমি অধিকাৰ, প্ৰকৃতি আৰু পৰিৱেশতন্ত্ৰৰ প্ৰতি সম্পূৰ্ণ পিঠি দি তেওঁলোকৰ মাটি কাঢ়ি লৈ বৃহৎ পুঁজিপতি গোষ্ঠীক গটাই দিছে বা গটোৱাৰ প্ৰক্ৰিয়া চলাই আছে। গোলাঘাট জিলাৰ কাজিৰঙাৰ ইংলেপথাৰতো কেইবাপুৰুষ ধৰি খেতি কৰি জীৱন নিৰ্বাহ কৰি অহা আদিবাসী খেতিয়কৰ মাটি অধিগ্ৰহণ কৰি হায়াতৰ দৰে পুঁজিপতি গোষ্ঠীক পঞ্চ তাৰকা হোটেল নিৰ্মাণ কৰিবলৈ দিছে। থলুৱা আদিবাসী খেতিয়কৰ ভূমি অধিকাৰ খৰ্ব আৰু ৰাষ্ট্ৰীয় উদ্যানৰ সমীপতে পঞ্চ তাৰকা হোটেল নিৰ্মাণেৰে প্ৰকৃতি আৰু পৰিৱেশ ধ্বংস কৰা কাৰ্যক আমি চিপিআয়ে তীব্ৰভাৱে গৰিহণা দিছে। প্ৰতিবাদী কাৰ্যসূচীত চিপিআইৰ জিলা সম্পাদক হৰেণ বৰা, নিখিল ভাৰত কৃষক সভাৰ ৰাজ্যিক সম্পাদক জয়ন্ত গগৈ, ভূমি অধিকাৰ যৌথ সংগ্ৰাম সমিতিৰ অন্যতম আহ্বায়ক মনোজ সিংহ ৰাজা, কাজিৰঙাৰ ভূমি অধিকাৰ কৰ্মী ৰাজীৱ পেগু, ইংলেপথাৰৰ ভুক্তভোগী গীতা গোৱালা আদিয়ে বক্তব্য ৰাখি চৰকাৰখনৰ এনে জনগণ বিৰোধী কাৰ্যৰ প্ৰতিবাদ কৰি সাধাৰণ খাটিখোৱা খেতিয়কৰ ভূমি অধিকাৰৰ বাবে মাত মতাৰ বাবেই ভূমি অধিকাৰ কৰ্মী প্ৰণৱ দলেক দেশদ্ৰোহী সজাই ৰাষ্ট্ৰীয় নিৰাপত্তা আইন (NSA)ৰ অধীনত অগণতান্ত্ৰিক ভাৱে বন্দী ৰখা কাৰ্যক ধিক্কাৰ দিয়ে। তেওঁলোকে কয় যে প্ৰণৱ দলেক কিহৰ ভিত্তিত এনএছএত গ্ৰেপ্তাৰ কৰিব লগা হ'ল বুলি উচ্চ ন্যায়ালয়ে কৰা প্ৰশ্নৰ উত্তৰ দিব নোৱাৰি চৰকাৰে তাৰিখ ল'ব লগা হৈছে। ইয়ে প্ৰমাণ কৰে যে এই গোচৰ সম্পূৰ্ণ ভুৱা। এআইএছএফৰ ৰাজ্যিক আহ্বায়ক যদুবৰা, এআইৱাইএফৰ ৰাজ্যিক যুটীয়া সম্পাদক বিতোপন গগৈ, ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক অজয় বৰা, কৃষক নেতা সঞ্জীৱ গাংগুলী, শ্ৰমিক নেতা ঘন বৰা, যোগেন চেতিয়া, এআইএছএফৰ জিলা সম্পাদক অভিলাষ নেওগৰ নেতৃত্বত শতাধিক প্ৰতিবাদকাৰীয়ে চৰকাৰক এনে জন-বিৰোধী নীতি গ্ৰহণৰ পৰা আঁতৰি থাকিবলৈ সকীয়াই দি কাজিৰঙাৰ ইংলেপথাৰৰ খাটিখোৱা খেতিয়কৰ মাটিত বৃহৎ পুঁজিপতি গোষ্ঠীৰ হোটেল নিৰ্মাণ বন্ধ কৰা, কাজিৰঙাৰ ইংলেপথাৰৰ খাটিখোৱা খেতিয়কৰ অধিগ্ৰহণ কৰা মাটি ঘূৰাই দি তেওঁলোকৰ ভূমি অধিকাৰ নিশ্চিত কৰা আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা আইন (NSA)ৰ অধীনত অগণতান্ত্ৰিক ভাৱে বন্দী ৰখা প্ৰণৱ দলেক অতি শীঘ্ৰে মুক্তি দিয়া -এই তিনিদফীয়া দাবীৰে এখন স্মাৰক পত্ৰ জিলা আয়ুক্তৰ যোগেদি মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে।

### শিশু সমাৰোহৰ প্ৰস্তুতি আদৰণি সমিতি গঠন

# মঙলদৈত সদৌ অসম মইনা পাৰিজাতৰ ৰাজ্যিক

**অসম বাৰ্তা, মঙলদৈ, ২৪ ছেপ্টেম্বৰ ঃ** মঙলদৈ জিলা মইনা পাৰিজাতৰ আতিথ্যত সদৌ অসম মইনা পাৰিজাতৰ ঊনবিংশতিতম দ্বি-বাৰ্ষিক ৰাজ্যিক শিশু সমাৰোহখনি ২০২৭ বৰ্ষৰ ডিচেম্বৰ মাহত মঙলদৈ চহৰত অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। ৰাজ্যখনৰ প্ৰায় চাৰি সহস্ৰাধিক শিশু-মইনা আৰু পৰিচালক-পৰিচালিকা উপস্থিত থাকি বলগীয়া এই শিশু সমাৰোহখনি সুচাৰুৰূপে পৰিচালনা কৰিবলৈ এখন আদৰণি সমিতি গঠনাৰ্থে মঙলবাৰে বিয়লি মঙলদৈ যুথ ক্লাবৰ সভাকক্ষত মঙলদৈ জিলা মইনা পাৰিজাতৰ সভাপতি এনি ভূঞা ডেকাৰ সভাপতিত্বত এখন ৰাজহুৱা সভা অনুষ্ঠিত হৈ যায়। দৰং জিলাৰ বিভিন্ন প্ৰান্তৰ শতাধিক লোক উপস্থিত থকা এই সভাখনত মঙলদৈ জিলা মইনা পাৰিজাতৰ কৰ্মকৰ্তা সকলে পূৰ্বতে প্ৰস্তুত কৰি অনা আদৰণি সমিতিৰ এখন তালিকা পাঠ কৰি দিয়ে। সেই অনুসৰি মঙলদৈৰ বিধায়ক তথা মন্ত্ৰী নিলীমা দেৱীক সভাপতি, প্ৰাক্তন মন্ত্ৰী বসন্ত দাসক কাৰ্যকৰী সভাপতি, সাংবাদিক মুকুট ৰাজ শৰ্মা আৰু কলাইগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ বসন্ত শইকীয়াক উপ-সভাপতি, ৰাজীৱ কুমাৰ ডেকাক মুখ্য সম্পাদক, ৰানা আলম, ভৱেন বৰ্মন আৰু গণেশ দত্তক সম্পাদক, প্ৰবীণ বৰুৱা, মুকুট ভূঞাক সহকাৰী সম্পাদক হিচাপে লৈ এখন আদৰণি সমিতি গঠন কৰা হয়। এই সমিতিখনক পৰৱৰ্তী সময়ত বৰ্ধিত ৰূপ দিয়া হ'ব আৰু কেইবাখনো উপ-সমিতিও গঠন কৰা হ'ব বুলি উদ্যোক্তাসকলে জনাইছে।

# অৰুণাচলৰ দেওমালিত নাহৰফুটুকী মেকুৰী পোৱালিক উদ্ধাৰ



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৪ ছেপ্টেম্বৰ ঃ** অৰুণাচল প্ৰদেশৰ টিৰাপ জিলাৰ দেওমালি-নামছাং পথত কালি এটা নাহৰফুটুকী মেকুৰী পোৱালি (Prionailurus bengalensis) উদ্ধাৰ হয়। ২৫০ গ্ৰাম ওজনৰ পোৱালিটোক পথৰ কাষত আবদ্ধ হৈ থকা অৱস্থাত দেওমালিৰ টেমিন লামা নামৰ লোকজনে উদ্ধাৰ কৰে। তেওঁ তৎক্ষণাত পোৱালিটোক যত্ন আৰু সুৰক্ষাৰ বাবে দেওমালি ৰেঞ্জৰ বন বিষয়া ডি লোৱাঙক গতাই দিয়ে। পিছত পোৱালিটোক বন বিভাগে চাংলাং জিলাৰ নামডফা ৰাষ্ট্ৰীয় উদ্যান আৰু বাঘ সংৰক্ষিত বনাঞ্চল (Namdapha National Park and Tiger Reserve Forest)ৰ অন্তৰ্গত মিয়াওৰ মিনি চিৰিয়াখানাত সঠিক যত্ন, পুনৰ্বাসন আৰু অধিক নিৰীক্ষণৰ বাবে নিৰাপদে গতাই দিয়ে। বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰতি সময়োপযোগী আৰু দায়িত্বশীল পদক্ষেপৰ বাবে দেওমালিৰ সংমণ্ডল বন বিষয়া বি টাবাই টেমিন লামাৰ ভূমিকাৰ শলাগ লয়। লগতে জনসাধাৰণক সজাগ হৈ থকাৰ লগতে আবদ্ধ, আঘাতপ্ৰাপ্ত বা দুৰ্দশাগ্ৰস্ত বন্যপ্ৰাণীৰ সন্মুখীন হ'লে তৎক্ষণাত ওচৰৰ বন বিভাগৰ কাৰ্যালয় বা বন বিষয়াক অৱগত কৰিবলৈ আহ্বান জনায়। একে সময়তে আগন্তুক দিনত এনে জন্তু প্ৰত্যক্ষ কৰিলে চম্ভালিবলৈ বা অশান্তি দিয়াৰ কোনো ধৰণৰ প্ৰচেষ্টা এৰাই চলিবলৈও আহ্বান জনায় বিষয়াগৰাকীয়ে। উল্লেখ্য যে, ইয়াৰ পূৰ্বে চলিত বৰ্ষৰ মাৰ্চ মাহত বন বিভাগে খুনচাৰ বৰডুৰিয়াৰ পৰা এটা হিমালয়ান ক'লা ভালুকৰ পোৱালি উদ্ধাৰ কৰি বিশেষ যত্ন আৰু পুনৰ্বাসনৰ বাবে পাক্কে বাঘ সংৰক্ষিত বনাঞ্চলৰ ভালুক পুনৰ্বাসন আৰু সংৰক্ষণ কেন্দ্ৰ (Centre for Bear Rehabilitation and Conservation)লৈ স্থানান্তৰিত কৰিছিল।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন